REFERENCE,
(NOT FOR ISSUE
READING ONLY INSIDE LIB

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## BUDGET SESSION

**VOL -XIV**

**NO. 28**

**Dated the 22nd March 1976**

1988

PRINTED AT SUDARSHAN PRESS
BAMUNIMAIDAM

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

( Budget Session )

Volume-XIV. No. 28

Dated the 22nd March, 1976

## CONTENTS :


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... | 1—32 |
| 2. | Calling Attention ... ... | 33—34 |
| 3, | Statements by Ministers ... ... | 35 -36 |
| 4. | The Assam Finance Bill, 1976 ... | 36—61 |
| 5. | The Assam Rural Indebtedness Relief ( Amendment ) Bill, 1976. ... | 61—82 |
| 6. | The Assam Contingency Fund ( Augmentation of Corpus ) Bill, 1976 ... | 82—90 |
| 7. | Discussion under Rule 49 ... | 90—96 |
| 8. | Adjournment ... ... | 96 |

Proceedings of the Fourteen Session of the Assam Legislative Assembly assembled after the Fifth General Elections under the Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Monday the 22 and March 1976 with the Hon'ble speaker in the chair, 14 (fourten) Minister 4 (four) Minister of State, 1 ( one ) Deputy Minister and 67 (sixty seven) Members Present.

## STARRED

## QUESTIONS AND ANSWERS

Date : 22nd March, 1976

### Re : Agricultural Extension Officer

Shri Kabir Chandra Roy Pradhani asked :

*334. Will the Minister, Panchayat be pleased to state—

(a) Whether it is a fact that the Agicultural Extension Officer acting as I/C Block Development Officer, Golakganj Development Block has not been released from Panchayat Department, though the Chief Minister passed the order for releasing him at the request of the Ministser of Agriculture ?

(b) If so, whether Government have received complaints against that Officer and if so, the action taken so far in this regard ?

(c) Whether the Government is aware of the Police Reports submitted to the Government about this political activities ?

(d) If so, the action taken by Government in this regard ?

Shri Syed Ahmed Ali (Minister, Panchayat) replied :

**334. (a)—No.**

**(b)—Does not arise so far.**

**(c)—Neither any complaint nor any Police Report has been received.**

**(d)—Does not arise.**

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :– মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়াজনে 'ব্লক ডেভেলপমেণ্ট অফিচাৰ' হিচাবে কাম কৰিছিল নে নাই আৰু এই বিষয়া জন এতিয়া কি অৱস্থাত আছে ?

শ্ৰীচৈয়দ আহমেদ আলি(মন্ত্ৰী)ঃ—আগতে এইজন বি, ডি, অ ইন্‌চাৰ্জ হৈছিল ।এতিয়া কি অৱস্থাত আছে সেইটো কব নোৱাৰো । কিয়নো তেখেত কৃষিবিভাগৰহে আছিল ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ– এই অফিচাৰ জনক কেতিয়া ৰিলিজ কৰিলে আৰু কোনে দায়িত্ব লৈ ৰিলিজ কৰিলে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :– মাননীয় অধ্যক্ষ মহোদয়, 'ৰেগুলাৰ বি. ডি, অ' নহয় । ভি, চি-য়ে 'চিনিয়ৰ মষ্ট এক্সটেনশ্বন অফিচাৰ' লৈ লিখিছে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মাননীয় অধ্যক্ষ মহোদয়, চাৰ্জ দাইৰেক্টলি দিছেনে ছুটিত আছিল ? ধুবুৰীৰ প্লেনিং অফিচাৰে চাৰ্জ ললে । চাৰ্জ কেনেকৈ দিলে আৰু তাৰ পজিশ্যনটো এতিয়া কি সেইটো জনাবনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ— কৃষি বিভাগে ৰিলিজ কৰি দিবলৈ কৈছে আৰু ৰিলিজ কৰি দিয়া হৈছে । এতিয়া চাটতেই আছেনে কত আছে সেইটো আমাৰ কনচাৰ্ণ নহয় ।

Shri Premadhar Bora—Sir, how long this Extension Officer was serving under the Block and when he was released?

Shri Syed Ahmed Ali (Minister)—So far as I know he was in charge of Block for the last two years. And he has been released from the Office sometime on 6th January or like that.

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :– মাননীয় মন্ত্ৰী মহোদয়ে এইজন বিষয়াৰ বিৰোদ্ধে কোনো অভিযোগ নাই বুলিকৈছে। ডি,চি-ৰ তাত সেইজন লোকৰ বিৰুদ্ধে এশটামান 'কমপ্লেইন' আছে সেইটো মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— ডি,চি-ৰ তাত কমপ্লেইন আছে সেইটো মন্ত্ৰীয়ে জনাৰ কোনো উপায় নাই। খবৰ কৰাৰ সুবিধা পোৱা হলেহে খবৰ পাৰিলোহেঁতেন। মাননীয় সদস্যজনে সোধা প্ৰশ্নমতেই মই ৰাজনৈতিক বিভাগলৈ লিখিছো আৰু ৰাজনৈতিক বিভাগৰ ডেপুটি চেক্ৰেটৰীয়ে এইটো অনুসন্ধান কৰি সেই মানুহ জনৰ বিৰোদ্ধে কোনো কমপ্লেইন আছেনে নাই সেই ক্ষেত্ৰত এইদৰে লিখিছে "Government in Political 'A' Department has not received any complaint against the B.D.O., Golakganj. No adverse political activity of the B.D.O. has also come to notice."

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা পঞ্চায়ত ইলেকশ্বনত এই লোকজনে এজন 'কেণ্ডিডেট'ৰ পক্ষে 'একটিভিলি কাম কৰাটো মন্ত্ৰী মহোদয়ে জানেনে আৰু এইদৰে পক্ষলৈ 'একটিভলি' কাম কৰাৰ কাৰণে তাৰ ৰাইজৰ মাজত নানান খেলি মেলি আৰু উশৃংখলা আদিৰ সৃষ্টি হোৱা কথাটো মাননীয় মন্ত্ৰীমহোদয়ে জানেনে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— সেই সম্পৰ্কে মোৰ হাতত খবৰ নাই। ৰখাৰ প্ৰয়োজনো নাই।

Shri Giasuddin Ahmed—Without going into the merit of the whole matter I would like to submit that the reply to question (b) given by the hon'ble Minister is not clear to us. The

question is—(b) If so, whether Government have received complaints against that Officer and if so, the action taken so far in this regard ? Now, the Minister's reply was 'does not arise'. The question has not been replied to properly. May I know whether actually Govt. or the Deputy Commissioner had received any complaint ?

Shri Sayed Ahmed Ali – Sir, (Minister) question (b) is related to question (a) And, what is question (a) should first be understood .

**Re : Water Supply Scheme in Nowgong Town**

Shri Lila Kanta Borah asked :

*335. Will the Minister, Health be pleased to state –

(a) When the works of Water supply Scheme in Nowgong Town is going to be started ?

(b) What are the reasons for delay in taking up the same ?

Shri Girindra Chandra Choudhury ( Minister, ealth ) replied :

335. (a)—In view of paucity of fund, it is not possible to say when it will be taken up.

(b)—Delay is due to non-availability of fund.

Shri Lila Kanta Borah—May I know from the Minister whether it is a fact that the Government is taking up the scheme by part ?

Shri Girindra Chandra Choudhury (Minister)—Government is thinking to take it up part by part. We are making a plan which will cost nearly one crore of rupees. Whole plan has got to be

sent to L. I C. for loan and plan and estimates are being prepared and sent to Municipal Administration Department for approval.

Shri Giasuddin Ahmed – May I know whether there is any existing water supply scheme ? If so, what are the areas covered by the existing scheme and which are the areas left out ?

Shri Girindra Chandra Choudhury (Minister)—I do not think there is any such scheme.

শ্ৰীকেহোৰাম হাজৰীকা :— মাননীয় অধ্যক্ষ মহোদয়, নগাৱঁত পানীযোগানৰ আঁচনি লোৱাৰ সম্পৰ্কত এই সদনত বহুত বাৰ আলোচনা আদি হৈ গৈছে। এই আঁচনি কাৰ্য্যকৰী কৰা হব বুলি মন্ত্ৰী মহোদয়ে এই সদনৰ মজিয়াত বাৰে বাৰে আশ্বাসো দিছিল। নগাৱঁৰ পানী বেয়া হোৱাৰ কাৰণে তাৰ মানুহ বিশেষ কৈ পেটৰ অসুখত ভুগিব লগীয়া হয়। এই পৰিপ্ৰেক্ষিতত নগাৱঁত এই আঁচনিখন সোনকালে কাৰ্য্যকৰী কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা চিন্তা কৰিছেনে ? যদি এই বিষয়ে কিবা ভাৱিছে তেনেহলে কিমান দিনৰ ভিতৰত এইটো কৰা হব আৰু তাৰ 'ফান্দ' কেতিয়া হব আৰু কেতিয়া কাৰ্য্যকৰী হব সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— যিহেতুকে মই সৰু অৱস্থাত নগাৱঁত আছিলো গতিকে মাননীয় সদস্য জনৰ জন্মৰ আগৰে পৰাই মোৰ এই বিষয়ে অভিজ্ঞতা আছে। সেইকাৰণেই যিমান সোনকালে পাৰি এইটোৰ ব্যৱস্থা কৰি পানী যোগান দিবলৈ ব্যৱস্থা কৰা হৈছে।

Starred questions Nos. 336 & 337 were not put:. Member being absent.

## Re : Prohibition or Dowry System

Shri Giasuddin Ahmed asked :

*338. Will the Minister, Home be pleased to state –

The steps taken to Prohibit Dowry System in the State.

Shri Hiteswar Saikia (Minister, Home) replied :

338 Parliament passed the Dowry Prohibition Act. 1961 which makes the taking or giving or demanding of dowry an offence. The Central Government had also set up a Committee on the status of woman in India and the Committee which submitted its report in December. 1974 dealt at length on the subject and made certain recommendations. A copy of the report has been received and the recommendations are under consideration.

Shri Giasuddin Ahmed—Whether steps have been taken up by the Govt. according to the provisions of the Act ?

Shri Hiteswar Saikia (Minister)—It is under consideration.

Shri Giasuddin Ahmed—What are the recommendations which are under consideration ?

Shri Hiteswa Saikia—(Ministe )— There are five recommendations. Of these five, action on only one can be taken by the State Government, and that is about taking or giving of dowary to women. We can do this by putting a provision in the Government Servants' Conduct Rules to the effect that those who serve under the Government of Assam, they may be prohibited from taking or giving dowary. As regards the other four, they are for the Government of India to take action.

Shri Giasuddin Ahmed—What are the other steps being contemplated

Shri Hiteswar Saikia (Minister,)—No other steps. Moreover, the Act of 1961 does not provide any police action, and not a single case was registered either in Assam or in any other parts of India since 1961.

Shri Manabendra Sarma :—May I know what are the three other recommendations of the Report ?

Shri Hiteswar Saikia (Minister) : =(1) Officence under the Dowery Act should be made cognizable. That has, however, been not done uptil now.

(2) Any gift made to the bride-groom or friends in excess of Rs. 500 should be made punishable, and.

(3) Display of gifts made at the time of or immediately after the marriage should be made punishable. These are the three other recommendations of the Committee.

Shri Manabendra Sarma—Has the State Government taken any steps to implement the 4th recommendation given in the Report ?

Shri Hiteswar Saikia (Minister) – That is under consideration.

শ্ৰীমতী ৰেৱতী দাস :- মন্ত্ৰী মহোদয়ে জনাবনে যে অসমত এণ্টী ডাউৰী কমিটি গঠন কৰা হৈছে'ন যদি হৈছে কোন কোন জিলাত খোলা হৈছে আৰু তাত তেওঁলোকে কি কি কাম কৰি আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— অসমত এন্টি ডাউৰী কমিটি নাই।

শ্ৰী আটাউৰ ৰহমান :- আইনখন পঢ়ি দিওতে বুজিলো যে দৰাক যৌতুক দিলে দণ্ডণীয় হয় কিন্তু ছোৱালীক দান দিওতে দণ্ডণীয় হব নে নহয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— হয়োটাই হব।

Shri Giasuddin Ahmed :— A serious point is involved so far as Muslim marriage is concerned. It is a contract done in lieu of certain considerations, i.e. some amount is given either in

cash or in kind to the bride by the bridegroom in consideration of living as husband and wife. Whether any recommendation to that effect has been made ?

Shri Hiteswar Saikia (Minister), Some recommendations to that effect have also been made. A muslim husband has the absolute right to liquidate a marriage. Inspite of that there are certain recommendtions. They are being looked into.

Shri Badan Chandra Talukdar :–The question is whether the cash or kind given in consideration of the contract. i.e. 'Talak' will also come under the purview of the Anti-Dowery Act ?

Shri Hiteswar Saikia (Minister) :—There are certain recommendtions to that effect also.

শ্ৰীনগেন বৰুৱা :– অধ্যক্ষ মহোদয়, অসমত সাধাৰণতে ছোৱালীক বিয়া দিবৰ সময়ত যৌতুকৰ বস্তু যেনে-কাপোৰ-কানি, কাহি বাটি, বিচনা-পত্ৰ আদি দিয়ে। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক যিখন আইন দিছে সেইমতে এইটো এটা অপৰাধ মূলক কাৰ্য্য হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :– আইন কৰিবই নালাগে। বহুতো ঠাইত ডেকা-গাভৰুৱে যৌতুক নালাগে বুলি কৈছে। পাচশ টকাৰ তলত হলে অপৰাধ নহয়। আইনখন আমি এতিয়াও কাৰ্য্যকৰী কৰা নাই।

শ্ৰীনগেন বৰুৱা :— বৰ্তমান যিটো চলি আছে সেইমতে কইনাক যিখিনি বস্তু দিয়া হয় তাৰ মূল্য পাচশ টকাতকৈ বেছি হয়। গতিকে সেইখিনি অপৰাধ মূলক হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— নিশ্চয় হব। যৌতুক মাত্ৰই অপৰাধ।

শ্ৰীমৌলানা আবদুল জলিল চৌধুৰী :— মহোদয়, যে গুলো আইন বিধান সভা বা লোকসভায় পাশ কৰা হয় সেগুলোকে ঠিক ঠিক ৰূপদান করা আমাদের

অবশ্য কর্তব্য। কিন্তু সঙ্গেও মানবতার একটা প্রশ্ন জড়িত আছে। কারণ, যে মেয়ের শাদী দেওয়া হয়, যেহেতু সেই মেয়েটি দীর্ঘদিন তার পিত্রালয়ে প্রতিপালিত হয়, সেহেতু স্নেহবশতঃ বা সামাজিক সৌজন্য বশতঃ কিছু জিনিষপত্র তারসঙ্গে দেয়া হয়। আজকালকার দিনে একটা বিছানা তৈরী করতে ১০০০ টকা খরচ হয়ে যায়। এক্ষেত্রে এই আইন প্রয়োগ যে নিরর্থক হবে সেটা মন্ত্রী মহোদয় স্বীকার করেন কি?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—মহোদয়, এখনো পাশ হয়নি।

শ্ৰীসোনেশ্বৰ বৰা :— গাৱলীয়া সমাজত এটা কথা চলি আছে যে মাকে, ছোৱালী জীয়ৰি হোৱাৰ কালৰে পৰা ছোৱালীৰ নামত হাহঁ, কুকুৰা আদি পোহে। ছোৱালীয়ে গিৰীয়েকৰ ঘৰলৈ লৈ যোৱাৰ আশাৰে বহু বস্তু যোগাৰ কৰি ৰাখে। এইখিনি যৌতুক নহয়। নিজৰ উপাৰ্জনেৰে সেইখিনি বস্তু গোটাই। এইখিনি নিয়াটো দণ্ডণীয় নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— নোৱাৰে। কিন্তু নিজৰ নামত পাচবুক আদিত টকা থাকিলে সেইখিনি নিব পাৰিব।

Starred questions No. 339 was not put Member being absent.

### Re : Protection Works of 15th and 16th Miles on Left Bank of Dikhow River

Shri Promode Chandra Gogoi asked :

*340. Will the Minister, Flood Control be pleased to state –

(a) Whether it is a fact that works for protection of 15th and 16th Miles on the left bank of the Dikhow River under the Sibsagar Flood Control Division were taken up during the financial years of 1973-74, 1974-75 and 1975-76 ?

(b) If so the total expenditure incurred during the above financial year ?

Shri Lakshya Nath Doley (Minister, Flood Control) replied :

340. (a)—Yes.

| (b)— | 15th Mile protection work | 16th Mile protection work |
|---|---|---|
| 1973-74 :— | Rs. 1,75,357.00 | Rs. 1,03,944.00 |
| 1974-75 :— | Rs. 5,354.00 | Rs. 6,997.00 |
| 1975-76 :—(upto December, 1975) | Rs. 1,79,945.00 | Rs. 42,934.00 |
| | Rs. 3,60,656.00 | Rs. 1,53,875.00 |

Shri Promod Chandra Gogoi :—What was the estimated expenditure of this work ?

Shri Lakshya Nath Doley ( Minister, Flood Control ) :— Over Rs. 6 lakhs.

Shri Promode Chandra Gogoi :—What is the percentage of work so far completed from 1974-75 to 1975-76 ?

Shri Lakshya Nath Doley (Minister, Flood Control) :—80%

Shri Promode Chandra Gogoi :—Whether Government is aware of the fact that though in paper 80% of the work is shown to have been completed, actual work completed

is much less and whether Minister would be pleased to make an enquiry with a view to ascertain as to whether 80% of the work has been actually completed ?

Shri Lakshya Nath Doley (Minister, Flood Control) : - The matter has been actually taken into consideration by the Department,

Shri Giasuddin Ahmed :—If this matter has already been taken into consideration, may I know whether Government has any doubt as to the record of work done ?

Shri Lakshya Nath Doley (Minister Flood Control) :—There is no question of doubt about it. Actually, after completion of a certain work we immediately send our quality Evaluation Officer to inspect the work and report as to whether the work has been done according to the specifications. That is why I say the matter is under investigation.

Shri Promode Chandra Gogoi :—Are the Government satisfied that 80% of the work has been completed by the Dept during this year ?

Shri Lakshya Nath Doley (Minister, Flood Control) :—That can be ascertained only after receipt of the report of the quality Evaluation officer.

Shri Giasuddin Ahmed :-Whether an enquiry was made before making the payment ?

Shri Lakshya Nath Doley (Minister, Flood Control) ; - An investigation is being made now.

Shri Giasuddin Ahmed :—My question is whether inspection was made before payment. The disbursing authority must have received a report to the effect that the work has been actually completed before he made the payment.

Shri Lakshya Nath Doley (Minister, Flood Control) :—Inspection is made from year to year before final payment. When payment was made for expenditure incurred in 1974-75, an inspection was made. Now, with regard to work done in 1975-76, an inspection is being made and final payment has not yet been made.

Shri Giasuddin Ahmed :—Whether measurement of the work done was taken before payment ?

Shri Lakshya Nath Doley (Minister, Flood Control) :—Surely without measurement how can the bills be paid ?

Shri Premadhar Bora :—Whether there is a scheduled rate of the work.

Shri Lakshy Nath Doley (Minister) :—Ther was a scheduled rate, but due to paucity of fund that work had to be done in phases.

শ্ৰীনগেন বৰুৱা :—মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছোঁ এই কামৰ সম্পৰ্কত যোৱা কেই বছৰ মাটিৰ কাম, বয়বস্তু যোগান আৰু মাষ্টৰ ৰোলৰ লেবাৰ সকলক পেয়মেন্ট আদি দিওতে কিমান টকা খৰচ হৈছিল সেই বিষয়ে জনাবনে ?

শ্ৰীলক্ষ্য নাথ দলৈ (মন্ত্ৰী) :—সিমানটো খবৰ মোৰ হাতত নাই।

মৌলানা আব্দুল জলিল চৌধুৰী :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়, বলেছেন যে তদন্ত কৰা হয়েছে এবং মেজারমেন্টও পাওয়া গিয়েছে, তাহলে শতকরা ৮০ ভাগ কাজ হয়েছে কিনা একথা স্পষ্ট ভাবে বলা যায় নে কেন ?

শ্ৰীলক্ষ্য নাথ দলৈ (মন্ত্ৰী):—শতকৰা ৮০ ভাগ ১৯৭৫।৭৬ চনলৈকে কৰা হৈছে গতিকে অ'চলতে ১৯৭৪। ৭৫ আৰু ১৯৭৬ চনলৈকে যি খিনি কাম কৰা হল সেইখিনি তদন্ত হল আৰু পেয়মেণ্টে হল কিন্তু ১৯৭৫ আৰু ৭৬ চনৰ এই চোৱা কামৰ তদন্ত শতকৰা ৮০ ভাগ হৈছে আৰু এই বছৰ যি কাম হৈছে সেইবিলাকৰ এতিয়াও তদন্ত হৈ আছে।

**Re : Tourist Lodge near Chandubi Lake**

Shri Biren Ram Phookan asked :

* 341. Will the Minister, Tourism be pleased to state—

(a) Whether it is a fact that construction of a Tourist Lodge near Chandubi Lake is in progress ?

(b) If so, the amount spent for the construction of the access Road to the Lodge ?

(c) Whether it is a fact that a large number of Sal trees have been cut down for construction of the said road ?

(d) If so, number of trees may please be stated ?

(e) The price paid to land owners for the land acquired for the road ?

(f) Whether the amount of money has been paid to the landowners for acquisition of their land ?

Dr. Lutfur Rahman (Minister, Tourism) replied :

341. (a)—No.

(b)—Rs. 2,36,163·00 has been spent for improving the Rajapara Chandubi Road.

(c) & (d)—116 trees (both Sal and non-sal trees) were felled for the construction of this road.

(e) & (f)—No compensation has been paid to the landowners till now for the land acquired for the road.

শ্ৰীবীৰেণ ৰাম ফুকন :—মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে চানডুবীত টুৰিষ্ট লোজ নিৰ্ম্মানৰ কোনো কথা নাই তেনেস্থলত এই ২ লাখ টকাৰ যি কাম কৰা হৈছে সেই টকা খৰচ কৰি ৰাইজৰ মাটি নললেও হলহেতেন।

ডাঃ লুটফুৰ ৰহমান :—(মন্ত্ৰী) তাত পৰ্য্যটক নিবাস নকৰিলেও এটা ভাল পিকনিক স্পট কৰিব পৰা হব।

শ্ৰীবীৰেণ ৰাম ফুকন :—তাত এটা পিকনিক স্পট আগৰে পৰা আছে গতিকে নতুনকৈ তাত এটা পিকনিক স্পট কৰাৰ কোনো মানে নাই।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—কথাটো সেইটো নহয়, তালৈ যোৱা ৰাষ্টা-ঘাটৰ অৱস্থা অতি বেয়া, গাড়ী ঘোৰা যাব নোৱাৰে সেই কাৰণে তালৈ যাতায়তৰ সুবিধা কৰিবৰ কাৰণে ৰাস্তাটো নিৰ্ম্মান কৰা হৈছে।

শ্ৰীবীৰেণ ৰাম ফুকন :—এই যে ৰাইজৰ অধিগ্ৰহন কৰা মাটিৰ বাবে কিবা ক্ষতি-পূৰণ দিয়া হ'ল নে নাই?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—হিচাবটো পোৱাৰ পিচত সোনকালেই দিয়া হব।

শ্ৰীবীৰেণ ৰাম ফুকন :—এই যে গছগছনি বিলাক কটা হৈছে সেইবিলাক কাৰ অনুমোদন লৈ কটা হৈছে আৰু তাক নিলাম কৰি কিমান টকা-পইচা পোৱা হ'ল সেই বিষয়ে জনাবনে?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—গোটেইখিনি নিলাম কৰা হোৱা নাই, তাবে ৯৪টা শাল আৰু ৭টা ননচাল স্কুলক দিয়া হৈছে, স্কুল'ৰ নাম হল—অনুসূচিত জনজাতি উচ্চ বিদ্যালয়, বদৰপুৰ আৰু বাকী গছবিলাক নিলাম কৰা হৈছে।

Shri Manabendra Sarma :- Sir, Minister has replied that 94 Sal and 7 non-Sal trees were allotted to the School. What was the total requirement of that school?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—ৰিকুৱেষ্ট পিচত অনা হৈছে, যিটো টকা আছিল সেই টকাতো খৰচ কৰিব লগীয়াৰ প্ৰশ্ন অহাৰ কাৰণেহে এইটো কৰিব লগীয়া হয়।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা ঃ – ৰিকুৱেষ্ট স্কুলখনৰ নোপোৱাকৈয়ে কিয় এইটোদিব লগীয়া হ'ল ? তাৰ পৰা কিমান টকা আদি পালে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী): – মই সেইটো আগেয়ে কৈছো. যে স্কুলখনে দৰ্খাস্ত কৰিছিল, তাৰ ওপৰত বেচিচ কৰি গছখিনি দিয়া হৈছিল আৰু তাৰ লগতে কিমান টকা ইয়াৰ বাবদ দিব লাগিব তাৰ হিচাৰো দিয়া হৈছিল। ৭৬৮২ টকা তেখেতসকলে ইয়াৰ বাবত দিলে আৰু তাৰ লগতে যি পৰিমানৰ ৰয়েলিটি আৰু চেল টেক্স দিব লাগে তাকো দিছে। বাকী ২২৫ টকা অকশোন কৰি পোৱা হৈছে।

শ্ৰীমতী তৰুলতা বৰা ঃ—এই প্ৰশ্নৰ সন্দৰ্ভতে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব ৰিচাৰিছোঁ যে প্লেন এণ্ড এষ্টিমেট কৰি অভাৰচিয়াৰে চহী কৰাৰ পিছত দি. এফঅৰ ৰিকোমেণ্ডেশ্যন পাব লাগে কিন্তু এইখিনি নোপোৱাকৈ এই স্কুলখনক কিয় ইমান গছ দিয়া হল আৰু এই ধৰণে কিমান স্কুলক দিয়া হ'ল এই বিষয়ে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ—মাননীয়া সদস্যা গৰাকীয়ে যিবিলাক ফৰমেলিটিৰ কথা কৈছে সেইবিলাক সঁচা কিন্তু সেই গছবিলাক সোনকালেই দিব লগীয়া হোৱাৰ কাৰণে ফৰমেলিটি বিলাক অবজাৰভ কৰিব পৰা নগল।

শ্ৰীপ্ৰেম বৰা :—এই যে ১১৬ জোপা গছ কটা হ'ল তাৰ মূল্য কিমান হব আৰু ইয়াৰ বাবত কিমান ৰয়েলিটি ধৰা হৈছিল ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ—দি. এফ. অ'ৰ ৰিকোমেনদেশ্যন নোহোৱাৰ কাৰণে যদিও কথা উঠিছে কিন্তু সেই ৰিকোমেনদেশ্যন লবলৈ গলে গছো কটা নহব আৰু ৰাস্তাও কৰাত পলম হব।

শ্ৰীহাচিবুদ্দীন আহমদ ঃ—কথা হ'ল এই যে ১১৬ জোপা গছ যি সময়ত কটা হৈছিল সেই সময়ত ৰয়েলিটি কিমান আছিল ? পাৰ কিউবিক ফিট ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ—তুবছৰৰ আগতে যি ৰয়েলিটি আছিল সেই মতে নিদ্ধাৰণ কৰা হৈছে। পাৰ কিউবিক ফিট হিচাব মোৰ হাতত নাই।

শ্ৰীগিয়াচুদ্দীন আহমদ ঃ – চহৰৰ চাহাব বিলাকৰ আমোদ প্ৰমোদৰ কাৰণে তুখীয়া

মানুহৰ পৰা মাটি লৈ এই ৰাস্তা-ঘাটবোৰ বন্ধোৱা হৈছে কিন্তু তাৰ বাবত জানো ক্ষতিপূৰণ দিয়া হৈছে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—আজি কালি এই পিকনিক স্পটত চহৰৰ মানুহেই নাযায় তাৰৈ দুখীয়া গাৱৰ মানুহবিলাকহে বেচি যায় আৰু তাত প্ৰায়েই গাড়ী ঘোৰা জমী থাকে। তথাপিতো এই ক্ষতিপূৰণ অতি সোনকালে দিবলৈ চেষ্টা কৰা হব।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :—এই যে গছখিনি স্কুলক দিয়া হৈছিল তেওঁলোকৰ পৰা ইউটিলাইজেচন চাৰ্টিফিকেট পাইছে নে নাই মন্ত্ৰী মহোদয়ে জনাব নে ? লগতে এই পিকনিক স্পটটোৰ কাৰণে কিমান টকাৰ প্ৰাককলন কৰা হৈছিল ?

ডাঃলুটফুৰ ৰহমান (মন্ত্ৰী) :—পিকনিক স্পটৰ কাৰণে আচলতে কোনো পইছা ধৰা নাই মাত্ৰ ৰাস্তাটোৰ কাৰণে টকা ধৰা হৈছে। ইউটিলাইজেচন চাৰ্টি-ফিকেটৰ কাৰণে আমি এতিয়াও পাৰ্চু কৰি আছো।

শ্ৰীজালালুদ্দিন আহমেদ :—চাৰ, এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আহিছে আৰু সেই সম্পৰ্কে আলাপ আলোচনা কৰা দৰ্কাৰ। ইতিমধ্যে এই বিভাগ সম্পৰ্কে বাহিৰত এটা জনৰব উঠিছে যে এই বিভাগত ডকাইটি চলিছে। তেখেতে উত্তৰত কৈছে যে ১১৬ জোপা শাল গছ ২২৫ টকাত বিক্ৰী কৰা হৈছে কিন্তু মই জানিব বিছাৰিছো এই ১১৬ জোপা কাঠত কিমান চি এফ টি হব ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :—ইয়াত ডকাইটি হোৱা নাই। এটা কাম মাত্ৰ নিয়মমতে হোৱা নাই। কাৰণ আগতে প্ৰাককলন লৈহে আমি কাঠ দিব লাগে কিন্তু এই ক্ষেত্ৰত দৌৰা দৌৰী হোৱা কাৰণে সেইটো নহ'ল। চি এফ টিৰ হিচাবটো মোৰ লগত আছে।

শ্ৰীজালাদ্দিন আহমেদ :—কিমান চি এফ টি হব ?

Dr. Lutfur Rahman ( Minister ) :—Total Sal Trees-94 Nos. 60.384 cubic meter, non-Sal tress-7 Nos-3.035 cubic metre, বাকীখিনি অকচন কৰি দিয়া হৈছে।

শ্ৰীপ্ৰেম বৰা ঃ—১১৬ জোপা গছৰ আনুমানুনিক মূল্য কিমান হব আৰু কি ভিত্তিত দিয়া হৈছে ? এইটোত আমি সন্তুষ্ট হব পৰা নাই গতিকে তদন্ত হব লাগে।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ—বহুত লাখ নহব। কিছুমান গছত এক ফুটো আছে আৰু কিছুমান গছ ৭ ফুটৰো আছে আৰু ৰয়েলটি সেই হিচাবে আদায় কৰিছে। মনোপলী অৱশ্যে কেতিয়াবা কেতিয়াবা অনুষ্ঠানৰ ক্ষেত্ৰত হয়।

Shri A. Muqtadir Choudhury : – Sir, what was the proceedure followed in granting timber to the public institution ?

Dr. Lufur Rahman (Minister): – Sir, I have already stated.

Re : **Payment of Compensation**

Shri Romesh Mohan Kouli asked :

* 342. Will the Minister Revenue be pleased to state—

(a) Whether Government is aware of the fact that the payment of compensation for aquisition of land for construction of embankment at Sissi-Kalghar, Maridhal and Gai-Nadi under Dhemaji E. & D. Division, District Lakhimpur in the following cases are pending since 1970-71—

(1) Case No. 53/71-72 of village Gualpathar,

(2) 10 (A)/71-72 of village No. 2 Tokoubari,

(3) 11/71-72 village Bhebheli,

(4) 12/71-72 village Thekeraguri.

(5) 13/71-72 of village No. 2 Thekurguri,

(6) 14/71-72 of village Batuamiri, N. C.

(7) 10/72 of village Bhanigidiagaon ?

(b) If so, the steps taken by Government for payment of the compensation in the above cases ?

Dr. Bhumidhar Barman (Minister of State, Revenue) replied :

342. (a)—Government is aware of the fact that payment of compensation for aquisition of land for construction of embankment at Sissi-Kalghar, Maridhal and Gai-Nadi under Dhemaji E. & D. Division, District Lakhimpur has not been made in the following cases—

(1) L.A. case No. 53/71-72.

(2) L.A. case No. 10/71-72.

(3) L.A. case No. 14/71-72.

But payment of compensation has already been made in the following cases :—

(1) L A. case No. 10 (A)/71-72.

(2) L.A. case No. 11/71-72.

(3) L.A. case No. 12/71-72.

(4) L.A. case No. 13/71-72.

(b)—The requiring Departments have been moved for according sanction of the estimated amount of compensation.

Shri Ramesh Mohan Kouli: –Sir, the Minister has stated that in some case compensation have been paid. Sir, may I know the dates on which payments were made? May I also know when payment in the remining cases would be made. and why this delay?

Shri Bhumidhar Burman (Minister of State, Revenue) Sir. the dates on which payments were made are not with me; but if the Hon'ble Member wantes the dates, I can give it later on. As regards the remaining cases we have already written to the requiring Departments, and as soon as we receive the money payments will be made.

Shri Premadhar Bora: -When can we expect payment to the remaining cases?

Shri Bhumidhar Burman (Minister of State. Revenue) Sir, I have already explained the position.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—যি কেইটা ক্ষেত্ৰত কমপেনচেচন দিয়া হৈছে সেই বিলাকত শতকৰা ৫০ দিয়া হৈছে নে নাই নে একেবাৰে দিয়া নাই?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজ্যিক মন্ত্ৰী) :—সেইটো পূৰণ কথা। আগতে শতকৰা ৫০ ভাগ দিয়াৰ কথা নাছিল। কিন্তু এই ক্ষেত্ৰত ৰাইজক বান্ধ লাগে দৌৰা দৌৰীকৈ বান্ধ কৰে কিন্তু তেতিয়া ৰাইজে ক্ষতিপূৰণৰ কথা নহয়। পাচত বহুত দিন পাচত আহি কয় যে আমাৰ ইমান জিৰাট আছিল, ইমান বাহ আছিল বুলি আমাৰ ৰাজহ বিভাগক ধৰে আৰু তেতিয়া ৰাজহ বিভাগে বিভিন্ন বিভাগলৈ লিখিবলগীয়া হয় ইফালে বাজেট প্ৰভিজনও নাথাকে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—কেইটামান কেচত যে ক্ষতিপূৰন দিয়া হ'ল কেইটামান কেচত কিয় দিয়া নাই মন্ত্ৰী মহোদয়ে জনাব নে?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) —ৰাজহ বিভাগৰ পৰা অন্য বিভাগীয় বিভাগলৈ লিখা

হৈছে। ২ নং কেচটোৰ সম্পৰ্কত টকা মঞ্জুৰ হোৱা বুলি আমাক জানিব দিছে আমি টকাটো খুব সোনকালেই দিব পাৰিম কিন্তু বাকী কেইটা কেচৰ আমি কোনো খবৰ পোৱা নাই আৰু কি অসুবিধাত সেই বিভাগে দিব পৰা নাই তেওঁলোকেহে জানিব কিন্তু আমাৰ ফালৰ পৰা জনোৱা হৈছে।

শ্ৰীৰমেশ মোহন কুলী ঃ আমাৰ ফালৰ প্ৰশ্নবিলাক নিৰ্দ্দিষ্টভাবেই সোধা হয় কিন্তু মন্ত্ৰী সকলে দৈনন্দিন হিচাবত উত্তৰ দিয়ে। ৬-টা কেচ সেই বিভাগৰ পৰা ১৯৬৯-৭০ চনতে আৰম্ভ কৰা হৈছিল কিন্তু আজিলৈকে দিব পৰা নাই। সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা নিৰ্দ্দিষ্টভাবে জানিব বিছাৰিছো কি অৱস্থাত এই কাম বন্ধ হৈ আছে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ—আচলতে এই বিলাক এনেকুৱা যে আগতে ৰাইজে ক্ষতিপূৰণৰ কথা উল্লেখ নকৰে আৰু বিভাগ বিলাকেও সেইটো ভাবি নাচায় আনহাতে বাজেট প্ৰভিজনও নাথাকে। কিন্তু কিছুবছৰ পাচত ৰাইজেও ধৰে যে আমাক ক্ষতিপূৰণ লাগে আমাৰ ইমান জিৰাট আছিল ইত্যাদি বুলি ফলত বিষয়া সকল পাচত এই কথাবিলাক কৰিবলৈ টান পায়। সেই কাৰণে মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে এতিয়াৰ পৰা এনেকুৱা কামত বাজেটৰ ব্যৱস্থা থাকিলেহে কেচ লোৱা হব বুলি ৰাজহ বিভাগক জনাই দিব।

শ্ৰীসোণেশ্বৰ বৰা ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে পিছত মানুহে তাত তামোল-নাৰিকল আদি শইচ আছে বুলি মাটিটো দাবী কৰে। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে বান্ধ হৈ যোৱাৰ পিচত এনে ধৰণেৰে পূৰণ মাটিটোৰ দাবী কৰাৰ অন্তৰালত কি দুৰ্নীতি সোমাই আছে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, আগেয়ে এনে কৰিছিল, কিন্তু আজি কালি নহয়। আজি-কালি এই কথাটো ৰেভিনিউ বিভাগলৈ আছে, আৰু বিভাগে টকা পাব বুলি যেতিয়া জনাই তেতিয়াহে মাটিটো লোৱা হয়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গোটেই দোষটো ৰাইজকে দিছে, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে এই বান্ধটোৰ বাবে দাবী ৰাইজে কৰিছিল নে বিভাগে কৰিছিল ?

ডাঃভূমিধৰ বৰ্মণ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ৰাইজে অনুৰোধ কৰিছিল। বিভাগে…

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, মই জেনেৰেল উত্তৰ বিচৰা নাই। এই কেইটা বান্ধৰ বাবে ৰাইজে দাবী কৰিছিল নে বিভাগে নিজে কৰিছে ?

ডা:ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ—ৰাইজে কৰিছিল।

Shri Romesh Mohan Kouli:—Mr. Speaker, Sir, this is a question of paddy lands and these lands were acquired long ago Therefore may I know from the Hon'ble Minister why there has been deley at-least in cases of No.6&7 ?

Mr. Speaker:—I think the Minister of States has given the reply already.

বিঃ অসম কৃষি উদ্যোগ উন্নয়ন নিগম

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*৩৩৩ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি উদ্যোগ উন্নয়ন নিগমখন কেতিয়া গঠিত হৈছিল আৰু ইয়াৰ মুখ্য উদ্দেশ্য কি কি আছিল ?

(খ) এই উদ্দেশ্য পূৰণৰ বাবে বৰ্ত্তমান কি কি কাম হাতত লোৱা হৈছে ?

(গ) এই নিগমৰ আৰ্থিক অৱস্থা বৰ্ত্তমান কেনেকুৱা ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( কৃষি বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৩৪৩ (ক)—অসম কৃষি উদ্যোগ উন্নয়ন নিগম লিমিটেড্ ১৯৬৭ চনৰ ২৭ জানুৱাৰী তাৰিখে গঠিত হয়। নিগমৰ মুখ্য উদ্দেশ্য সমূহ হ'ল :—

(১) কৃষিৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ আহিলা-পাতি যেনে :—সা-সজুলি

যন্ত্ৰপাতি, ৰাসায়নিক সাৰ, কীট-পতঙ্গ নাশক দৰব ইত্যাতি যোগান ধৰা।

(২) কৃষিৰ যন্ত্ৰ-পাতি আৰু সা-সৰঞ্জাম তৈয়াৰ কৰিবলৈ কাৰখানা স্থাপন কৰা আৰু লগতে সেইবিলাক আহিলা-পাতিৰ আৱশ্যকীয় মেৰামতিৰ সু-ব্যৱস্থা কৰা।

(৩) বিভিন্ন কৃষি উদ্যোগ স্থাপন কৰা আৰু এই উদ্যোগ সমূহ নিয়াৰিকৈ চলাব পৰাকৈ কৃষক আৰু উদোক্তা সকলৰ বাবে কাৰিকৰী প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা।

(৪) সুলভ দৰত কৃষক সকলক কৃষিৰ যান্ত্ৰিক সজুলি সমূহৰ মেৰামতিৰ ব্যৱস্থা কৰা আৰু যন্ত্ৰ-পাতি কিনিবৰ বাবে সামৰ্থ্য নথকা খেতিয়ক সকলক ভাড়াত তেনেধৰণৰ যন্ত্ৰ-পাতি আৰু সঁজুলি আদিৰ যোগান ধৰা।

(খ —(১) কৃষি যন্ত্ৰ-পাতি, সা-সঁজুলি, ঔষধাদি বিক্ৰী তথা বিতৰণৰ বাবে নিগমৰ দ্বাৰা ৰাজ্যৰ প্ৰত্যেক জিলা আৰু মহকুমাৰ সদৰ ঠাই বিলাকত শাখা আৰু উপ-শাখা, কাৰ্য্যালয় আৰু বিক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

(২) ইয়াৰোপৰি কৃষিৰ যন্ত্ৰ-পাতি ভাড়াত দিবৰ বাবে নিগমে ঠায়ে ঠায়ে কাষ্টম চাৰ্ভিছ চেণ্টাৰ খুলিছে।

(৩) গুৱাহাটীৰ খানাপাৰাত নিগমে এটা কেন্দ্ৰীয় কাৰখানা স্থাপন কৰিছে। এই কাৰখানাত কৃষি যন্ত্ৰ-পাতি মেৰামত কৰা হয়।

(৪) উল্লেখিত কাৰখানাত কৃষি কাৰ্য্যত লাগতীয়াত কেতবোৰ যন্ত্ৰ-পাতি আৰু সা-সঁজুলিও উৎপাদন কৰা হয় আৰু এই কৃষি যন্ত্ৰ-পাতি সম্বন্ধে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে।

(গ)—নিগমৰ আৰ্থিক অৱস্থা ইমান সন্তোষজনক নহয়।

শ্ৰীলক্ষীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে এই নিগমৰ মুখ্য উদ্দেশ্যৰ ভিতৰত কৃষি উদ্যোগ স্থাপন কৰা, প্ৰশিক্ষণ দিয়া, সুলভ মূল্যত

আহিলা পাতি যোগান আৰু কৃষি যন্ত্ৰপাতি ভাৰাত দিবৰ বাবে কাষ্টম চাৰ্ভিচ চেণ্টাৰ খোলা আছে। মন্ত্ৰী মহোদয়ে জনাবনে যে কৃষি উদ্যোগ স্থাপন আৰু প্ৰশিক্ষণ দিয়াৰ বাবে কি কি আঁচনি লোৱা হৈছে।

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, কৃষি উদ্যোগৰ এটা আঁচনি লোৱা হৈছে। সেই বাবে মাটি কঠালৰ খেতিৰ কাম আৰম্ভ কৰা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো খবৰ দিছে, আমি জনামতে বহলপুৰত যিখন কৃষি পাম নিগম পতা হৈছে তাত এই আঁচনিটো লব খোজাহে হৈছে। যিহেতুকে এই নিগম গঠন কৰাৰ সময় যথেষ্ঠ হৈছে, গতিকে ইয়াৰ বাহিৰে ইমান দিনে আন ঠাইত আন আচনিৰ কাম আৰম্ভ কৰা হৈছে নেকি ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—তাত খেতি আৰম্ভ কৰা হৈছে। যেতিয়া উৎপাদন যথেষ্ঠ পৰিমাণে হব তেতিয়া কাৰখানা স্থাপন কৰিব পৰা হব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, খেতিৰ সজুলি সুলভ মূল্যত দিয়া ব্যৱস্থা কৰাটো এই নিগমৰ উদ্দেশ্য বুলি মন্ত্ৰী মহোদয়ে জনাইছে। এতিয়ালৈকে এই ক্ষেত্ৰত কি ধৰণেৰে কৃষকক সহায় কৰিছে জনাবনে ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—চাৰ, কিছুমান আহিলা পাতি আছে যাৰ কাৰণে চৰকাৰৰ চাবচিদি দিয়াৰ ব্যৱস্থা আছে—সেইবিলাক হৈছে পাৱৰে টিলাৰ ডিজেল পাম্প, স্প্ৰে পাম্প, ভেচটাৰ আদি। ১৯৭৪-৭৫ চনলৈ তিনিলাখ ষাঠি হেজাৰ টকাৰ চাবচিদি সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছিল আৰু সেই অনুপাতে মূল্যৰ শতকৰা ২৫ ভাগ দিয়াৰ ব্যৱস্থা আছিল। বৰ্ত্তমান আমাৰ হাতত আছে ১.৫ হেজাৰ টকা, ইয়াৰ বাহিৰে কেন্দ্ৰীয় চৰকাৰৰ স্কীম মতে যিসকল ক্ষুদ্ৰতম কৃষক তেওঁলোকক চাবচিদি দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, এই নিগমৰ আৰ্থিক অৱস্থা ভাল নহয় বুলি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ১৯৭১-৭২ চনত লাভ হৈছিল ১,৮৩,৪৮৪, ১৯৭২-৭৩ চনত ২,৬৫,৫২৪ টকা লাভ হৈছিল। ১৯৭৩-৭৪ চনত লোকচান ৬,৮০,১১৮ টকা, আৰু ১৯৭৪-৭৫ চনত ১,৯৮,৮০৮ টকা। লাভ বাদ দি মুঠ লোকচান হৈছে আঠ লাখ সতাশি হেজাৰ তিনিশ গৌৰাশি টকা।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, এই নিগমৰ যিটো লোকচানৰ সংখ্যা মন্ত্ৰী মহোদয়ে দাঙি ধৰিলে তাৰে চাই আৰু আমি জনামতে এতিয়ালৈ এই নিগমে কাম হাতত লব পৰা নাই, যিহেতুকে ইয়াৰ আৰ্থিক অৱস্থা বেয়া আৰু যিখিনি আহিলা পাতি যোগান দিয়া বুলি কোৱা হৈছে সেই খিনিও এতিয়া যোগান দিব পৰা নাই—কথাটো সচানে ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, যন্ত্ৰ পাতি কিস্তিত বিক্ৰি কৰাৰ বাবে কিস্তি যোগানী ৬৮ লক্ষ টকা অনাদায় হৈ পৰি থকাত আমাব বহুখিনি অসুবিধা হৈ হৈছে। অতি সোনকালে সেই টকাখিনি আদায় কৰিবলৈ আমি চেষ্টা চলাই আছো আৰু যোৱা ছমাহৰ ভিতৰত ২৬ লাখ টকা আদায় কৰা হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :—অধ্যক্ষ মহোদয়, (ঘ) প্ৰশ্ন উত্তৰত আৰ্থিক অৱস্থা ভাল নহয় বুলি মন্ত্ৰী মহোদয়ে কৈছে, এই অৱস্থা উন্নত কৰাৰ কাৰণে কিবা ব্যৱস্থা হাতত লোৱা হৈছে নেকি ? লগতে আন এটা কথা সুধিব খোজো যে আমাৰ নিগমৰ বহুখিনি টকা বাকী পৰি আছে যাৰ বাবে আৰ্থিক অৱস্থা ভাল নহয় বুলি মন্ত্ৰী মহোদয়ে কৈছে—ছমাহৰ ভিতৰতে যে ২৬ লক্ষ টকা তুলিব পৰা হল তাৰ আগতে কিয় পৰা নাছিল ?

শ্ৰীমহম্মদ ওমৰোদ্দিন মন্ত্ৰী :—অধ্যক্ষ মহোদয়, এই টকাখিনি তুলিবৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছিল, কিন্তু সম্পূৰ্ণ আদায় হোৱা নাই। আদায় কৰিবৰ কাৰণে দৰকাৰ হলে কেচ কৰি হলেও যাতে আদায় কৰিব পৰা হয় তাৰ ব্যৱস্থা কৰা হৈছে

শ্ৰীআলালুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনলৈকে মুঠ ৮,৪৭,৩৮৪ টকা

লোকচান হোৱা বুলি মন্ত্ৰী মহোদয়ে কৈছে, এই নিগমটো মদাৰনাইজ কৰিবৰ কাৰণে কি কি আঁচনি হাতত লৈছে ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :–এইটো প্ৰশ্ন নুঠে চাৰ। পৰিচালনা উন্নত কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা :—এই আঠ বছৰত আঠ লাখ টকা লোকচান হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে আমাৰ অসম কৃষি উদ্যোগ উন্নয়ন নিগমত কিমান মূলধন খটুৱাইছে আৰু দিন বাঢ়ি যোৱাৰ লগে লগে লোকচানৰ সংখ্যা বাঢ়ি যাব নেকি ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—সেইটো একাউট লোকচানৰ কথা নহয়। মূলধন কিমান বছৰে বছৰে খটুৱা হৈছে বৰ্তমান হাতত নাই।

শ্ৰীপ্ৰেমধৰ বৰা :—মূলধন কিমান খটুৱা হৈছিল সেইটো লাগে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—অসমৰ বিশেষ ধৰণৰ মাটিত ব্যৱহাৰ কৰাৰ বাবে উপযোগী যন্ত্ৰপাতি তৈয়াৰ কৰাৰ কাৰণে এই নিগমে কিবা গৱেষণাৰ ব্যৱস্থা কৰিছে নেকি যদি কৰা নাই চৰকাৰে এইটোৰ প্ৰয়োজনীয়তা আছে বুলি নাভাবেনেকি যদি ভাৱে এই সম্পৰ্কে কি ব্যৱস্থা হাতত লৈছে বা লব ?

মহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—গৱেষণাৰ ব্যৱস্থা নাই।

শ্ৰীপ্ৰেমধৰ বৰা :—মূলধন কিমান খটুৱা হৈছিল ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—দুই কোটি চৌত্ৰিশ লাখ টকা।

শ্ৰীআতাউৰ ৰহমান :—এই নিগমে বিদেশী ৰাষ্ট্ৰৰ সহযোগত ট্ৰেক্টৰ প্ৰস্তুত কৰাৰ কাৰখানা এটা কৰাৰ কথা আছিল সেইটো মন্ত্ৰী মহোদয়ে কি হৈছে কব নে ?

শ্ৰীমহম্মদ ওমৰোদ্দিন (মন্ত্ৰী) :—এই নিগমৰ পৰা হোৱা বুলি আমি নাজানো।

বিঃ মাধ্যম আন্দোলনৰ সংক্ৰান্তত গাড়ী ৰিকুইজিচন

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৩৪৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ সময়ত চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ কাৰ্য্যৰ কাৰণে গোলাঘাট মহকুমাৰ সৰুপথাৰৰ এ-এচ-ই ১৩২৪ (এম্বেচেদৰ) গাড়ীখন ১৯-১১-৭২ তাৰিখৰ পৰা ১১-১২-৭৩ তাৰিখলৈ, এ-এচ-দি ৩৯৪৫ এম্বেচেদৰ গাড়ীখন ১৮- ০-৭২ তাৰিখৰ পৰা ১৯-১১-৭২ তাৰিখলৈ এ-এচ-জেদ ১৪৬ বাছখন ১৪ দিনৰ কাৰণে, এম-এল-কে ২১৪৬ গাড়ীখন ৩২ দিনৰ কাৰণে, এ-এচ ই ৬৬৩৬ গাড়ীখন ১৭-১১-৭২ পৰা ৬-১২-৭২ লৈ আৰু এ-এচ ডব্লিউ ১২৪৯ গাড়ীখন ২২ দিনৰ কাৰণে ৰিকুইজিচন কৰি পুলিচে আনি ব্যৱহাৰ কৰা সঁচানে?

(খ) যদি সঁচা হয়, তেন্তে এই গাড়ীকেইখন সেই সেই দিন কেইটাত কোন কোন বিষয়াই ব্যৱহাৰ কৰিছিল আৰু কি কি কামত ব্যৱহাৰ কৰিছিল?

(গ) উক্ত গাড়ীকেইখনৰ ৰিকুইজিচন খৰচ গাড়ীৰ মালিক সকলক দিয়া হল'নে?

(ঘ) যদি দিয়া হোৱা নাই, কিয় হোৱা নাই?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৪৪। (ক) - হয়, সঁচা।

(খ)—আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে আৰু থানাৰ বিভিন্ন এলেকাত থকা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তা আৰু অভয়দানৰ কাৰণে পুলিচ বাহিনীৰ লোক অনা-নিয়া কৰাত গাড়ীকেইখন ব্যৱহাৰ কৰা হৈছিল।

(গ) আৰু (ঘ)—এতিয়াও দিয়া হোৱা নাই। সোনকালে দিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ - এই গাড়ী বিলাকক কিমানকৈ টকা দিবলৈ বাকী আছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—গাড়ী নং এ-এচ-জেদ ১১৪৬ ক এক হাজাৰ পঞ্চাশ টকা, এ-এচ-ই-৬৬৩৬ ক ন শ ঊনচল্লিশ টকা ছিয়ানবৈ পইচা, এন-এল-কে ২৯৫৬ক এক হাজাৰ ছুশ ছিয়াল্লিশ টকা আশী পইচা, এ-এচ-ই-১৩২৪ ক এক হাজাৰ সাতাৱন্ন টকা বিশ পইচা, এ-এচ-ডব্লিউ ১২৪৯ ক এক হাজাৰ পঞ্চল্লিশ টকা ছয় ত্ৰিশ পইচা আৰু এ-এচ-ডি—৩৯৪৫ ক এক হাজাৰ চাৰিশ চল্লিশ টকা মুঠতে ছয় হাজাৰ সাতশ ঊনআশী টকা বত্ৰিশ পইচা।

শ্ৰীসোনেশ্বৰ বৰা :—এই বাকী থকা খিনি কেতিয়াকৈ দিব বুলি মন্ত্ৰী মহোদয়ে ভাবিছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—সোনকালে দিয়া হব।

শ্ৰীসোনেশ্বৰ বৰা :—কিমান সোনকালে দিয়া হয় এটা তাৰিখ মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিমনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—টকা পইচা দিয়াৰ ক্ষেত্ৰত আগতে যিটো প্ৰচিডিউৰ আছিল সেইটো অলপ দীঘলীয়া থকা কাৰণে যথেষ্ট অসুবিধা হৈছিল। এতিয়া সেই ব্যৱস্থাৰ সলনি কৰা হৈছে আৰু আই-জি-পি পৰ্য্যায়ত সকলো ধৰণৰ টকা পইচা দিয়াৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই মাহৰ ভিতৰতে হব বুলি আশা কৰিব পাৰি।

**Re : High Power Committee for Selection of site for Permanent Capital**

Shri Chandra Bahadur Chetri asked :

*345. Will the Chief Minister be pleased to state—

(a) Whether the High Power Committee constituted by the Government of India to select the sit for Permanet Capital of Assam has started their work ?

(b) Whether the Committee has visited Assam up till now and if so, how many times and when ?

(c) Whether the Committee has taken any evidence or opinion of the people of Assam in the matter of site for the Permanent Capital ?

(d) If so. progress so far in this regard ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

345. (a)—Yes.

(b)—Yes. The Committee visited Assam for 4 (four) times as follows :—

(i) Sometime in the later part of 1973, the Chairman of the Committee visited Assam alone.

(ii) Chairman and the Secretary of the Committee visited Assam from 4th to 10th April 1975.

(iii) From 21st May 1975 to 28th May 1975 Shri B. Kambo, Chairman, Shri P. B. Desai, Member, Shri B. B. Rao, Member and Shri N. B. Rajbangshi, the then Secretary-cum-Convenor visited Assam.

(iv) Shri P. N. Bhargav present Secretary-cum-Convenor, visited Assam from 6th January 1976 to 11th January 1976.

(c)—Yes, the Committee has received memorandum from some individual at Silghat during their visit in May 1975.

(d)—The memorandum is under examination of the Committee.

Shri Chandra Bahadur Chetri—Will the Chief Minister be pleased to state the amount so far spent by the State Government in connection with the selection of site for establishment of the permanent capital of Assam ?

Shri Sarat Chandra Sinha. (Chief Minister) – Sir, that account is not with me now,

Shri Chandra Bahadur Chetri: – Sir, In the meantime three years have passed since the establishment of the temporary capital at Gauhati, but no tangible progress has been achieved, as we guess from the replies of our Chief Minister. Should we think that the State Government is not giving serious thought on the establishment of a permanent capital of Assam May I know whether appropriate steps will be taken with the authority. – with the Union Goverment strongly on war footing ?

Shri Sarat Chandra Sinha. (Chief Minister): – Sir, Government is taking up-the matter very seriously with the Central Government and also has very seriously constituted a Committee and that Committee is continuing works very seriously.

Shri Giasuddin Ahmed :—Sir, we have come to know that taking of public opinion in the State of Assam. in regard to the selection of site by the Committee will be taken as one of the criteria. Is it correct ?

Shri Sarat Chandra Sinha (Chief Minister):—Sir, that is not the criteria. But the public opinion will be taken into consideration.

Shri Abdul Muktadir Choudhury :—Sir, whether the present capital will be made a permanent one by deleting the word 'temporary' ?

Shri Sarat Chandra Sinha, (Chief Minister):—Sir, I have replied to the question earlier.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কমিটিৰ সময় বঢ়াই দিয়া হৈছিল আৰু কিমান বঢ়াই দিয়া হ'ব ?

অধ্যক্ষ :—সেইটো প্ৰশ্নৰ উত্তৰ হৈ গৈছে।

শ্ৰীআতাউৰ ৰহমান :—এই কমিটিয়ে কেতিয়া চুপাৰিচ কৰিব বা নকৰিব সেইটো বেলেগ কথা চাইট চিলেকচন কৰিব বা নকৰিব সেইটোও বেলেগ কথা কিন্তু এইটো কথা আগত ৰাখি ভবিষ্যতৰ কথা মনত ৰাখি শৰাইঘাট দলঙৰ চাৰিওফালে থকা ৰাজহুৱা মাটি. চৰকাৰী মাটি পট্টন দিয়া মাটি বা নিদিয়া মাটিৰ হস্তান্তৰ বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ৰাজধানীৰ কাৰণে নহলেও অন্য কাৰণত সেইবোৰ কৰিব লাগিব।

শ্ৰীহাচিমুদ্দিন আহমেদ :—চাইট চিলেকচন কমিটিক কেন্দ্ৰৰ পৰা কোনো ঠাই চিলেক্ট কৰিবলৈ কিবা নিৰ্দ্দেশ দিয়া বুলি শুনা খবৰ সঁচানে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—উৰা বাতৰি সঁচা নহয়।

**Re : Annual General Meeting of G.P. Level Co operative Societies**

Shri Santosh Kumar Roy asked :

*346. Will the Minister, Co-operation be pleased to state—

(a) Whether Government have decided to hold annual general meeting of the different G. P. Level Whole-sale Co-operative Societies ?

(b) If so, when it is expected?

Shri Gajen Tanti (Minister, Co-operation) replied :

346. (a) & (b)—Steps are being taken to hold annual general meeting of the G. P. Level-Co-operative Societies on the expiry of the current Co-operative year.

Undisposed Starred Questions dated 22-3-1976

Re : Secretaries of G. P. level Co-operatives

Shri Promode Chandra Gogoi asked :

*347 Will the Minister, Co-operation be pleased to state –

(a) Whether it is a fact that the Secretaries of the G. P. Level Co-operatives have been trained and posted at different centres?

(b) If so, what will be the service condition of these secretaries?

Shri Gajen Tanti (Minister, Co-operation) replied :

347. (a) – Yes.

(b)—The Secretaries are placed in a cadre to be managed by a co-operative society called the Assam Cadre Management Co-operative Society, Ltd, The Service Rules governing the service conditions of the secretaries are now being framed.

Re : Secretary of Industries Deptt, Assam

Shri Abdul Hussain Mir asked :

*348 Will the Chief Minister be pleased to state—

(a) Whether the Secretary of the Industries Department has any special technical qualification about Industries ?

(b) If not, whether Government will consider to appoint or recruit such person with technical qualification as Secretary of the Industries Department to expedite the Industrial progress in the State ?

Shri Sarat Chandra Sinha ( Chief Minister) replied :

384. (a)— No.

(b)— There is no such proposal.

বি : কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৩৪৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী কিমান আছে ?

(খ) এই বাহিনী অসম চৰকাৰৰ অনুৰোধ ক্ৰমে আছেনে কেন্দ্ৰীয় চৰকাৰে ৰাখিছে ?

(গ) এই বাহিনীৰ খৰচ কোনে বহন কৰে ?

(ঘ) ১৯৭২-৭৩ চনৰ পৰা বৰ্তমানলৈ এই শিতানত অসম চৰকাৰে কিমান খৰচ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে কিমান টকা পৰিশোধ কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৪৯। (ক)—অসমত বৰ্তমান মাত্ৰ এটা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আছে।

(খ) এই বাহিনী অসম চৰকাৰৰ অনুৰোধ ক্ৰমে আছে।

(গ)—ষষ্ঠ বিত্ত আয়োগে ৰাজ্য বিলাকত অনা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰা উচিত বুলি পৰামৰ্শ দিছে। উক্ত আয়োগৰ পৰামৰ্শ বিলাক ১-৪-৭৪ তাৰিখৰ পৰা প্ৰযোজ্য। এই পৰামৰ্শ অনুসৰি বৰ্তমান এই বাহিনীৰ খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে। কিন্তু ইয়াৰ নিৰিখ বা পৰিমাণ সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ চূড়ান্ত সিদ্ধান্ত পোৱা নাই যদিও যোগাযোগ কৰি থকা হৈছে।

(ঘ)—১৯৭২-৭৩ চনৰ পৰা বৰ্তমানলৈ এই শিতানত অসম চৰকাৰে বাসস্থান, পেট্ৰোল আদিৰ বাবে ৬,৯১,৫৮০.২৮ টকা খৰচ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে ১-৪-৭২ তাৰিখৰ পৰা ৩১-৩-৭৪ তাৰিখলৈ দৰমহা, ভাত্তা ইত্যাদি বাবদ ৩,১৩,৮৮,৪৩১.৩২ টকা দাবী কৰিছে। এই খৰচ বহন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে আৰু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 22nd March, 1976

বিঃ গহপুৰ সমষ্টিত পানী যোগান ব্যৱস্থা

শ্ৰীৰামচন্দ্ৰ শৰ্মাই সুধিছে :

৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিজনাবনে—

(ক) তেজপুৰ মহকুমাৰ গহপুৰ সমষ্টিৰ ভিতৰত কোনো খোৱা পানী যোগান ধৰাৰ চৰকাৰী ব্যৱস্থা আছেনে ?

(খ) যদি নাই, তেন্তে কোনো আঁচনি চৰকাৰে লৈছেনে ?

(গ) গহপুৰ থানাৰ ওচৰত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ আঁচনি ১৯৭২ চনত মহকুমা আঁচনি প্ৰস্তুত কমিটিয়ে (planning Cell) মঞ্জুৰ কৰা মতে চৰকাৰে উক্ত আঁচনিৰ কাম হাতত লবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। (ক) – আছে। মুঠ ৫১ টা নলীনাদ বহুৱা হৈছে।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰয়োজনীয় অৰ্থ পোৱা গলে পঞ্চম পৰিকল্পনাৰ কালছোৱাত এই আঁচনিখন হাতত লোৱা হব।

Shri Abdul Muqtadir Choudury :—Sir, I beg to call the attention of the Minister, Revenue under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the Assam Tribune, dated 10th March, 1976, under the caption "Severe cyclone at Karimganj"

Dr Bhumidhar Barman ( Minister of States Revenue )

Mr. Speaker, Sir, the Government's attantion was drawn to the news-item published in the Assam Tribune dated 10.5.76 under the Caption-"Severe Cyclone in Karimganj".

From the report received from the S.D.O. Karimganj it is found that the following areas were affected by the cyclone on the 9tn evening and 10th morning viz. (1) Sonbeel, (2) Ramkrishnanagar, (3) Suprakandi, (4) Gandhigram (5) Anandapur and (6) Longai area. The detailed report about the damage caused by the cyclone in those areas are being assessed by the S.D.O. Karimganj.

S.D.O. Karimganj has been instructed to render relief at the

rate of Rs 25/-'Rupees twentyfive) per effected family already. Waiting for detailed report from the S.D.O. Karimganj.

**Statement by Minister**

Sri Lokshya Nath Doley ( Minister ):-

Mr. Speaker, Sir, from further information subsequently collected in the light of supplementaries asked by some hon'ble Members relating to the starred question No. 276, asked by Shri Sudarsan Das. M.L.A. replied on 10th March, 1976 it is found that the scheme "Improvement of drainage channel for providing parallel drainage along left bank of longai from Nefatola to Nilambazar" was initiated by subdivisional Planning Cell, Karimganj and is incorporated in the draft outline of Fifth Five year Plan. 1974—79, presented by the Convenor, Subdivisional Planning Cell, Karimganj.

The above Cell is constituted with all the honourable M.L. As. from Karimganj Subdivision,the Members of Parliament and others as Members.

Representation for execution of the scheme have also been received from the members of the public. The workswere started in April, 1975.

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ২৮১ নং তাৰাচিহ্নিত প্ৰশ্ন আৰু উত্তৰৰ সময়ত মাননীয় সদস্য শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই কৈছিল 'অধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনত কি কি আচনি লোৱা হৈছিল সেই কথা কৈ গৈছে. মই সুধিব খুজিছো সেই আচনিৰ সম্পূৰ্ণ টকা খৰচ কৰা হলনে নাই? মই তেতিয়া কৈছিলোঁ' ১৯৭৪-৭৫ চনৰ বাবে যি টকা দিয়া হৈছিল সেইখিনি সম্পূৰ্ণ খৰচ কৰা হৈছে। মই মোৰ উত্তৰ কিছু সংশোধন কৰি এইদৰে কব বিচাৰিছোঁ "১৯৭৪-৭৫ চনৰ বাবে যি ৮০ লাখ টকা বৰাদ্দ কৰা হৈছিল সেই গোটেই খিনি টকা ৩১ মাৰ্চ. ১৯৭৫ চনৰ ভিতৰতে অনুন্নত জাতিৰ কল্যান দপ্তৰৰ পৰা বিভিন্ন বিভাগীয় আচনিৰ সংশ্লিষ্ট বিভাগলৈ খৰচ কৰিবলৈ মঞ্জুৰীৰ দিয়

হৈছিল। সেই বিভাগবোৰে ৩১ মাৰ্চ ১৯৭৫ চনৰ ভিতৰত তেওঁলোকক দিয়া মঞ্জুৰীৰ কোনো অংশ 'চাৰেন্দা'ৰ কৰা নাই সেই অনুযায়ী অনুন্নত শ্ৰেণীৰ কল্যান বিভাগৰ ১৯৭৪-৭৫ চনত উক্ত শিতানত কোনো টকা 'চাৰেন্দা'ৰ নাই। উক্ত বিত্তীয় বছৰ উকলি যোৱাৰ পিচত বিভিন্ন বিভাগৰ খৰচৰ খতিয়ানত মঞ্জুৰীৰ অংশ উক্ত বিত্তীয় বছৰত খৰচ কৰিব পৰা নাছিল। সৰ্বমুঠ ৩ ৬৩ লাখ টকা উক্ত বিত্তীয় বছৰত 'লেপছ' হৈছিল এই খৰচ হোৱা টকা পঞ্চম বাৰ্ষিক যোজনাৰ কাল ছোৱাৰ ভিতৰত খৰচ হব আৰু ৰাজ্য চৰকাৰৰ এই টকাৰ পৰা বঞ্চিত নহয়।

Mr. Speaker : There is a message from the Governor.

Rajbhavan,
Shillong the 14th February, 1976.

Under the provision of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend that the Assam Finance Bill, 1976, be taken into consideration by the Assam Legislative Assembly.

Sd/-Lallan Prasad Singh
Governor of Assam.

Shri Syed Ahmed Ali, (Minister) : Sir, with the permission of the Chair I beg to move this Bill on behalf of the Chief Minister.

I beg to move that the Assam Finance Bill, 1976 be taken into consideration.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :-মাননীয় অধ্যক্ষ মহোদয়, এই বিত্ত বিলখনত টেক্সৰ ক্ষেত্ৰত যি কৃষি আয়কৰ আৰু বিক্ৰীকৰৰ কথা আহিছে সেই সম্পৰ্কে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থালৈ চাই কিছু কথা কবলগীয়া হৈছো। বৰ্ত্তমান সময়ত আমাৰ

দেশত অৰ্থনৈতিৰ কিবা পৰিবৰ্ত্তন হৈছে যদিও এই কৃষি আয়কৰৰ ক্ষেত্ৰত যি ব্যৱস্থা আছে তাৰ লগত সম্পৰ্ক ৰখা হোৱা নাই। কৃষিৰ ক্ষেত্ৰত কৃষি উৎপাদনৰ কাৰণে যি আহিলাপাতি আনিব দৰ্কাৰ সেইবিলাকৰ দাম যথেষ্ট বাঢ়ি গৈছে। আনহাতে কৃষিজাত দ্ৰব্যৰ মূল্য অন্যান্য শিল্পজাত দ্ৰব্যৰ তুলনাত কমি গৈছে। গতিকে কৃষি আয়কৰৰ ক্ষেত্ৰত এই ব্যৱস্থা সামঞ্জস্য ৰক্ষা কৰা নাই। আমাৰ উদ্দেশ্য হৈছে কৃষিৰ উৎপাদন বৃদ্ধি কৰা। আৰু সেই কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ হলে কৃষিত যি সকল লোক নিয়োগ হয় তেওঁলোকক কিছুপৰিমানে ইনচেন্টিভ বা উৎসাহ দিয়াৰো ব্যৱস্থা থাকিব লাগে নহলে ইয়ে গৈ উৎপাদনত ব্যঘাত জন্মাব। উৎপাদন বঢ়াবলৈ বা খেতিয়কক আগ্ৰহশীল হবলৈ বৰ্ত্তমান যিটো আয়কৰৰ ব্যৱস্থা এই ব্যৱস্থাৰ লগত সমাজৰ অৰ্থনৈতিক দিশটোও আয়কৰৰ ৰেটৰ ওপৰত নিৰ্ভৰ কৰে। মই কিন্তু কৃষি আয়কৰৰ বিৰোধী নহয়। ৰাজহ বিভাগৰ খাজনাতকৈ কৃষি আয়কৰ বেচি সমীচিন। এই সংক্ৰান্তত ভাৰতবৰ্ষৰ আৰু বাহিৰতো খাজনা সম্পৰ্কে ৰাজ কমিচনে পৰামৰ্শ আগবঢ়াইছে যে কৃষি আয়কৰ এনেধৰণে বহুৱাব লাগে যাতে যি বিলাকে কৃষিৰ পৰা লাভ কৰে তেওঁলোকেহে টেক্স দিয়ে। আৰু কৃষিৰ ক্ষেত্ৰত এনে কিছুমান ব্যৱস্থা ললে বহুত খেতিয়কে ৰেহাই পাব। যি বিলাকে কৃষি উৎপাদন কৰি লাভ কৰে তেওঁলোকে কৰ আদায় দিব লাগিব সেইটো হলে মোৰ বোধেৰে ভাল হলহেঁতন।

গতিকে মই উল্লেখ কৰিব খুজিছো যে এইটো সম্পূৰ্ণ ভাৱে কৃষিৰ যি আয় হয় সেইটো আয়কৰৰ ভিতৰত ধৰি ৰাজহ তোলা বাদ দি কৃষি কৰৰ অধীনলৈ আনিলেহেতেন তেতিয়া হলে অকল ৰাজহ বৃদ্ধিয়ে নহয় ৰাজহ সংগ্ৰহত যি ব্যয় হয় তাৰো বহু পৰিমাণে কমিলেহেতেন। সেই কাৰণে বৰ্ত্তমান বিলখনত যিটো ৰেট বহুৱাইছে বৰ্ত্তমান পৰিস্থিতিত কৃষি উৎপাদন বাঢ়িছে যদিও তাৰ কাৰণে যিটো উৎসাহ-উদ্‌গণি খেতিয়কক দিব লাগে সেইটো দিব পৰা নাই। এইটো পৰিলক্ষিত হৈছে যে কৃষিৰ কাৰণে যিবিলাক আহিলাপাতি লাগে সেইবিলাকৰ দাম বৃদ্ধি হৈছে আৰু অন্য হাতে কৃষি উৎপাদনৰ সামগ্ৰীৰ দাম অন্যান্য শিল্পজাত বস্তুৰ তুলনাত কমি আহিছে।

অধ্যক্ষ মহোদয়, পাৰচেজ টেক্সৰ ওপৰত নতুন এটা ৰেট বহুওৱা হৈছে। চৰকাৰৰ তৰফৰ পৰা সেই সম্পৰ্কত কোৱা হৈছে যে কিছুমান সামগ্ৰীৰ দাম

কিছুপৰিমাণে কম হোৱাত সেই দাম যাতে ষ্টেবিলাইজ হয় তাৰ কাৰণেই কৰা হৈছে। আৰু এই ক্ষেত্ৰত মই ভাবো ই দামত সহায় নকৰিব বৰং কিছু বস্তুৰ দাম বঢ়োৱাতহে সহায় কৰিব। গতিকে এই নতুন ৰেটটোলৈ পৰিবৰ্তন কৰাৰ দৰকাৰ নাছিল। আৰু এই ৰেটটো ননাহেতেন এটা ভাৰসাম্য অৱস্থাত বলহেঁতেন। সেইকাৰণে মই এই বিলখনৰ বিৰোধিতা কৰো।

শ্ৰীপ্ৰেমধৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বিল উত্থাপন কৰিছে সেই বিলখন পুংখানুপুংখ ৰূপে বিচাৰ কৰা প্ৰয়োজন। কাৰণ এই বিলত অনা কৰভাৰৰ ওপৰত ৰাজ্যখনৰ হবলগীয়া উৎপাদন কৃষক সকলৰ অৱস্থা আৰু তেওঁলোকক দিব লগীয়া উৎসাহ-উদগণী সকলো নিৰ্ভৰ কৰিছে। এই-ক্ষেত্ৰত যিসকল অৱস্থাপন্ন খেতিয়কে অধিক উৎপাদন কৰে তেওঁলোকে কৰৰ ভাৰ বহন কৰাটো একো দুখৰ কথা নহয়। কিন্তু যিবিলাক সাধাৰণ খেতিয়ক তেওঁ-লোকে যাতে অধিক উৎপাদনত উৎসাহ-উদগণী পায় তাৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। এইটো পৰিলক্ষিত হৈছে যে যিবিলাক বস্তু বজাৰৰ পৰা কিনা হয় সেইবিলাকৰ দামৰ তুলনাত আমাৰ গাৱলীয়া অৱস্থাহীন খেতিয়ক সকলে উৎপাদন কৰা বস্তুৰ দাম কমি গৈছে। ইয়াৰ ফলত এই গাৱলীয়া খেতিয়ক সকল ক্ষতিগ্ৰস্ত হৈছে আৰু তেওঁলোকৰ কৃষি কাৰ্য্যত উৎসাহ-উদ্দীপনা নোহোৱা হৈছে। অৱশ্যে এইটো কথা ঠিক যে আমাৰ দেশখনৰ আৰ্থিক অৱস্থাৰ উন্নত কৰাৰ ক্ষেত্ৰত কৰভাৰ সকলোৱে বহন কৰিব লাগিব। কিন্তু আমি এইটো চাব লাগিব যে আমাৰ কৃষকসকলে যি পৰিমাণে উৎপাদন কৰে সেই উৎপাদন পৰিমাণৰ ওপৰত যদি কৰভাৰ বেছি হয় তেতিয়াহলে তেওঁলোক উৎপাদনৰ প্ৰতি বিমুখ হৈ যাব। গতিকে এই ক্ষেত্ৰলৈ লক্ষ্য ৰাখি উৎসাহ-উদ্দিপনাৰে যাতে এই খেতিয়ক সকলে অধিক উৎপাদন কৰিব পাৰে তাৰ কাৰণে এই নতুন ৰেটটো পৰিবৰ্তন কৰিব লাগে। মই এই কাৰণেই কৈছো যে আমাৰ সৰ্বসাধাৰণ যি বিলাক খেতিয়ক তেওঁলোকে পাব পৰা সা-সজুঁলি, চৰকাৰে কৰি দিয়া জলসিঞ্চন ব্যৱস্থা আদিৰ কোনো সুবিধা পাব পৰা নাই। গতিকে চৰকাৰে ধাৰ্য্য কৰা নিৰিখটোৰ পৰা যাতে এই শ্ৰেণীৰ লোক সকলৰ উৎসাহ-উদ্দিপনা কমি নাযায় সেই ফালেও চৰকাৰে মনোযোগ দিব লাগে। যদি কৃষকসকলে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিব পাৰে আৰু সেইমতে তাৰ নাৰ্য্য দাম পায় তেতিয়াহলে তেওঁলোকে

এই কৰ দিব পাৰিব। গতিকে এই দিশটোলৈ লক্ষ্য কৰিবলৈ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীঃ অধ্যক্ষ ড'ঙৰীয়া. মুখ্যমন্ত্ৰী ডাঙৰীয়াই অনা বিত্ত বিল-খনত দুটা কথা আছে। এটা হ'ল কৃষি আয়কৰ আৰু আনটো হ'ল পাৰচেজটেক্স। এই ধৰণৰ বিল এইবাৰেই নহয় প্ৰত্যেক বছৰে অনা হৈছে। সকলোৱে কৰভাৰ বহন কৰাটো বা কৰিব পৰাটো দেশৰ আৰ্থিক অৱস্থাৰ উন্নতিৰ নিদৰ্শন। কিন্তু কৰ ধাৰ্য্য কৰা পদ্ধতিৰ আৰু ইয়াৰ নামাকৰণ বিশেষকৈ পাৰচেজটেক্সৰ ষেহাই বদলি হব লাগে। কৃষি আয় কৰৰ ক্ষেত্ৰত বিশেষকৈ উৎপাদন কৰা কে সামগ্ৰীৰ ওপৰত টেক্স হব সেই সামগ্ৰীটো উল্লেখ কৰা উচিত হব। কাৰণ কৃষি বুলিলে নানা ধৰণৰ খেতি বুজায়। আজি-কালি বৈজ্ঞানিক পদ্ধতিৰে বহুতো খেতি কৰা হয়। আৰু সেই হিচাবে কমকৈও এক বিঘা মাটিত কিমান খেতি হয় আৰু সেইহিচাবে উৰ্দ্ধতম পৰিমানৰ মাটি ৫০ বিঘা মাটিত কিমান উৎপাদন হব পাৰে তাৰ বাবে প্ৰয়োজনীয় খৰচ-পাতি বাদ দি যিমান উৎপাদন হয় তাৰ ওপৰত টেক্স লগাব পাৰে। বৈজ্ঞানিক প্ৰণালীত খেতি কৰি যদি খেতিৰ উৎপাদন বঢ়াব পৰা যায় আৰু সেই অনুপাতে যদি তাৰ ন্যাৰ্য্য মূল্য পায় তেতিয়াহলে তাৰ ওপৰত কৰভাৰ বহন কৰিব পাৰিব। সেই শ্ৰেণীৰ লোক সকল হৰ সাধাৰণতে অৱস্থাপন্ন খেতিয়ক যি বৈজ্ঞানিক প্ৰণালীৰ সহায় লবলৈ সমৰ্থ আছে। কিন্তু যিবিলাক দুখীয়া খেতিয়ক যাৰ অৱস্থা টনকীয়াল নহয় আৰু যাৰ বছৰত আয় ৫ হাজাৰ টকাৰ অধিক নহয় তেওঁলোকে এই নতুন ৰেটৰ কাৰণে ক্ষতিগ্ৰস্ত হব। আমি দেখিবলৈ পাইছো যে কেন্দ্ৰীয় চৰকাৰৰ বাজেটত আয়কৰ আৰু নানা ৰকম কৰ ৰেহাই দিয়া হৈছে। গতিকে মই ভাৱো কৃষি কৰ ব্যৱস্থাটো ৰাইজৰ আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি ৰেহাই দিয়া উচিত।

পাৰচেজ টেক্সৰ সম্পৰ্কত বিশেষকৈ মৰাপাটৰ ক্ষেত্ৰত উতপাদনকাৰী সকলে তেওঁলোকৰ সামগ্ৰীৰ ওপৰত যি মূল্য পাব লাগে সেইটো নাপায়। এই মৰাপাট বিলাক সাধাৰণতে এই খেতিয়ক বিলাকে কিছুমান বেপাৰীক কম দামত বিক্ৰি কৰি দিবলগীয়া হয়।

সেইকাৰণেই তেওঁবিলাকে নিজৰ স্বাৰ্থৰ অনুকূলে মূল্য ধাৰ্য্যকৰি আমাৰ হোজা খেতিয়ক সকলক থগাৰ এটা সুযোগ পাব। 'পাৰ্চেজ টেক্স'ৰ ক্ষেত্ৰত আগৰে

পৰাই হৈ থকা আমি এইটো দেখিছোঁ। গতিকে এই 'পার্চেজ টেক্সটো'ৰ নামটো বদলি কৰি দিব পাৰিলে তাৰ বোজা খেতিয়ক সকলৰ ওপৰত নপৰিব বুলি আমি ধৰিছোঁ। সেইকাৰণেই আমি আশা ৰাখিছো মাননীয় বিত্তমন্ত্ৰী মহোদয়ে এই পার্চেজ' শব্দটোৰ পৰিবর্ত্তে বেলেগ নাম এটা দিব। বর্ত্তমান যিটো হাৰত ৰেহাই দিছে আমি আশা ৰাখিছোঁ সেইটো হাৰতে ৰেহাই দিব পৰা হব আৰু সেইটোকে কৰিব'ল বিত্তমন্ত্ৰীয়ে সেই দৃষ্টি-ভঙ্গীৰে কাম কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, বাজেট খন যিমান টকাৰে গ্ৰহন কৰা হল এই 'ফাইনেন্সবিলখন'ত যিমান টকা পাওঁ এই টকাখিনি ইতিমধ্যে তাত গণনা হৈছে। এই 'ফাইনেন্স বিলখন'ৰ টকা যদি আমি কর্ত্তন কৰিম তেতিয়াহলে, মূল বাজেটখনো ইফাল সিফাল হবগৈ লাগিব। অৱশ্যে চৰকাৰে এই ক্ষেত্ৰত কিবা কৰিব খুজিলে কৰিব পাৰে। সেইটো চৰকাৰৰ কথা। কিন্তু বিধান সভাত মূল বজেট খন পাছ হৈ যোৱাৰ পিছত বোধহয় চৰকাৰে এই অদল বদল নকৰিব,—এই সিদ্ধান্ত নিশ্চয় চৰকাৰৰ আছে। 'পার্চেজ টেক্স' বা 'ইনকাম টেক্স'ৰ যিখিনি টকা চৰকাৰে পাবলাগে সেইখিনিৰ বহু অংশই চৰকাৰে পোৱা নাই বা আদায় কৰিব পৰা নাই। অন্য দৃষ্টিতকৈ এই দৃষ্টিহে মই এই বিলখনত দিছোঁ। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ডাঙৰীয়াই ইতিমধ্যে কৈছে যে মৰাপাট কিনাসকলে অৰ্থাত মৰাপাটৰ ব্যৱসায়ী সকলে এই যিটো 'ইনকাম টেক্স' দিবলাগে সেইটো 'পার্চেজ টেক্স'ৰ নামত খেতিয়কৰ পৰা মূল ৰেটত যি মৰাপাট কিনিবলাগিছিল সেই ৰেটতকৈ কম মূল্য দি আচলতে কিনে। তাৰ কাৰণে তেখেত সকলে অজুহাট দেখুৱাই যে, যিহেতু চৰকাৰক তেওঁবিলাকে 'পার্চেজ' টেক্স দিবলাগিব গতিকে যি পইছা খিনি তেখেত সকলে নিজৰ পূজিৰ পৰ দিবলাগে সেই পইছাটো আইন খনৰ বিধি ব্যৱস্থা বিলাক জনসাধাৰণে, অজলা খেতিয়ক সকলে নজনাৰ কাৰণে খেতিয়ক সকলৰ পৰাই মৰাপাট কিনোতাই মৰাপাট কিনোতে এই টেক্স বিক্ৰী কৰা সকলৰ পৰাই তেওঁলোকৰ পূজিলৈ অহাৰ ব্যৱস্থালৈ আনি লয়। কিন্তু তথাপিও এই টেক্সৰ টকাখিনি চৰকাৰক পৰিশোধ নকৰে আৰু চৰকাৰেও সেইটো আদায় কৰিব নোৱাৰে বা পৰা নাই। পাৰ্ক্যহৈছে যে চৰকাৰে প্ৰশাসনীয় যন্ত্ৰৰ দ্বাৰা সেই ব্যৱসায়ী জনৰ পৰা সেই পইছাখিনি আনিব নোৱাৰাৰ কাৰণে

বাজেট খনৰ উন্নয়ণমূলক কামত যিটো সহায় পাবলাগিছিল সেইটো পোৱাত বাধা-গ্ৰস্ত হবলগীয়া হয়। আনহাতে যি খেতিয়কে মৰাপাট বেছিলে তেখেত সকলে পাবলগীয়া মূল্যৰ এটা অংশ 'পাৰ্চেজ টেক্স'ৰ নামত কমকৈ পালে যিটো উতপাদিত বস্তুৰ পৰা যাবনেলাগিছিল। গতিকেই মাজতেই এই দুৰ্নীতি। এই দুৰ্নীতি সৰুসুৰা নহয়, ই ডাঙৰ দুৰ্নীতি। কিন্তু চৰকাৰে এই দুৰ্নীতি কোনো কাৰণতে ৰোধ কৰিব পৰা নাই। গতিকেই চৰকাৰেই এইটেক্স লগাই যিমান লাভজনক হবপাৰিম বুলি ভাৱিছে বা চৰকাৰে বাজেট বা বাজেট বক্তৃতাৰ মাজেদি জনসাধাৰণক যিমান উপকৃত কৰিব পাৰিম বুলি ভাবিছে প্ৰকৃততে আমাৰ জনসাধাৰণ সেই উপকৃত হোৱাৰ পৰা বঞ্চিতহে হৈছে। গতিকেই এই বিলখনৰ উত্থাপনৰ ক্ষেত্ৰত আমি চৰকাৰৰ পৰা এটা উচিত সমাধান পাম বুলি দাবী জনাইছোঁ। যাতে আইনৰ ধাৰা থকা স্বত্বেও খেতিয়ক বিক্ৰিদাৰ সকলে লোকচান ভৰিব নেলাগে। থিক একেই কথা যেতিয়া ব্যৱসায়ী সকলে বিক্ৰীকৰ দিব লাগে, বিক্ৰীদাৰ বিলাকে, দোকান দাৰ বিলাকে তেওঁবিলাকৰ গ্ৰাহকৰ পৰাই সেই টকা আদায় কৰি লয়। যি বেছিলে অৰ্থাৎ যি সকল খেতিয়কে তেওঁৰিলাকৰ কেচা-মাল বিক্ৰী কৰিলে সেই সকলেই 'পাচেৰ্জ টেক্স' দিবলগীয়া হৈছে আৰু যেতিয়া বজাৰৰ পৰা শিল্পজাত বস্তু কিনিবলগীয়া হল তেতিয়াও তেওঁলোকেই আকৌ বিক্ৰীদাৰ চৰকাৰক দিবলগীয়া টেক্সটোও সেই গ্ৰাহক বা কিনোতা সকলৰ পৰা আদায় কৰে। এই ৰাইজ সকলে ভৰিব লগীয়া হয়। ব্যৱসায়ীক মহল যাৰ-লগত আমাৰ চৰকাৰৰ চিধা চিধিকৈ সম্পৰ্ক সেই সকলৰ কাৰণে আইনত আও-পকীয়া ভাৱে ৰেহাই দিয়াৰ ব্যৱস্থা আছে। উৎপাদনকাৰী আৰু গ্ৰাহক সকলে এইধৰণে দুইধৰণৰ টেক্স ভৰিব লগীয়া হৈছে। মধ্যস্বত্বভোগী সকলে গ্ৰাহক সকলৰ পৰা আৰু উৎপাদনকাৰী সকলৰ পৰা এই 'টেক্স' আদায় কৰি লৈও পিছত চৰকাৰক দিবলগীয়া টেক্সটো পৰিশোধ নকৰে। শুদ্ধভাৱে চৰকাৰক হিচাব বিলাক নেদেখুৱায়, আৰু চৰকাৰেও তেওঁ বিলাকৰ প্ৰশাসনক যন্ত্ৰৰ দ্বাৰা সেই শুদ্ধ হিচাব.টা উলিয়াবৰ কাৰণে কোনো ব্যৱস্থা কৰিব পৰা নাই। ব্যৱসায়ী সকলে ১নং, ২নং, ৩নং (এক নং, দুই নং বা তিনি নং) হিচাবৰ খাতা লিখি চৰকাৰক ব্যৱসায়ী সকলে হিচাব দেখুৱাই। এইবিলাক বাহিৰ কৰিবলৈ চৰকাৰৰ কোনো যন্ত্ৰ এতিয়াও গঢ়ি উঠা নাই। চাহবাগিছাৰ মালিক সকলেও সেই একেধৰণৰেই 'টেক্স' পৰিশোধ কৰা নাই। বাজেট বক্তৃতাত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে 'টেক্স' আদায়

নিদিয়া সকলক, সমাজীক বহিষ্কৃত কৰাৰ কথা কৈছিল আৰু মই ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত কৈছিলো যে, যিসকলক দুৰ্নীতি পৰায়ন বুলি চৰকাৰে জানিছে বা প্ৰমাণিত হৈছে সেই সকলৰ নাম ৰাজহুৱাকৈ ঘোষণা কৰিব লাগে আৰু সেই সকলক সমাজে বৰ্জন কৰিব লাগে। এইদৰে বিভিন্ন ধৰণৰ টেক্স যি সকলৰ পৰা চৰকাৰে পাব লাগে সেইসকলৰ পৰা আমাৰ চৰকাৰে পোৱা নাই বা আদায় কৰিব পৰা নাই সেই সকলৰ পৰা দ্বিধা হীন ভাবে আদায় কৰিব লাগিব। চৰকাৰে উৎথাপনকৰা টেক্স বিহিন বাজেট এখনৰ ওপৰত আলোচনা হল, বহুতো সদস্যাই বিত্তমন্ত্ৰীক সমাদৰো জনালে, নানান প্ৰচাৰো হৈ গল। কিন্তু সিদিনাও মই কৈছিলো আৰু আজিও কওঁ যে, টেক্স লব নোৱাৰা সমাজ এখনত টেক্স লগোৱাৰ থল কত?

আজি থিক সেইদৰে চাহবাগিচাৰ মালিক সকলে টেক্স পৰিশোধ কৰা নাই। বাজেট বক্তৃতাত বিত্তমন্ত্ৰী মহোদয়ে আলোচনাৰ প্ৰসঙ্গত কৈছে যে যি সকল লোক দূৰ্নীতিত লিপ্ত আৰু কৰ ফাকি দিয়া লোক সেই সকলক ৰাজহুৱা ভাৱে বৰ্জ্জন কৰা হওক এই কথাত আমি ভাল পাইছোঁ। এতিয়া এই দূৰ্নীতিত লিপ্ত থকা লোকসকলক তালিকাভূক্ত কৰা হওক বিশেষকৈ যি সকলে টেক্স ফাঁকী দি আছে আৰু পৰিশোধ কৰা নাই সেই সকলক ৰাজহুৱা ভাৱে ঘৃণা কৰিব লাগে। যি সকলৰ পৰা আজি এই পাৰচেজ টেক্স, এগ্ৰিকালচাৰেল ইনকাম টেক্স ইত্যাদি পাব লাগে আৰু পাবলগীয়া আছে সেই সকলৰ পৰা টেক্স আদায় কৰিব পৰা হোৱা নাই। আজি যি সকলৰ উপাৰ্জ্জনৰ পথ সুচল হৈ আছে আৰু উপাৰ্জ্জন যথেষ্ট আছে সেই সকলৰ ওপৰত খাৰা ভাৱে টেক্স লগাব লাগে। চাহবাগিচাৰ মালিক সকল প্ৰায়ে নগৰীয়া। নগৰীয়া সম্পত্তিৰ ভিতৰতে তেখেত সকলৰ সম্পত্তি পৰিব কিন্তু এই সকলৰ ওপৰত আৰু মৰাপাট কল কাৰখানাৰ মালিকসকলৰ ওপৰত চৰকাৰে চিলিং কৰা সম্ভৱপৰ নহয়। আনহাতেদি দুখীয়াৰ ওপৰতহে নতুন টেক্সৰ বোজা পৰে। তাৰোপৰি আজি এই ধৰণৰ টেক্স সম্বন্ধীয় যিবিলাক আইন বা বিল সংগঠিত হৈছে সেই বিলাকত যি সকলে অজস্ৰ টকা টেক্স দিবলগীয়া হৈ আছে সেই সকলে এনেবোৰ আইনৰ ওপৰত পৰি তেওঁলোকৰ সুবিধাঅনুযায়ী এই আইনবিলাক ৰচনা কৰি লোৱাই যাতে তাৰ দ্বাৰা টেক্স ফাঁকী দিয়া সুৰুঙাবোৰ তেওঁলোকৰ সহজসাধ্য হৈ পৰে।

বেছিভাগেই অসমতেই হওক বা ভাৰতবৰ্ষতেই হওক সদায় এই কোম্পানী বিলাকৰ দ্বাৰা পৰিপুষ্ট হৈ থাকে। এই কথাটো কোনেও নুই কৰিব নোৱাৰে। আইন কৰিলে চাব লাগে সৰ্ব্বসাধাৰণ ৰাইজ উপকৃত হব নে নহয়, কিয়নো এতিয়ালৈকে যিমান বিলাক আইন হৈছে তাৰ দ্বাৰা কেৱল কেইজনমান মুষ্টিমেয় ধনী মানুহহে উপকৃত হৈছে আৰু তেওঁলোকৰ স্বাৰ্থৰ কাৰণেহে এই আইনবিলাক তৈয়াৰ হৈছে যেন অনুমান হয়। আমাৰ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ধাৰ ৫২৮ কোটি টকা হৈছেগৈ। ফলত আমাৰ চৰকাৰে বছৰি ৬৯ কোটি টকা সুত দিব লাগিব। কিন্তু এই যি বৃহত পৰিমানৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা ধাৰ হিচাবে অনা হ'ব সেই টকাৰ পৰা আমাৰ দুখীয়া মানুহৰ কিবা উপকাৰ হ'ল জানো? অসমৰ সকলো মানুহে এই টকাৰ পৰা কিবা সুবিধা পালে জানো? অসমৰ প্ৰত্যেক জন মানুহেই আজি এই ধাৰৰ ধৰুৱা। আমাৰ ৰাজ্যৰ আজি প্ৰত্যেক জন মানুহেই আৰু প্ৰত্যেকটো গৰ্ভজাত শিশু এই ধাৰৰ ধৰুৱা। কিন্তু সেই ধাৰৰ টকাৰ ভোগ কৰাৰ সময়ত এই দুখীয়া মানুহ বিলাকে ভাগ পালেনে? নাই পোৱা। পাইছে সেই চাম মানুহে যি চাম ধনী মানুহ, তেওঁলোকে সেই ধাৰৰ টকা পৰিশোধ কৰিবলৈ আগবাঢ়ি নাহে। অসমৰ ডেৰ কোটি মানুহৰ ডেৰ কোটিয়েই আজি এই ধাৰৰ টকাৰ ভাগ পোৱা নাই। অথচ আজি সেই ধাৰৰ পৰিশোধ কৰিব লাগিব সকলোখিনি মানুহেই। কিন্তু ভোগৰ সময়ত ধনী মানুহ বিলাকেই আগ ভাগ পালে।

অসমৰ সৰ্ব্বসাধাৰণ সকলো মানুহে এই ধাৰৰ টকাৰ ধৰুৱা হৈ থাকিব লাগিব। যি কোনো আইন যি কোনো বিল উত্থাপন কৰিবৰ সময়ত তাত এনে ধৰণে কিছুমান ধাৰা, উপধাৰা সন্নিবিষ্ট কৰা হয় যে সেই আইন বা বিলৰ দ্বাৰা সৰ্ব্ব-সাধাৰণ মানুহ উপকৃত নহয়, হয় সেই ধনী শ্ৰেণীৰ মানুহ। যোৱা বছৰ আমি ফাইনেন্স বিল খন পাছ কৰিছিলো আজি সেই একে সংখ্যাৰে ফাইনেন্স বিল আহিছে কিন্তু যোৱা বছৰ পাচ কৰি দিয়া মতে আমি চৰকাৰৰ পৰা জানিব নোৱাৰিলো কাৰ পৰা কিমান টকা আদায় কৰা হল। গতিকে মই দাবী কৰিছো যাতে এই মিল মালিক বা কল-কাৰখানাৰ মালিক যিমানবোৰ আছে তাৰ পৰা কিমান টেক্স আদায় কৰা হ'ল আৰু কিমান হোৱা নাই সেই বিষয়ে এটা পৰিষ্কাৰ ছবি সদনৰ মজিয়াত দাখিল কৰিব লাগে। কাৰ হাতত কিমান পইচা বাকী

থাকিল সেই বিষয়ে জনাব লাগে যাতে সেই বিষয়ে অসমৰ জনসাধাৰণে যাতে যুক্তি পায় আৰু সেই মতেই অসমৰ জনসাধাৰণে ব্যৱস্থা লব পাৰে. এইখিনিকে আগত ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডা: কোষেশ্বৰ বৰা :—১৯৭৬ চনৰ বিত্ত বিধেয়ক যিখন বিল আজি এই সদনত আহিছে সেই বিষয়ে ২টা মান কথা মই কব বিচাৰিছো। আমাৰ কথা হৈছে আজি আমাৰ দেশত তথা ৰাজ্যত শাসন ব্যৱস্থা চলাবৰ কাৰণে নিশ্চয় আমি জনসাধাৰণৰ ওপৰত কৰ লগাব লাগিব। কৰৰ জৰীয়তে হে আমি দেশখনক বহু ক্ষেত্ৰত আগবঢ়াই নিব পাৰিম আৰু সেই অনুপাতেই এই বাৰ বাজেটত যিটো এগ্ৰিকালচেৰেৰ ইনকাম টেক্স আৰু পাৰ্চেজ টেক্স ধাৰ্য্য কৰা হৈছে তাৰ দ্বাৰা এই বিত্তিয় বছৰত আমাৰ দেশৰ কামবোৰ কৰিব পৰা হব। কিন্তু কথা হৈছে যোৱা ৫ বছৰৰ ভিতৰত বহু আইন প্ৰনয়ন কৰা হল আৰু বহু কৰ অসমৰ জনসাধাৰণৰ পৰা আদায় কৰা হল কিন্তু এই কৰ আদায় কৰাৰ ক্ষেত্ৰত আমাৰ জনসাধাৰণ আৰু চৰকাৰ উপকৃত হল নে হোৱা নাই, মাজতে এক শ্ৰেণীৰ মানুহ যিসকলে এই কৰ ফাকী দি আছে সেই সকলেহে উপকৃত হোৱা দেখা যায়। আজি আমাৰ জনসাধাৰণৰ পৰা চেল্‌টেক্স বা ইনকাম টেক্স আদায় কৰা হৈছে কিন্তু এই টেক্সৰ নামত ব্যৱসায়ী সকলে অসমৰ বহু কোটি কোটি টকা আদায় কৰিছে কিন্তু সেইটো তেওঁলোক ঠিকমতে চৰকাৰক দিয়া নাই আৰু চৰকাৰক ঠগী লৈ আছে. এই আয়কৰ বা কৃষি কৰৰ আলম লৈ তেওঁলোকে আমাৰ দুখীয়া খেতিয়ক সকলৰ পৰা নানা প্ৰকাৰে আদায় কৰি আছে যেনেকৈ আগতে আমাৰ মৌজাদাৰ সকলে ৰায়তৰ পৰা দাবোল ট্ৰিবোল টকা আদায় কৰি লৈ আছে কিন্তু সেই পইচা চৰকাৰৰ ঘৰত জমা নিদিয়ে। এইদৰে এই আয়কৰ বা কৃষকৰ নামত, মাজতে এক শ্ৰেণীৰ মানুহ সদায়েই উপকৃত হৈ আহিছে। এফালে আমাৰ কৃষক ৰাইজে কৃষি কৰ আৰু আয়কৰৰ নামত বিভিন্ন ভাবে টকা-পইচা ভৰি থাকিব লগীয়া হৈছে কিন্তু এই আয়কৰ আৰু কৃষিকৰৰ সুবিধা লৈ ব্যৱসায়ী শ্ৰেণীয়ে ৰাইজৰ টকাপইচা আত্মসাৎ কৰি আছে।

প্ৰকৃততে খেতিয়ক সকলে কিমান উপাৰ্জন কৰিছে তাৰ হিচাব ভালকৈ দিব নোৱাৰে। কাৰণ তেওঁলোকৰ কৃষিজাত বস্তুখিনি একেলগে বিক্ৰী নকৰে। গতিকে

খেতিয়ক সকলৰ কিমান আয় হয় ঠাৱৰ কৰিব নোৱাৰি। আনহাতে যিসকল অফিচাৰ নিয়োগ কৰা হয় তেওঁলোকে আন্তাজত এটা হিচাব ধৰি দিয়ে। আমাৰ অজ্ঞ খেতিয়ক সকল এই দৰে ক্ষতিগ্ৰস্ত হৈছে। বুধিয়ক খেতিয়ক সকলে আইকৰৰ পৰা কেনেকৈ বেহাই পাব পাৰি বুদ্ধি জানে। উদাহৰণ স্বৰূপে মাটিৰ মালিক বিলাকৰ মাটি চিলিং আইনত যাব নোৱাৰিলে। চিলিং আইন হোৱাৰ আগে আগে মাটি যাতে চিলিঙত পৰিব নোৱাৰে তাৰ কাৰণে আত্মীয়স্বজনৰ নামত মাটি হস্তান্তৰ কৰিছে। থিক তেনেকৈ কৃষি আইকৰৰ ক্ষেত্ৰতো যে নহব তাৰ কোনো মানে নাই। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে, যিটো যন্ত্ৰৰ দ্বাৰা আইকৰ নিৰ্ধাৰিত কৰে তাৰ যাতে ভাল ব্যৱস্থা কৰিব পাৰে। ধনী ব্যৱসায়ী সকলে বিক্ৰি কৰৰ ক্ষেত্ৰত বাহিৰত এটা হিচাব আৰু ভিতৰত এটা হিচাব দেখুৱাই। এই ক্ষেত্ৰত যি সকল অফিচাৰ নিয়োগ কৰা হয়, তেওঁলোকেও হিচাবটো ভালকৈ নেদেখুৱাই আৰু সেই টকাৰ ভাগ হয়। ফলত আমাৰ চৰকাৰ তুৰঅৱস্থাত পৰিছে আৰু লগে লগে জনসাধাৰণ তুৰ-অৱস্থাৰ সন্মুখীন হব লগা হৈছে। জনসাধাৰণে খাজনা আদি দি আছে। তাৰ বিনিময়ত এওঁলোকক যিখিনি সুবিধা দিব লাগে সেই খিনি দিব পৰা নাই। সেই কাৰণে কৃষি আইকৰ আৰু পাৰচেজ টেক্সৰ ক্ষেত্ৰত যাতে প্ৰকৃত আইনটো উলিয়াব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। টেক্সটো লেন-দেনৰ সময়ত কাটিব লাগে। বেলেগে দিয়াৰ ব্যৱস্থা কৰিব নালাগে। অফিচাৰ সকলৰ পৰা দৰমহা দিয়াৰ লগে লগে টেক্সবোৰ কটাৰ নিয়ম হব লাগে। তেতিয়াহলে দিম দিম বুলি থাকি ঠগিব নোৱাৰে।

চাহবাগান বিলাকত বেচি উৎপাদন কৰিলে দায়ী হব বুলি চাহপাত বিলাক নৈত পেলাই দিয়া অৱস্থা এটা হৈছিল। কাৰণ বেছি উৎপাদন হলে বেচি আইকৰ দিব লাগে বুলি ভাবিছিল। খেতিয়ক সকলৰ মাজত যাতে তেনেকুৱা এটা মনোভাবৰ সৃষ্টি নহয় তাৰ কাৰণে প্ৰচেষ্টা চলাব লাগিব। অফিচাৰ সকলৰ ভুলৰ কাৰণে খেতিয়কৰ উৎপাদন হিচাব কৰোতে খেলি মেলি হয়। এই দৰে চলি থাকিলে উৎপাদন তললৈ নামি যাব। খেতিয়ক সকলে স্বাধীনতা লাভ কৰা আগৰে পৰাই খাজনা আদি দি আহিছে। কিন্তু সেই বিলাক প্ৰকৃত কামত নখটোৱাৰ কাৰণে আমি বেয়া পাইছো। হিচাব কৰা যন্ত্ৰটো

ভাল হলে এই আইনখন কৃতকাৰ্য্য হব। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী গেন বৰুৱা ঃ—অধ্যক্ষ মহোদয়, এই সদনত বিত্তমন্ত্ৰী ভাঙৰীয়াই যিখন বিত্তিয় বিধেয়ক দাঙি ধৰিছে তাৰ ওপৰত দুযাৰমান কথা কব খুজিছো। কৃষি আয়কৰৰ ভিতৰত চাহ বাগান বিলাক ধৰিব লাগিব। কাৰণ চাহ খেতিও এবিধ খেতি। আমাৰ দেশৰ শতকৰা ৮০ জন মানুহ দৰিদ্ৰৰ সীমা ৰেখাৰ তলত আছে। বাকী যি শতকৰা ২৫-২৬ জন মানুহ আছে সেই খিনি মধ্যবিত্ত শ্ৰেণীৰ বা অলপ ওপৰৰ স্তৰৰ। যিখিনি মানুহে ১২ মাহে খেতি বাতি কৰি খাই থাকে আৰু কৃষি আইকৰ দিব লাগিব তাৰ সংখ্যা শতকৰা ৪৫ মানহে হব। যিখিনি মানুহৰ উৎপাদন বেচি হয় তাৰ সংখ্যা খুব কম। চাহ খেতিটো হল আমাৰ দেশৰ মূল খেতি। কাৰণ আমাৰ দেশত চাহ খেতিয়কৰ সংখ্যা কম নহয় আৰু উপাৰ্জনো কম নহয়। এই চাহ খেতিয়ে অসমৰ উদ্যোগ চিত্ৰত, অৰ্থনীতিৰ চিত্ৰত বিশেষ প্ৰভাব পেলাইছে। চাহ খেতিয়ক সকলে কোটি কোটি টকা বাহিৰলৈ পঠিয়াইছে আৰু স্বাধীনতাৰ আগ চোৱাত বিদেশলৈ টকা গৈছিল। স্বাধীনতা লাভ কৰাৰ পাচতো সেই গতি ৰোধ হোৱা নাই। চাহ খেতিয়ক সকলৰ শতকৰা ৯০ ভাগ অসমৰ বাহিৰৰ মানুহ বুলি কব লাগিব অসমৰ থলুৱা ধনী পুজিপতি মানুহ খুব কম। আজি কালি চাহ বাগিছা বিলাক বিদেশী কোম্পানীৰ পৰা কিনিবলৈ লৈছে কিন্তু মূল ধন অসমৰ বাহিৰত আছে। এই চাহ বাগান বিলাকৰ প্ৰধান কাৰ্য্যলয় দিল্লী কলিকতা, আহমদাবাদ আদিত আছে। গতিকে অসম ৰাজ্যৰ চাহ বাগানৰ যিখৰা আয় তাৰ মুনাফা তেওঁলোকে লৈ গৈছে। যিখিনি মানুহে সেই উপাৰ্জন খিনি লৈ গৈছে তাৰ যদি হিচাব ৰখাৰ প্ৰসাশনীক ভাল ব্যৱস্থা থাকিলেহেতেন তেন্তে অৰ্থ নৈতিক দুৰঅবস্থাৰ পৰা আমি হাত সাৰিব পাৰিলোহেতেন। দু-ভাগ্যৰ কথা যে অসমত তেনেকুৱা প্ৰশাসন যন্ত্ৰ নাই। আমি বহুখিনি বহু সময়ত এৰা ধৰা কৰাৰ ফলত কোম্পানী বিলাকে প্ৰধান কাৰ্য্যলয়ৰ অফিচ বাহিৰত স্থাপন কৰে। তেওঁলোকৰ হিচাপত যদি ভাল ভাবে পাব পাৰো তেন্তে আমাৰ বহু টকা আয় হলহেতেন। সেইখিনি নোহোৱাৰ ফলতে তেওঁলোকে বেহাই পাই

* Speech not Corrected

আছে। তেওঁলোকৰ আয়ৰ যে প্ৰকৃত হিচাব দি আমি যে আদায় কৰিব পাৰিম তাত মোৰ সন্দেহ আছে। সেই কাৰণে অসম চৰকাৰে এই কথা বিলাক বিশেষ ভাবে বিবেচনা কৰি ব্যক্তিৰত থকা কোম্পানীৰ প্ৰধান কাৰ্য্যালয়ৰ আয়ৰ হিচাব পাবৰ কাৰণে কি বিশেষ ব্যৱস্থা আছে তাক এই সদন আৰু ৰাইজক অবগত কৰাটো কৰ্তব্য বুলি মই এই প্ৰসংঙ্গত অনুভব কৰিছো। বছৰেকৰ মূৰত হিচাব দিয়াৰ যিটো ব্যৱস্থা আছে তাত হিচাব ফাকি দিয়াৰ যথেষ্ট সুৰুঙা আছে। ধৰক এখন চাহ বাগিছা দেনা পাওনা কৰাৰ পাচত এক লাখ টকা বছৰেকৰ মুৰত লাভ হল। তেওঁলোকে নানান ধৰণৰ ইনভেচমেণ্ট দেখুৱাই বেলেনচচিটত সেই লাভটো নাইকীয়া কৰে। গতিকে কৰ সংগ্ৰহৰ কাৰণে যিটো ৰেভিনিউ আছে তেওঁলোকৰ টেক্স লগোৱাৰ কোনো ব্যৱস্থা নাথাকে। গতিকে আমাৰ এনেকুৱা আইনৰ ব্যৱস্থা হব লাগে যাতে সেই আয়কৰ বিলাক আদায় কৰিব পৰা যায়। আমাৰ ইয়াত বহুতো আইন কৰিব পাৰো কিন্তু কৰ ফাকি দিয়াৰ জোলোঙা বিলাক বন্ধ কৰিব নোৱাৰিলে একো কামত নাহে। একাউন্টেট জেনেৰেলৰ হিচাবৰ পৰা দেখা গৈছে। ১৯৭৩ চনত লেণ্ড ৰেভিনিউ ৬ কোটি ৫৫ লাখ টকা অনাদায়ী হৈ আছে। ১৯৭৪ চনত বাঢ়ি গৈ ৭ কোটি ৮৩ লাখ টকা হৈছে। টেক্সচেল এগ্ৰিকালচাৰেল ইনকাম ১৯৭৩ চনৰ মাৰ্চ মাহত ১ কোটি ৩২ লাখ টকা অনাদায়ী হৈ আছিল। ১৯৭৪ চনৰ মাৰ্চ মাহত ইয়াৰ পৰিমান হল গৈ ১ কোটি ৭ লাখ টকা।

চেলচ টেক্স ১৯৭৩ চনত উঠিব লগা আছিল ৩ কোটি ৯৬ লাখ টকা। পিচৰ বছৰত তাৰ সংখ্যা হল ৩কোটি ৭৫ লাখ টকা। ৰোড গুটচ আৰু ইনলেণ্ড ট্ৰেনচপোৰ্টত ১৯৭৩ চনত আছিল ২ কোটি ৩০ লাখ টকা আৰু ১৯৭৪ চনৰ মাৰ্চ মাহত হলগৈ ২ কোটি ১৬ লাখ টকা সেই বছৰ ১৪ লাখ টকা কমিল। মটৰ ভেহিকল টেক্স ১৯৭৩ চনত অনাদায়ী আছিল ৪২ লাখ টকা। ১৯৭৪ চনত হলগৈ ৪৪ লাখ টকা। ফৰেষ্ট ৰেভিনিউ অনাদায়ী, হৈ আছে। ১৯৭৩ চনত ১ কোটি ৬৩ লাখ টকা। পিচৰ বছৰত হলগৈ ২ কোটি ২৮ লাখ টকা। অন্যান্য শীতান যেনে প্ৰফেচনেল টেক্স, এক্সচাইজ দিউটি ইমমোভেল প্ৰপ্ৰাটি আদিত ১৯৭৩ চনত ১ কোটি ৯ লাখ টকা আছিল। ১৯৭৪ চনত হলগৈ ২ কোটি ৩ লাখ টকা। প্ৰতি বছৰে দেখা গৈছে। কৰ অনাদায়ী হৈ আছে। ইয়াৰ

পৰা বুজা যায়, টেক্স স্তাকচাৰৰ গণ্ডগোল আছে। আইন প্ৰয়োগৰ ক্ষেত্ৰত কিবা-ব্যৱস্থাৰ খুটি আছে, প্ৰশাসন যন্ত্ৰত কেৰোণ আছে। নহলে এই ধৰণৰ টেক্স অনাদায়ী হৈ থকাৰ কাৰণটো বুজি নাপাও। কৃষি আয়কৰ ১৯৭৪ চনত ১ কোটি ৮৭ লাখ টকাৰ অনাদায়ী হৈ আছিল। যোৱা বছৰ ২ কোটি হৈছে। এই বছৰ আৰু বাঢ়িছে। গতিকে মই চৰকাৰৰ পৰা জানিব বিচাৰিছো যে, এই টেক্স পোৱাৰ ক্ষেত্ৰত কি অসুবিধা হৈছে? লেণ্ড বেভিনিউ ৭ কোটি ৮৩ লাখ টকাৰ ভিতৰত .৬ লাখতকৈও কম টকা অনাদায়ী হৈ আছে। দুখীয়া খেতিয়ক সকলৰ পৰা প্ৰতি বছৰে মৌজাদাৰে খাজানা আদায় কৰি আছে। এই টকা মৌজাদাৰ সকলৰ হাতত আৰু এজেণ্ট সকলৰ হাতত পৰি আছে। এই অনাদায়ী টকাখিনি কৰ বাকী নহয় দিবলৈ বাকী আছে। প্ৰশাসন যন্ত্ৰ থকা স্বত্বেও, আইন থকা স্বত্বেও এই টকা আদায় হোৱা নাই। এই চাহ বাগিছা বিলাকৰ দৰে সাধাৰণ খেতিয়ক সকলে হিচাব ৰাখিব নাজানে। সেই মানুহখিনিয়ে অভিযোগ দিছে যে, লেন দেনৰ ওপৰত অযথা ভাবে কিছুমান টেক্স বহুৱাই টেক্স আদায়ৰ কাৰণে তাগিদা দিয়া হৈছে।

কিন্তু আচলতে যিসকল নিৰীহ ধান, মাহ বা মৰাপাট আদিৰ খেতিয়ক তেওঁলোকে যাতে হিচাব-পত্ৰ ঠিকমতে ৰাখিব জানে সেইখিনি শিকোৱাটো আমাৰ চৰকাৰৰ কৰ্ত্তব্য। তেওঁলোকে হিচাব ঠিকমতে ৰাখিব পাৰিলে তেওঁলোকৰ সেই হিচাবৰ ওপৰত কৰ উঠাব পাৰে, নহলে এই সাধাৰণ খেতিয়ক সকলৰ ওপৰত বেছি কৰ বহুৱালে তেওঁলোক খেতিত মনোনিবেশ কৰিবলৈ উৎসাহ নাপাব। বৰং তেওঁলোকৰ উৎসাহত ঠাণ্ডা পানীহে ঢলা হব। এই কথাটোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। বৰ্তমান দেশত জৰুৰী অৱস্থা চলি থকা সময়ত বৰ্ত্তমান কিমান খিনি টকা অনাদায় হৈ পৰি আছে আৰু আমি কিমান লাভবান হলো আৰু কিমানখিনি কৰ তুলিবলৈ আমি সক্ষম হলো তাৰ এটা বিবৃত্তি মুখ্য মন্ত্ৰীয়ে দাঙি ধৰিব বুলি মই আশা ৰাখিলো।

আন এটা কথা যদিও এই প্ৰসঙ্গত কোৱাটো উচিত নহয় তথাপি মই কব খুজিছো। আমাৰ গোলাঘাট মহকুমাত যিটো সমবায় চেনিকল আছে এই অনুষ্ঠানটোৱে সদায় লোকচান ভৰি আছে। এই অনুষ্ঠানটো স্থাপন হোৱাৰ

পৰা কোনো বছৰ লাভ হোৱা নাই। চৰকাৰ বা জনসাধাৰণক বা চেয়াৰ হল্ডাৰক ফাকি দিবৰ কাৰণে বেলেঞ্চ তৈয়াৰ কৰা হয়। ইয়াৰ সংশোধন সময়মতে নকৰাৰ কাৰণে আৰু চেল টেক্স জমা নিদিয়াৰ কাৰণে এই সমবায় অনুষ্ঠানটোৱে অংশীদাৰৰ ওপৰত অন্য কাৰণে ইনকাম টেক্সভৰিব লগীয়া কৰিছে। বহুদিনৰ পৰা ইয়াত এটা চক্ৰ চলি আছে। প্ৰসাশনীয় দোষ ক্ৰটীৰ কাৰণে এনে হবলৈ পাইছে। সেইকাৰণে মই এইখিনি কথা উংথাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Mahammad Umaruddin (Minister, Agriculture) : Sir, may I speak a few words on certain points raised by Dr. Barua and also by Shri Barua. They are under the apprehension that the Agricultural Income-tax might work as a dis-incentive towards better agricultural productio ı.

Sir, as far as I know, we have never imposed any agricultural income tax on the agriculturists. Even if in some cases this tax has been imposed, that is very negligibie. Sir, in this connection it is pertinent if we refer to the history of the Agricultural Income tax Act. It was introduced sometime in the year 1939 when Congress Govt. was in power, and this Act was introduced only to realise tax from the tea gardens and not from the ordinary agriculturists. Of course, in later years there were occassions because of high price of jute this was sought to be introduced, but there was a lot of objection. Second point is that in Assam our farmers—about 80 to 85%- are small farmers who have got less than 15 bighas of land. So there should not be any apprehension that they will be touched by this Agricultural Income Tax Act. Therefore, there should not be any apprehension that this Agricultural Income Tax will act as a dis-incentive to our agricultural production.

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া, আজি আলোচনাৰ বিষয় বস্তু হৈছে ইনকাম টেক্স আৰু পাৰচেজ টেক্স। কিন্তু আলোচনা কৰিবলৈ

*Speech not Carrected

যাওঁতে সামগ্রিক ভাবে কৰ বিভাগটোৰ কথাকে আলোচনা কৰা হৈছে। সেই কাৰণে অন্য যিবিলাক কৰকাটলৰ কথা আলোচনা কৰা হৈছে সেইবিলাক প্ৰশ্নৰ উত্তৰ ইয়াত দিয়াৰ কথা নুঠে। এগ্ৰিকালচাৰ ইনকাম টেক্স আৰু পাৰচেজ টেক্স যিখিনি কথা উল্লেখ কৰা হৈছে সেইখিনি প্ৰশ্নৰহে ইয়াত উত্তৰ দিয়া হব।

প্ৰথমতে চেল টেক্স আৰু পাৰচেজ টেক্সৰ কথা কওঁ। চেল টেক্স আৰু পাৰ চেজ টেক্স একেটা বস্তুৰে ইপিঠি আৰু সিপিঠি মাথোন। চেল টেক্স যিজনে বিক্ৰী কৰে তেওঁৰ পৰা আদায় কৰা হয় আৰু পাৰচেজ টেক্স যিজনে কিনে তেওঁৰ পৰা আদায় কৰা হয়। যিজন মানুহে চেল কৰে অৰ্থাত বিক্ৰী কৰে সেইজন এজন মানুহ বুলি ধৰিব পাৰি কিন্তু যিজনে কিনে তেওঁ বহু মানুহ অৰ্থাত বহুত মানুহে কিনে। বহুতৰ পৰা ব্যক্তিগত ভাবে টেক্স আদায় কৰাটো সম্ভৱ নহয়। যিজনে বিক্ৰী কৰে এখন দোকান বা এখন ফাৰ্মৰ পৰা সেইজ-ক ব্যক্তিগত ভাবে জনা যায়। সেইকাৰণে তেওঁৰ পৰা আদায়ো কৰিব পৰা হয়। তেওঁ বহুজনক বিক্ৰী কৰে সেই কাৰণে বহুতৰ নামত তেওঁৰ পৰা আদায় কৰা হয়। পাৰচেজ টেক্স-- যেনে মৰাপাট বিক্ৰী কৰিবলৈ বজাৰলৈ বহুত মানুহ আহে বিক্ৰী কৰে, গুচি যায়। গতিকে এই বহুত জনে যেতিয়া বিক্ৰী কৰি গুচি যায় তেতিয়া তেওঁৰ পৰা কেনেকৈ আদায় কৰিব পাৰিম? এইটো সম্ভৱ নহয়। কিন্তু যিজনে কিনে তেওঁৰ এজন মানুহ নাইবা এটা ফাৰ্মৰ নামত কিনে বা তেওঁ এজন কনচাৰ্ন ব্যক্তি। সেইকাৰণে তেওঁৰ পৰা আদায় কৰিব পাৰি। গতিকে এইটো একেটা কথাৰে দুটা দিশ। এটা কথাত বিক্ৰী কৰি গুচি যায় আৰু আনটো কথাত কিনি লৈ গুচি যায়। এইটো কেবল আদায় কৰিবৰ কাৰণে তেওঁৰ পৰা অৰ্থাত যিজনে কিনে তেওঁৰ পৰা আদায় কৰা হয়। কিনকেই বা বেচকেই যিটো কৰ লগোৱা হয় সেইটো বিক্ৰেতা বুলিও ধৰিব পাৰি আৰু ক্ৰেতা বুলিও ধৰিব পাৰি। বিক্ৰেতা জনে নিজৰ লোকচন কৰি যদি বিক্ৰী কৰে তেন্তে কিনোতা জনৰ পৰা আদায় কৰা হয়। তাৰ ফলাফল কিনোতা জনৰ ওপৰত পৰিব। সেই কাৰণে পাৰচেজ টেক্স বিক্ৰেতাজনৰ ওপৰতো পৰে। সেই কাৰণে পাৰচেজ টেক্স যি জনে কিনে তেওঁৰ ওপৰত লগোৱা হয় অৰ্থাত পৰস্পৰৰ লগত ইয়াৰ সম্বন্ধ থাকে। আৰু সেইকাৰণে ইয়াৰ এটা নাম চেল টেক্স আৰু আনটো নাম পাৰচেজটেক্স। তাৰ পৰা অব্যাহতি পোৱা সম্ভৱ নহয়।

ইয়াৰ প্ৰভাৱ বিক্ৰেতাজনৰ আৰু ক্ৰেতাজনৰো ওপৰত পৰে। এই এগ্ৰিকালচাৰেল

ইন্‌কম টেক্সত লগোৱাৰ ফলত খেতিয়কসকলৰ ওপৰত কৰৰ বোজা পৰিব সেইটো কৃষি মন্ত্ৰী ডাঙৰীয়াই স্পষ্ট ভাৱে ব্যাখ্যা কৰি দিছে যে সাধাৰণ কৃষকৰ ওপৰত এই কৰৰ বোজা নপৰিব আৰু খেতিয়কৰ ওপৰত ইয়াৰ কোনো ৰকমৰ হেঁচা নপৰিব এইটো কথা পৰিস্কাৰ। এই কৰ লগোৱা হৈছে ধনী খেতিয়ক সকলৰ ওপৰত। কোনে কিমান দিলে সেইটো কথা চালে আমাৰ খেতিয়কৰ ওপৰত কৰৰ বোজা কেনেকৈ পৰিব এইটো ওলাই পৰিব। এই এগ্ৰিকালচাৰ ইন্‌কম টেক্সত আদায় কৰা হয় ৭৭৩ জনৰ পৰা। তাৰ ভিতৰত চাহবাগানৰ হৈছে ৩৯৩ আৰু বাকী ৩৮০ জন হয় অসমৰ খেতিয়ক আৰু এই খেতিয়ক হয় ধনী খেতিয়ক অথবা অৰগেনাইজড্ ফাৰ্মিংৰ পৰা এইটো আদায় কৰা হয়। কৃষি মন্ত্ৰী ডাঙৰীয়াই ঠিকেই কৈছে যে আমাৰ যিসকল খেতিয়ক সেই খেতিয়ক সকলৰ এই কৰৰ বোজাই স্পৰ্শ নকৰে। সমগ্ৰ ৰাজ্যৰে তিনিশ তিৰানব্বৈ জন চাহবাগানৰ খেতিয়কৰ পৰা এইটো কৰ আদায় কৰা হয় আৰু তিনিশ আশী জন ধনী বা অৰগেনাইজড খেতিয়কৰ পৰা এইটো কৰ আদায় কৰা হয়। সেই কাৰণে সামগ্ৰিক ভাৱে আমাৰ খেতিয়কৰ ওপৰত এই কৰৰ বোজা পৰিব আৰু তাৰ ফলত কৃষি উৎপাদন ব্যাহত হব এইটো কথা ঠিক নহয়।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৭১ ৭২ চনত এই শিতানত কৰ আদায় কৰা হৈছিল দুই কোটি তেসত্তৰ লাখ টকা, ১৯৭২-৭৩ চনত তিনি কোটি চৌব্বিশ লাখ টকা, তাৰ পিচৰ বছৰত হ'ল তিনি কোটি চৌষষ্টি লাখ টকা, তাৰ পিচৰ বছৰত চাৰি কোটি পয়ষষ্টি লাখ টকা। এইটো ক্ৰমে ক্ৰমে বাঢ়ি আছে। আৰু এই বছৰ ১৯৭৬ চনৰ একত্ৰিশ মাৰ্চত শেষ হব লগীয়া বছৰটোৰ বাবে যোৱা জানুৱাৰী মাহৰ আঠাইশ তাৰিখ লৈকে কৰ আদায় হৈছে দহ কোটি টকা। আমাৰ বাকী পৰি থকা টকাখিনিৰ ভিতৰত ১৯৭২ চনৰ এপ্ৰিল মাহৰ এক তাৰিখলৈ এক কোটি ষোল্ল লাখ ১৯৭৩ চনৰ এপ্ৰিল মাহৰ এক তাৰিখলৈ এক কোটি বত্ৰিশ লাখ টকা, তাৰ পিচত ১৯৭৪ চনৰ বাকী আছিল এক কোটি সাতত্ৰিশ লাখ টকা আৰু এই বছৰৰ বাকী হৈছে যোৱা এপ্ৰিল মাহৰ এক তাৰিখলৈ এক কোটি সাতচল্লিশ লাখ টকা। এইটো হৈছে ১৯৭৫ চনৰ এপ্ৰিল মাহৰ এক তাৰিখলৈকে আৰু ইফালে আদায় হৈছে দহ কোটি টকা। এই বাকী খিনি হিচাব কৰি চালে কথাটো পৰিষ্কাৰকৈ বুজা যায় যে এই

বিভাগৰ যিসকলে কৰ আদায় কৰিছে তেওঁলোকে নিষ্ঠাৰে সৈতে কাম কৰি আছে। বাকী যিমানখিনি থকা বুলি সন্দেহ কৰা হৈছে সেইটো আচলতে বাকী নহয় দহ কোটি টকা আদায় হৈছে। বাকী থকাখিনিৰ আপীলৰ বাবে একাশী লাখ টকা আটক হৈ আছে। আপীল কৰিব পাৰে। বাকীজাইৰ কাৰণে বিৰাশী লাখ টকা আটক হৈ আছে আৰু এতিয়ালৈকে বিভাগৰ ওচৰত বাকী আছে চৌৱাল্লিশ লাখ টকা। এইটো হিচাবৰ কালৰ পৰা দেখিবলৈ পোৱা যায় যে এই বাকী থকা এক কোটি সাতচল্লিশ লাখ টকাৰ ভিতৰত কৰ বিভাগৰ চৌৱাল্লিশ লাখ টকা, বাকীজাইত বিৰাশী লাখ আৰু আপীলত একাশী লাখ টকা। ঠিক সেই ৰকমে ১৯৭১-৭২ চনত এক লাখ উনপঞ্চাশ হাজাৰ পাইছিলো. তাৰ পৰৱৰ্ত্তী চনত পাইছিলো চৈধ্য লাখ চৌৱাল্লিশ হাজাৰ, তাৰ পৰৱৰ্ত্তী চনত সাত-চল্লিশ লাখ চৌৱাল্লিশ হাজাৰ আৰু তাৰ পিচত একাৱন লাখ সাতাৱন হাজাৰ এই বছৰ অৰ্থাৎ যোৱা ডিচেম্বৰ মাহৰ একত্ৰিশ তাৰিখ পৰ্যন্ত টকা উঠিছে বিয়াল্লিশ লাখ। জানুৱাৰী-ফেব্ৰুৱাৰী-মাৰ্চ এই তিনিও মাহৰ টকা যোৱা বছৰতকৈ বাঢ়ি যাব। সেই কাৰণে পাৰচেজ টেক্স ক্ৰমাৎ বাকী বাঢ়ি গৈছে। বাকী যিখিনি টকা পাৰচেজ টেক্সৰ কাৰণে বাকী আছে সেইটো হৈছে ১৯৭২ চনৰ এক এপ্ৰিল তাৰিখত পঞ্চল্লিশ হাজাৰ টকা, ১৯৭৩ চনৰ এক এপ্ৰিল তাৰিখত তেৰ লাখ আঠাৰন্ন হাজাৰ টকা, ১৯৭৪ চনৰ এক এপ্ৰিলত আঠ লাখ উন্‌আশী হাজাৰ টকা, ১৯৭৫ চনৰ এপ্ৰিলৰ এক তাৰিখে বিশ লাখ একানব্বৈ হাজাৰ টকা, এই বছৰ যিটো অ'দায় হব সেইটো ১৯৭৫ চনৰ এপ্ৰিলৰ পৰা কমি আহিব। এইটো হিচাব মতে ১৯৭৫ চনৰ এপ্ৰিল মাহৰ এক তাৰিখত যিটো টকা বাকী আছিল অৰ্থাৎ বিশ লাখ একানব্বৈ হাজাৰ টকাৰ ভিতৰত বাকীজাইত আছে দুই লাখ এঘাৰ হাজাৰ, বিভাগত আছে ওঠৰ লাখ পয়সত্তৰ হাজাৰ আৰু আপীলৰ কাৰণে আটক হৈ আছে পাচ হাজাৰ টকা। এই ধৰণে যদি আমাৰ বাকী থকা টকাখিনিৰ কথাটো সামগ্ৰিক ভাৱে বিবেচনা কৰি চোৱা যায় তেতিয়াহলে দেখা যাব যে কৰ বিভাগে কিমান দক্ষতাৰে কাৰ্য্য সম্পাদন কৰিছে। বিশেষকৈ এই বছৰত দহ কোটি টকা আদায় কৰিছে আৰু হবও কাৰণ এই দহ কোটি ফেব্ৰুৱাৰী মাহৰ আঠাইশ তাৰিখলৈকে। মাৰ্চ মাহত আৰু বেছিকৈ আদায় হব সেই কাৰণে কৰ বিভাগে কাৰ্য্য দক্ষতাৰে সম্পন্ন কৰিছে। এই আইনখন প্ৰতি বছৰেই আমাৰ বিধান সভাত গ্ৰহণ কৰা হয়,

যোৱা বছৰা কৰা হৈছিল এই বছৰো কৰা হৈছে। যোৱা বছৰ আৰু এই বছৰৰ ভিতৰত এই টেক্সচৰ হাৰ পৰিবৰ্ত্তন কৰা নাই একে হাৰেই ৰখা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, মই আগতেই কৈছো যে এই আইন খনৰ দ্বাৰা কৰ লগোৱাৰ ব্যৱস্থা হৈছে কিন্তু এইটো দ্বাৰা দুখীয়া মানুহক স্পৰ্শ নকৰে, দুখীয়া খেতিয়কক স্পৰ্শ নকৰে এইটো কেৱল চাহ বাগানৰ খেতিয়ক আৰু ধনী খেতিয়ক অথবা অৰগেনাইজড্ খেতিয়কৰ ওপৰতহে হব এই কথাটোকে মই দঢ়াই দঢ়াই কৈছো।

Mr. Speaker The motion is that the Assam Finance Bill 1976 be taken into consideration.

(The motion is passed by voice vote)

There is no amedment, therefor I pass on to item No. 'C'

Shri Sarat Chandra Sinha, (Chief Minister): Sir. I beg to move that the Assam Finance Bill 1976 be passed.

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, উৎথাপন কৰা সময়ত আমি কৰা আলোচনা সমালোচনা মৰ্মে মুখ্যমন্ত্ৰীৰ বক্তৃতা শুনিলো কিন্তু মুখ্যমন্ত্ৰীয়ে কৰা বক্তৃতাৰ মাজত বিছাৰিলে এই কথা ওলাই পৰিব যে তেখেতে কৰ বিভাগটোক যিমান শুদ্ধ বুলি কৈছে সেইটো পৰীক্ষা কৰিলে সিমান শুদ্ধ নহয়। মৰাপাটৰ খেতিৰ ক্ষেত্ৰত আমি দেখিছো মৰাপাটৰ মূল্য কমি যায় – চৰকাৰৰ এনে কোনো নিৰ্দ্ধাৰিত মূল্য এতিয়ালৈকে নাই যি মূল্য মৰাপাতৰ ক্ষেত্ৰত ৰক্ষা হৈছে। নিৰ্দ্ধাৰিত মূল্যত বস্তু কিনা হলে সেই হিচাবে যিটো টেক্স লগোৱা হয় কিনা বা বেছা বস্তুৰ ওপৰত সেই হিচাৰে কৰ পালেহেতেন। যেতিয়া বস্তুৰ মূল্য কমি যায় সেই অনুপাতে কৰটো কমি যায় আৰু সেই হিচাব ৰক্ষা কৰিবলৈ চৰকাৰে ব্যৱস্থা লব পৰা নাই। সেই কাৰণে খেতিয়কে খেতি কৰা কাৰণে যি পৰিশ্ৰম কৰে সেই পৰিশ্ৰম অনুপাতে বজাৰত মৰাপাটৰ দাম কম আৰু লোকচান ভৰি কেতিয়াও খেতিয়কে খেতি কৰিব নোৱাৰে। ফলত খেতি

* Speech not Corrected

কম হয়। মুখ্যমন্ত্ৰীয়ে কৈছে যে যেতিয়কৰ ও শৰত এই কৰ নপৰে। কিন্তু বস্তুৰ যদি নিৰ্দ্ধাৰিত মূল্য নাথাকে আৰু উৎপাদন যদি নহয় তেতিয়াহলে বিক্ৰীকৰ বা কৃষি আয়কৰত হেচা নপৰিব নে ? সেই কাৰণে যেতিয়া কৰ কমি যায় সেইমতে বাজেটত টকা কমি যায় আৰু বাজেটৰ পইছা কমা সম্পৰ্কে চৰকাৰৰ ও সহযোগ লাগিব।

অসমত ৭৫০ খন চাহবাগিছা আছে তাৰে ৩৯৩ খন চাহবাগিছাত কৰ লগোৱা হৈছে। মই এটা কথা বুজি নাপালো এই ৩৯৩ খন কোম্পানী নেকি নে এই ৩৯৩ খন কোম্পানীত বাকীখিনি চাহবাগিছাকো সামৰি লোৱা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ— এইটো নাম্বাৰ অৱ এচেচী।

শ্ৰীসোনেশ্বৰ বৰা—গতিকে বাকী কেইখন চাহবাগিছাৰ কিয় কৰ লব নোৱাৰে? তাৰ কাৰণ আছে। তাৰ কাৰণ হৈছে চাহবাগিছাৰ মালিক সকলে চৰকাৰক যিটো হিচাব দেখুৱাই সেই হিচাবৰ ওপৰতহে কৰ লগায় কিন্তু তেওঁলোকে আচল হিচাব নেদেখুৱাই। কিন্তু চৰকাৰৰ এনে কোনো সাধাৰণ যন্ত্ৰ নাই যি যন্ত্ৰৰ দ্বাৰা এই চাহবাগিছাৰ মালিক সকলৰ আচল বা প্ৰকৃত হিচাব উলিয়াব পাৰে। সেই কাৰণে তেওঁলোক কৰৰ পৰা বাচি গৈছে। গতিকে এই কৰ বিভাগটো কাৰ্য্যদক্ষ কৰিবলৈ হিচাব ৰখাৰ যিটো নীতি তাক বদলোৱা আৱশ্যক আছে। চাহবাগিছাৰ মালিকে হওক বা যি কোনো ব্যৱসায়ীয়ে হওক কোনোৱে নিজে আহি কৰ নিদিয়ে। গতিকে এই চাহ বাগিছা বা কোম্পানী বিলাকে কেনেকৈ কৰৰ পৰা ৰেহাই পাব পাৰ সেই চেষ্টা কৰিয়ে থাকে। তেওঁলোকে দুটা হিচাব পৰিচালনা কৰে। এটা হিচাব চৰকাৰক দেখুৱাবলৈ আৰু এটা হিচাব নিজৰ পৰিয়ালৰ ভৰণ পোষণৰ কাৰণে। গতিকে এই যিটো আচল হিচাব সেই হিচাৰ আমাৰ চৰকাৰী যন্ত্ৰই উলিয়াব নোৱাৰে। গতিকে এই কৰ বিলাক পোৱাৰ কাৰণে আমাৰ যিটো উপাৰ্জন হব লাগিছিল সেই উপাৰ্জন হোৱা নাই। গতিকে মই দাবী কৰো যে আমাৰ এই নীতিটো এনেধৰণৰ পৰিবৰ্ত্তন কৰক যি নীতিৰ জৰিয়তে আমি প্ৰকৃত হিচাব পাব পাৰিম।

এইখিনিতে কৈ বক্তৃতাৰ সমৰণি মাৰিলো।

* Speech not Corrected

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ব্যাখ্যা দিলে আমি সেই ব্যাখ্যাত সন্তুষ্ট হব পৰা নাই। তেখেতৰ বক্তৃতাৰ পৰা বিতৰ্কমূলক কথা দুটামান ওলাইছে। গতিকে সেই সম্পৰ্কে কেইটামান কথা কব বিছাৰিছো। যিথৰা পাৰ্চেজ টেক্সৰ কথা কৈছে প্ৰথমে ১ লাখ ৫৯ টকা পাচৰ বছৰত ১৪ লাখ ৪৪ হাজাৰ টকা এচেচ কাৰছে আৰু পাচতগৈ ৪৭ লাখ হৈছে এইটো ভুল তথ্য আৰু আমাৰ অনুমান আনফেয়াৰ মিনচ লৈহে এই কৰ বিলাক আদায় কৰা হৈছে। অধ্যক্ষ মহোদয়, উৎপাদনৰ লগত এই কৰৰ সম্পৰ্ক আছে আমাৰ দেশত মৰাপাটৰ এটা স্থায়ীৰ দাম নাই গতিকে কৰ বিভাগে ভুল অংক দাঙি ধৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে কলেক্ট কৰিব নোৱাৰে বুলি কৈছে কিন্তু এই মানুহ বিলাকটো গৃহহীন নহয় তেওঁলোকৰ স্থায়ী ঘৰ আছে আৰু যদি সেই দায়ীত্ব আমাৰ গাওঁ পঞ্চায়ত বিলাকক দিয়ে তেতিয়াহলে দেখিব আমাৰ কৰ আদায় এতিয়াতকৈ ১০ গুণ বাঢ়ি যাব। এই বিলৰ দ্বাৰা যদিও দুখীয়া খেতিয়কৰ ওপৰত কৰৰ বোজা নপৰে বুলি কৈছে কিন্তু ইনদাইৰেক্টলি দুখীয়া লোক সকলেই এই কৰৰ বোজা বহন কৰিব লাগিব। আজি খেতিয়কে কাপোৰ তেল নিমখ সেই সকলোবোৰ বস্তুৰে মূল্য বাঢ়ি গৈছে ফলত কৰৰ বোজাও বাঢ়ি গৈছে।

মাননীয় অধ্যক্ষ :—আপুনি পিচত কৰ। Now the House stands adjourned till 2-30 P. M.

(After lunch)

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—মাননীয় উপাধ্যক্ষ মহোদয়, বেছি সংখ্যক মানুহে মৰাপাট বেচে আৰু কম সংখ্যকে মৰাপাট কিনে। সেইকাৰণেই মৰাপাটৰ চেলচ্ টেক্স নহৈ পাৰ্চেজ টেক্স কৰা হৈছে। বছৰে বছৰে মৰাপাটৰ উৎপাদন বাঢ়ি গৈ আছে। এইটো এটা ফিক্সড্ উৎপাদন। যি সকলে টেক্স দিব লাগে সেই সকল গাৱঁৰ উৎপাদন কৰা খেতিয়ক সকল। বেপাৰি সকলে নিজৰ স্বাৰ্থৰ অনুকুলে মূল্য ধাৰ্য্য কৰাৰ কাৰণে উৎপাদনকাৰী সকলৰ মাজত 'চেন্সেশন' নহয়। গতিকেই পাৰ্চেজ টেক্সৰ বেলেগ নামাকৰণ কৰিব লাগে। যি শাসন ব্যৱস্থাত আমি আছো

ৰা চৰকাৰটে। আছে সেই ব্যৱস্থাত 'টেক্স'ৰ বাহিৰে আৰু অন্য উপায় নাই। কিন্তু সেয়ে হলেও সমানভাৱে এই টেক্স' নিৰ্দ্ধাৰিত কৰিব লাগিব। শ্ৰমিক বিলাকক 'টেক্স' বিহীন বুলিকোৱা হৈছে যদিও প্ৰকৃততে কিন্তু তেওঁবিলাক 'টেক্স বিহীন নহয়। প্ৰত্যক্ষ 'টেক্স'ৰ পৰা তেওঁবিলাক মুক্ত হব পাৰে কিন্তু পৰোক্ষ টেক্সৰ পৰা মুক্ত নহয়। গতিকে সেইটোকেই নহৈ যদি প্ৰত্যক্ষ হিচাবে 'টেক্স' আদায় কৰাৰ ব্যৱস্থা কৰে তেতিয়া হলে, আদায় কৰাটে বেছি টকা আদায় হব আৰু মানুহৰ মাজতো ৰাজনৈতিক চেতনা এটা বাঢ়িব সকলো ফালে এটা 'ক্লেইমো' কৰিব পাৰিব। চৰকাৰে আজি যাৰ কাৰণে আইন বিলাক কৰিছে সেইসকলে জানে যে, চৰকাৰে তেওঁবিলাকৰ কাৰণেই আইন ৰচনা কৰিছে. তেওঁবিলাকে নেজানে যে চৰকাৰে গ্ৰহণ কৰা প্লেন বিলাক তেওঁ বিলাকৰ কাৰণেই। গতিকে এই 'চেতনা' টো আনিবৰ কাৰণেও' টেক্সেশ্বন'ৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰটো টেক্সৰ ওপৰতেই থিয় হৈ আছে। টেক্স নহলে একোৱেই কৰিব নোৱাৰে। গতিকেই এই কথাটো যাতে বুজিব পাৰে, উপলব্ধি কৰিব পাৰে তাৰ কাৰণে টেক্সৰ ব্যৱস্থা কি কৰিবলাগে। তাৰ দ্বাৰা চৰকাৰৰ প্ৰতি ৰাইজৰ আগ্ৰহ বাঢ়িব আৰু ৰাইজেও দাবী কৰিব পাৰিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় মহোদয়, মই এটা স্পষ্টীকৰণ বিছাৰিছো, তেখেতে কি কৰ খুজিছে? বেপাৰী সকলৰ ওপৰত টেক্স বঢ়াব লাগেনে খেতিয়ক সকলৰ ওপৰত টেক্স লগাব লাগে সেইটো তেখেতে বুজাই কবনে?

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— একেই মৰাপাটৰ ওপৰত টেক্স আদায় হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় সদস্য জনে যিকথা কৈছে তাৰ দ্বাৰা খেতিয়কৰ ওপৰত দাবল টেক্সহে' হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ —নাম পালটা কৰি তেনেকুৱা পৰিবেশ কৰি দিয়া। যিমান টকা চৰকাৰে এই ব্যৱসায়ী সকলে দিয়াৰ পৰা পাবলাগে তাতকৈ বেছি টকা তেওঁবিলাকে খেতিয়ক সকলৰ পৰা আদায় কৰিব। যদি তেওঁবিলাকে এশ টকা চৰকাৰক দিব লাগে তেতিয়াহলে, ৫০০ টকা খেতিয়ক সকলৰ পৰা আদায় কৰি লব। এই কৰ আদায় দিয়া নহলে আৰু এই ধৰণৰ কোনো টেক্স বা কোনো লোণ যদি আদায় নহয় তেতিয়াহলে এইটো ৰেভিনিউ হিচাবে ধৰি লোৱা হব তেনে ক্ষেত্ৰত

এই দুখীয়া মানুহ বিলাকৰ ওপৰত বিশৃঙ্খলাৰ সৃষ্টি হোৱাতো অস্বাভাৱিক নহয়। এতিয়া ধৰক ৮০ জন খেতিয়কৰ ওপৰত টেক্স দিয়া কথাটো আহি পৰিছে কিন্তু এনে এটা সময় আহিব যেতিয়া ৩ লাখ ৮০ হাজাৰৰ ওপৰত এই আইন আহি পৰিব। তাৰোপৰি খেতিয়ক সকলৰ উৎপাদনৰ কোনো নিশ্চয়তা নাই তেনে ক্ষেত্ৰত 'আনচাৰটেনিতিৰ' ওপৰত টেক্স আৰোপ কৰাতো যুক্তিকৰ নহব আৰু কিমান টেক্স দিব লাগিব সেই বিষয়ে নিৰ্দ্ধাৰণ কৰাতে সহজ কথা নহব। গতিকে আজি চৰকাৰে এই খেতিয়ক সকলৰ ওপৰত টেক্সেশ্যেন কৰাৰ ক্ষেত্ৰত দহকৈ চিন্তা কৰি এটা নতুনকৈ 'খত' দিব লাগে। সেইবুলি মই কোৱা নাই যে টেক্স ৰেহাই দিব লাগে কিন্তু মই জোৰ দি কবলৈ বিচাৰিছো যাতে এই টেক্স আৰোপ কৰাৰ ক্ষেত্ৰত এটা 'হমোজেনাচ' পদ্ধতি হব লাগে যাতে ক্ষুদ্ৰ খেতিয়ক বা বৃহত খেতিয়ক বা বিৰাট কোম্পানীৰ ক্ষেত্ৰত তেওঁলোকৰ উপাৰ্জন অনুযায়ী টেক্স নিৰ্দ্ধাৰণ কৰা হয়। তাৰ পিছত খেতিৰ ফচলৰ মূল্য নিৰ্দ্ধাৰণৰ কথাটোও চিন্তা কৰিব লাগে কিয়নো উৎপাদিত বিভিন্ন ঠাইত ফচলৰ বিভিন্ন মূল্য সূচী দেখা যায়, বেলেগ বেলেগ ঠাইত এই উৎপাদিত মূল্যৰ ৰেট 'অকচিলেট' কৰা হৈছে তাৰোপৰি উৎপাদিত মূলাৰ বস্তু বিক্ৰী কৰাৰ ক্ষেত্ৰত 'বাৰগেইনিংৰ' ব্যৱস্থা চলি আছে আৰু তাৰে সুযোগ লৈ ব্যৱসায়ী সকলে নানা ভাৱে সুবিধা লয় ফলত এই খেতিয়ক সকল নানা ভাৱে ক্ষতিগ্ৰস্ত হৈছে তেনে ক্ষেত্ৰত এগ্ৰিকালচাৰ ইনকামৰ ওপৰত টেক্স ভালদৰে চিন্তা নকৰাকৈ নিৰ্দ্ধাৰণ কৰিলে অত্যন্ত অন্যায় হব। গতিকে সমাজবাদী চিন্তাধাৰা থকা মূখ্য মন্ত্ৰী, তেখেত পুঁজীবাদৰ বিৰোধিতা, পুঁজীবাদী ব্যৱস্থাৰ বিৰোধিতা পুঁজীবাদী শাসন ব্যৱস্থাৰ বিৰোধিতা আৰু তেখেত যিহেতু প্ৰগতিশীল চিন্তা ধাৰাৰ লোক তেখেতে এই ধৰণে টেক্স নিৰ্দ্ধাৰণ কৰক যাতে কোনো মানুহে টেক্সৰ পৰা ৰেহাই নাপায় আৰু কোনো মানুহ যাতে টেক্সৰ জৰীয়তে লাভবান নহয়, টেক্সৰ যিটো পলিচি সেইটো ঠিক ভাৱে ধাৰ্য্য কৰা হয় তেনে ধৰণে এটা সুস্থ পন্থা লৈ এই টেক্সৰ পদ্ধতি কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখি এই বিলখনৰ বিৰোধিতা কৰিলো।

Shri Badan Ch. Talukdar: Mr. Deputy Speaker Sir, the Hon'ble Chief Minister and the Agriculture Minister have

---

* Speech not Corrected

said that agriculturists will not be affected by this assesment. At present not a single number of agriculturists was assesed. In respect of Agricultural Income Tax, there is no guarantee about these agriculturists, small farmers, whose income from agriculture will be above Rs. 5000/-will not be coverd this Act. This finance bill is based on the Assam Aricultural Income Tax Act 1939 and the Agricultural Income Tax is defined in that Act. Income derived from the land used for agricultural purposes and assesed to land revenue in Assam was subjected to local rates and assesed and collected by the Officers as the local tax as specified by the Assam Finance Act for the total agricultural income of the previous year. The rate is fixed by the Govt. for agricultural purpose. If a cultivator produce one crop, he is asked to produce 2 or more crops and in that case suppose if a cultivator has 10 bighas of land and if his income is Rs. 5000/-or more in that case his income will assesed. There is no guarantee that he will not be assesed. So all these agriculturists whose income to Rs. 5000/-, he is to give the Annual Return and if he does not submit the return, he will be penalised for this. My apprehension is that the small agriculturists will be assesed not to-day but there is no guarantee that he will not be assesed in the next year. Before concluding my speech, I want to draw the attention of the Finance Minisiter to the observations of the Comptroller and Auditor General of India for the year 1973-74.

It has been mentioned that two cases of realisation of agricultural income tax amounting to Rs. 0.32 lakh registered in 1972-73 were struck off by the Bakijai Officer, Tezpur in October, 1973 without recording any reason for the non-realisation of the amount. I am sure that the Finance Minister's attention has been drawn to this and this strucked off amount is not certainly from the small

agriculturists, it may be from the tea garden owners or companies. Why this 32,000 rupees was struck off by the Bakijai Officer and who is the Bakijai Officer? Action should be taken against him. With these few words, I resume my seat, Sir.

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকবীৰ ৰায় প্ৰধানী ডাঙৰীয়াই কৰৰ লগত ৰাজনৈতিক চেতনা আৰু ৰাজ্যখনৰ বিত্তিয় প্ৰসাশনত ৰাইজৰ ভূমিকা এই কথাটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এইটো থিক কথা যে, আমি কৰ দিলেহে সেই চেতনা বৃদ্ধি হব আৰু কৰৰ সাপেক্ষে শ্ৰীৰায় প্ৰধানীয়ে যিখিনি কথা কৈছে তাৰ কাৰণে ধন্যবাদ দিছো। কাৰণ ৰাইজে যদি কৰ নিদিয়ে তেনেহলে ৰাজ্যখনৰ বিত্তিয় প্ৰসাশন কেনেকৈ চলিব। এইটো নিতান্তই উচিত কথা কৈছে। কিন্তু এই কৰ আদায় কৰা পদ্ধটিৰ যিটো পৰামৰ্শ দিছে সেই পৰামৰ্শটো গ্ৰহণ যোগ্য নহয়। গাওঁ পঞ্চায়তক এই কৰ আদায় কৰিবলৈ দিয়া পৰামৰ্শটো প্ৰসাশনীয় দিশৰ পৰা যুক্তি যুক্তিতা নহব। আৰু কৰ আদায় কৰাত বহুত বেমেজালি ঘটিব। এতিয়া যিটো পদ্ধটি আছে সেই পদ্ধতিটো থিক। এটা সুক্ষ্ম পদ্ধতি গ্ৰহণ কৰাৰ কথা কৈ কোৱা হৈছে। বৰ্ত্তমান যিটো পদ্ধতি এইটো থিক পদ্ধতি ৰূপে গ্ৰহণ কৰিব লাগিব। কৰ আদায় কৰাৰ ব্যৱস্থা কৰাৰ কাৰণে বিত্তিয় প্ৰসাশনটোৰ নিয়ম কানুন কিছু সাল সলনি কৰাৰ প্ৰয়োজন আছে সেই কথা স্বীকাৰ্য্য। মোৰ বোধেৰে সেই ধৰণে সাল সলনি কৰিলে কৰ আদায় কৰাত কিছু দ্ৰুতৰ ব্যবস্থা কৰিব পৰা হব। বিক্ৰিকৰ আৰু ক্ৰয় কৰ এই দুটাত শ্ৰীৰায় প্ৰধানী ডাঙৰীয়াৰ খেকোজা আতৰ হোৱা নাই। বিক্ৰি কৰেই হওক বা ক্ৰয় কৰেই হওক দুয়োটা কৰৰ পৰিণতি একেই। যিজনে কিনে তেওঁ দিব নে যি বেচে তেওঁ দিব? যিয়েই নিদিয়ক কিয় বস্তুৰ দামৰ ওপৰত প্ৰভাব পৰিব নেই সম্বন্ধে সন্দেহ নাই। কিন্তু এই কৰ লগোৱাৰ কাৰণে মৰাপাটৰ দাম খেতিয়ক সকলে কম পোৱা কথাটো থিক নহয়। মৰাপাটৰ দাম স্থিৰ কৰি দিয়া আছে। মোনত ৫৪ টকাতকৈ ইয়াৰ দাম কম হব নোৱাৰে। যি জনে কিনে সেই দামতকৈ কম দিব নোৱাৰে। তাতকৈ বেচি হব পাৰে। যি দিয়ে

সেইটো ইয়াত অন্তৰ ভুক্ত নহয়। খেতিয়ক জনে অন্ততঃ এই টকা খিনি পাব। এই টকাৰ পৰা বাদ দি ক্রেতা জনে কৰ দিয়া কথাটো ইয়াত নুঠে।

শ্রীকবীৰ ৰায় প্রধানী ঃ—যি সকলে ধান কিনে তেওঁলোকৰ ক'পাৰেটিভ চচাইটি বা মার্কেটিং চচাইটিয়ে হওক লাইচেনচি আছে কিন্তু মৰাপাটৰ ক্ষেত্রত সেইটো নাই। ৫৪ টকা কাগজত থাকিব পাৰে কিন্তু তাতকৈ কমত মৰাপাট মানুহে বেচি আছে।

Shri Md. Umarudnin, (Minister) —Mr. Deputy Speaker, Sir, with a view to ensure the minimum price to the farmers we have got the Jute Corporation of India and the Corporation has been purchasing it so that the farmers should not get less price.

শ্রীশৰৎ চন্দ্র সিংহ (মুখ্য মন্ত্রী) ঃ—শ্রীপ্রধানী সমাজ সেৱক হিচাবে দেখুৱাই দিয়াতো কর্ত্তব্য যাতে খেতিয়কে কম দাম পালে তেখেত জগৰীয়া হব লাগে।

শ্রীকবীৰ ৰায় প্রধানী :—জুট কোৰপোৰেচন আছে। চচাইটি বা এজেঞ্চি আদিক দিয়া হোৱা নাই।

Shri Md. Umaruddin, (Minister ):— They are buying directly from the market.

শ্রীশৰৎ চন্দ্র সিংহ ( মুখ্য মন্ত্রী ) : —বছৰে বছৰে আদায় কৰাৰ যিটো পদ্ধতি সেই কথা উল্লেখ কৰি শ্রীপ্রধানীয়ে কৈছে প্রতি বছৰে যিমান টকা আদায় হৈছে তাৰ পৰৱৰ্ত্তীবছৰত বেচি হৈছে। তাৰ পৰবৰ্ত্তী বছৰত আৰু বেছি হৈছে। এই কথাটো যুক্তিত দেখুৱাই তেখেতে কৈছে যে, আগৰ বছৰত যিটো আছিল যে'ৱা বছৰত এই টকাৰ ইফাল সিফাল হৈছে নেকি আচলতে এই কথাটো নহয়। অগ্রগতিৰ হিচাবত প্রতি বছৰে আৰ্থিক দক্ষতাৰে কাৰ্য্য সম্পাদান কৰাৰ কাৰণে কৰৰ ক্ষেত্রত কৰ দিয়াত বেচি হৈছে। উৎপাদন বৃদ্ধি হৈছে। আগত বছৰতকৈ কৰ বেচি আদায় হৈছে। আগৰ বছৰতকৈ যদি বেচি হৈছে বুলি

যদি ধৰা হয়, দেশৰ ৰাজহ নাবাঢ়িব। অগ্ৰগতিৰ ক্ষেত্ৰত এনে ধৰণৰ কথাটো নাখাটে।

শ্ৰীকবীৰ ৰায় প্ৰধানী ঃ—উৎপাদন ১৪ গুণ বাঢ়িছে নেকি ? আগৰ বছৰৰ নিৰ্ধাৰনত ভুল হৈছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) — প্ৰথমতে যেতিয়া আৰম্ভ কৰা হয় তাক সংশোধন কৰা হয়। প্ৰতি বছৰে সংশোধন যিমানে কৰা হয় সিমানেই কৰ্মচাৰী সকলৰ দক্ষতা বঢ়োৱা হয় আৰু আদায় বেচি হয়। শ্ৰীতালুকদাৰ ডাঙৰীয়াই উল্লেখ কৰিছে যে বাকী আয় আদায় নকৰাকৈ মাফ দিছে। সেইটো অনুসন্ধান কৰি চাম। বাকী যিখিনি কথা উংথাপন কৰিছে ইয়াতে উত্তৰ দিয়া হৈছে। এইখিনিকে নিবেদন কৰিলো।

Mr. Deputy Speaker : I put the main motion. The motion is that the Assam Finance Bill, 1976, be passed.

(The motion is passed ; The Bill is passed)

The Assam Rural Indebtedness Relief (Amendment) Bill, 1976

Shri Gajen Tanti, (Minister). : Sir, I beg to move that the Assam Rural Indebtedness Relief (Amendment) Bill, 1976, be taken in to consideration.

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : – উপাধ্যক্ষ মহোদয়, অসম গ্ৰাম্য গ্ৰস্ততা সাহাৰ্য বিলখন কাৰ্যত পৰিণত নোহোৱাকৈ সংশোধনী আনিব লগা হৈছে। কাৰণ আমি জানো এই বিলখন খুব লৰা লৰিকৈ অনা হৈছিল হাউচৰ সময়ৰ অভাবত ভাল ধৰণে আলোচিত নহল। সেই কাৰণে সংশোধনী আনিব লগা হৈছে। মূল আইনখনত লৰা লৰি কৰাৰ ফলত এই আইনখন কেতিয়াৰ পৰা প্ৰযোজ্য হব সেই কথাটো নাই। When this Bill will come into force

*Speech not Corrected

that was not in the main Act. এই বিলখন এক্টত পৰিণত কেতিয়া হয়। কেতিয়াৰ পৰা কাৰ্য্যকৰি হব সেইটো থাকিব লাগে কিন্তু ৰেজেৰেল ৰুল্জ এক্টত এচেন্ট পোৱাৰ পিচত কাৰ্য্যত পৰিণত হয়। বিলখন কোন পৰ্যায়ত সামৰি লব সেই বিলাক থাকিব লাগে। এই বিলখন অনা হৈছিল ঋণ গ্ৰস্ত খুদ্ৰ খেতিয়ক কৃষি বনোৱাক সকাহ দিবৰ কাৰণে। কিন্তু আজিলৈকে এই এইখন কোনো কাৰ্য্যত অহা নাই। কাৰণ যিখিনি ৰুলচ তৈয়াৰ কৰিব লাগিছিল সেইখিনি কৰা হোৱা নাছিল। সেই কাৰণে যি প্ৰভিজন আছিল অৰ্থাৎ ৪৫ দিনৰ ভিতৰত ৰিলিফ দিয়া কথা খিনি কাৰ্যাত পৰিণত কৰিব পৰা নহল। তেতিয়া সেই সময়খিনি পাৰ হৈ গল। সময় মতে যি ৰুল কৰিব লাগিছিল সেই ৰুল কৰা হোৱা নাছিল। সেইমতে যি প্ৰভিজন আছিল ৪৫ দিনৰ ভিতৰত কাৰ্য্যকৰী কৰা সেইটো কাৰ্যাত পৰিণত কৰিব পৰা নাছিল গতিকে ৪৫ দিনটো ৯০ দিন কৰিব লগা হ'ল। আৰু তিনি বছৰৰ ঠাইত পাচ বছৰ কৰিব লগা হ'ল। ৯০ দিনৰ ভিতৰত এক বছৰ কৰিব লগা হল। গতিকে আমাৰ যিটো ৰিলিফ দিয়াৰ কাৰণ একচন কেলেণ্ডাৰ আদি কৰা হল কিন্তু আইন প্ৰবৰ্তন কাৰ্য্যকৰী এতিয়ালৈকে হৈ নুঠিল। উপাধ্যক্ষ মহোদয়, এই আইনখনৰ ক্ষেত্ৰত কিছুমান লোকক যেনে—কৃষি বনুৱা সকলৰ কি হব সেইটো দেখিনেচন অলপ এনলাৰ্জ কৰিছে।

গাওঁ অঞ্চলত আমি দেখিবলৈ পাইছো যে যিবিলাক মানি লেণ্ডাৰ অৰ্থাৎ সুদ-খোৰ আদি আছে খেতিয়ক সকলে দুখৰ পৰা সকাহ পাবলৈ সেইসকলৰ পৰা টকা ধাৰে লয়। এই সমস্যা আজিৰ সমস্যা নহয়। বহুকলীয়া সমস্যা। তেওঁলোকে যি অৰ্থৰ অভাৱত থাকে সেইটো কেনেকৈ দূৰ কৰিব পাৰি তাৰ কাৰণে বহুতো পৰামৰ্শ দিয়া হৈছিল আৰু কিছুমান কাৰ্য্যকৰী ব্যৱস্থাও লোৱা হৈছিল ফলত দেখা গৈছে যে কোনো এটা কথাই কাৰ্য্যকৰী হৈ উঠা নাই। আৰু কৃষকসকল, কৃষি বনুৱা সকল আছে তেওঁলোকক সকাহ দিবলৈ গৈ সকাহ টো দিব পৰা নাইয়ে তাৰ ফলত কৃষক এজন সৰু কৃষক হৈছে আৰু সৰু কৃষক এজন কৃষি বনুৱা হৈছে। এই ধৰণৰ অৱস্থা দিনে দিনে বেয়াৰ ফালেলৈ গৈ আছে তেওঁলোকৰ অৱস্থা উন্নত কৰাৰ কাৰণে। ঘৰুৱা কিছুমান

অভাৱ অভিযোগ পূৰণ কৰাৰ যি অৰ্থৰ দৰকাৰ সেইটো কৰ পৰা পাব। ঘৰৰ লবা জনৰ অসুখ হলে ডাক্তৰৰ ওচৰলৈ যাবলগীয়া হলে তেওঁলোকৰ বিক্ৰী কৰিবলৈ একো নাথাকে। কাৰণ তেওঁলোক মাটিহীন কৃষি বনুৱাত পৰিণত হৈছে। সেই মানুহজন মহাজনৰ ওচৰলৈ যাবলৈ বাধ্য। মহাজনে যিমানেই সুত নধৰক তেওঁ লবলৈ বাধ্য হয়। এই লোকসকলৰ ঋণৰ পৰা মুক্তকৰাৰ কাৰণে বিকল্প কি ব্যৱস্থা কৰা হৈছে? কাৰণ দৈনন্দিন যি অভাৱ তাক একেদিনে পূৰণ কৰিব নোৱাৰি। খেতিৰ সময়ত যেতিয়া গৰু কিনিবৰ কাৰণে যেতিয়া টকাৰ দৰকাৰ হব তেতিয়া সেই লোকজনে মহাজনৰ ওচৰলৈ যাবলৈ বাধ্য হয়। কৃষি বনুৱা সকলক আগবঢ়াই নিবৰ কাৰণে ঘোষণা কৰা হৈছে কিন্তু কাৰ্য্যত পৰিণত হোৱা নাই। ফলত এই লোকসকলক আইনৰ জৰিয়তে যিমান উপকাৰ কৰো ভবা হৈছিল তাতকৈ বেছি অপকাৰ হে হব।

আৰু এটা কথা—গাওঁত এনে কিছুমান মানুহ আছে যি সুদখোৰ নহয় আৰু টকা ব্যৱসায়ো নকৰে অথচ ওচৰচুবুৰীয়া মানুহক বিপদে আপদে এশটকা বা দুশ টকা দি সহায় কৰে। কিন্তু এইদৰে টকা ধাৰে দিয়া ক্ষেত্ৰত এই লোকসকলৰ কাৰণে আইনৰ কোনো প্ৰটেকচন নাই।

Out of love or sympathy on friendship he has given some mony to help him, but there is no protection for his money. He is not a rich man, not a money lander but according to the provision of the Act.

এনে কৈ টকা লোৱা মানুহজনে যদি পিচত নাই লোৱা বুলি কৈ নিদিয়া হয় তেনেহলে তেওঁৰ কোনো উপায় নাই। গতিকে এই কথাটো চৰকাৰে চাব লাগে। এই আইনখনৰ আন এঠাইত লেণ্ড মৰ্টগেজৰ কথা কোৱা হৈছে। অৰ্থাৎ দখলবন্ধকী। কিন্তু কাৰ্য্যত সেইটো হোৱা নাই। ইয়াৰ চেণ্ট্ৰেল এক্টৰ কথা আছে। কিন্তু সেইখন এখন ষ্টেটৰহে। গতিকে ইয়াৰ মাজত এটা কনফ্লিক্ট হয় তেতিয়া এই আইন পাছ হৈ যাব নোৱাৰে। সেইকাৰণে এই বিলাক চাব লাগে। আমাৰ গাওঁৰ খেতিয়ক সকলৰ আৰু কৃষি বনুৱা সকলক যদি সচাকৈয়ে সকাহ

দিবলৈ বিচৰা হৈছে তেনেহলে তাক ততপৰতাৰে কাৰ্য্যকৰী কৰিবৰ কাৰণে যি নীতি সেই নীতি ৰচনা কৰিব লাগে। বেংক বিলাকৰ যিবিলাক মোৰ্কদ্দমা আছে সেই বিলাক এতিয়া ডিক্ৰী হৈ আছে। উদাহৰণ স্বৰূপে কওঁ যে এজন খেতিয়কে যদি মাটি হীন খেতিয়ক বা শ্ৰমিক বুলি প্ৰমান কৰিব লগীয়া হয় তেনেহলে তেওঁ কৰ্টলৈ যাব লাগিব। গতিকে টকা আদায়ৰ কাৰনে যিজন লোকক সকাহ দিবলৈ বিচৰা হৈছে তেওঁ কৰ্টলৈ যাব লাগিব আৰু খৰচান্ত হব লাগিব। কিয়নো তেওঁ আইনৰ ভৃত্য নহয় সেই কাৰণে তেওঁ আইন জনা মানুহৰ সহায় লব লাগিব। ১৯৫৬ চনতে ল'মিনিষ্টাৰ সকলৰ এখন কনফাৰেন্স হৈছিল আৰু সেইখন কেন্দ্ৰীয় ল'মিনিষ্টাৰে উদ্বোধন কৰিছিল। তাত যি আইন পাছ কৰা হল সেইখিনি কাৰ্য্য ক্ষেত্ৰত পৰিণত কৰা হোৱা নাই। এই আইনখনৰ যোগেদি যি বিলাক কথা উতথাপন কৰা হছে সেইবিলাকৰ যোগেদি যদি সচাকৈয়ে মাটিহীন কৃষক বনুৱাক সকাহ দিব খুজিছে তেন্তে এই গোটেই কথাবিলাক চাব লাগিব। প্ৰথম কথা লেওলেছ এগ্ৰিকালচাৰিষ্টক সকাহ দিব পৰা কিবা ব্যৱস্থা থাকিব লাগিব। দ্বিতীয় কথা এই আইন পাছ হোৱাৰ পিচত মহাজনৰ কথা বাদেই বন্ধু বান্ধৱেও টকা দি সহায় কৰা টান হব। গতিকে বেঙ্ক টকা দিয়াৰ ব্যৱস্থাটো যদি নাথাকে তেন্তে এই সকলে টকা নাপাব। দহদিন বা পোন্ধৰ দিন দেৰী হলেই খেতিয়কৰ বিপদ হব কাৰণ খেতিৰ সময়ত যদি গৰু মৰি যায় তেন্তে দহদিন বা পোন্ধৰ দিন দেৰী হোৱা মানেই খেতিৰ বতৰ সাৰি গোৱা। গতিকে এই বিলখনত গাৱলীয়া লোকৰ যিকথা কোৱা হৈছে তাত এই ব্যৱস্থা নাই। অৱশ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কব আমাৰ যিবিলাক বহুমুখী চচাইটী হৈছে তাৰ পৰাই ঋনৰ ব্যৱস্থা হব। কিন্তু চচাইটীৰ যদি ঋনৰ ব্যৱস্থা তৎক্ষণাত নহয় তেনেহলে তেওঁলোক উপকৃত নহব। লৰাছোৱালীৰ বেমাৰ হলে বা ঘৰৰ আন কাৰোবাৰ বেমাৰ হলে এওঁলোকে যদি তৎক্ষণাত টকা নাপায় তেন্তে বিপদত পৰিব। সেই কাৰণে ঋনৰ ব্যৱস্থাটো তৎকালীন হোৱা উচিত। এই সংক্ৰান্তত যিখন বিল আনিছে তাত মোৰ কোনো আপত্তি নাই কিন্তু তাৰ পৰা উদ্ভৱ হব পৰা সমস্যা বিলাকৰ কথা নকৈ নোৱাৰিলো। এই সমস্যাবিলাকৰ কথা উল্লেখ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—মাননীয় উপাধ্যক্ষ মহোদয়, মূল বিলখন পাচ হৈ গৈছে, কেনেকৈ পাচ হ'ল কব নোৱাৰো কাৰণ মূল বিলৰ ওপৰত বহুতেই কবলগীয়া আছিল। ইতিমধ্যে কাৰ্য্যকৰী নহোৱাতে এই সংশোধনী আহিল গতিকে এই পৰি প্ৰক্ৰিতাতে আলোচনা কৰিবলৈ সুবিধা পাইছো। এই আইন হব লাগিছিল সৰ্ব্বসাধাৰণ ৰাইজৰ কাৰণে কিন্তু এই আইনৰ মূল সৰ্ব্বসাধাৰণ ৰাইজে বুজিব পাৰিছে নে নাই নাজানো। এই আইনৰ দ্বাৰা আগতে মামী, পেহীৰ পৰা বিপদ আপদে যি সুবিধা পাইছিল সেই সুবিধাৰো ৰাস্তা বন্ধ কৰিলে। বিপদে আপদে হিন্দু মুছলমান ভেদাভেদ নাৰাখি বেমাৰ আজাৰ হ'লে ডাক্তৰ আনা বা ঔষধ অনাৰ বাবে যি অলপ অচৰপ সহায় পাইছিল তাৰো ৰাস্তা বন্ধ হ'ল। আমাৰ দেশৰ শতকৰা ৮০জন মানুহেই অজলা মানুহ তেওঁলোকে চিধা-চিধি কথাজানে ভাজ ভুঙত নাই তেওঁলোক আজি বিপদত পৰিব। মই ভাবো এই আইন কাগজতে থাকিব ই জনতাৰ আইন নহব। কি চিন্তাধাৰাৰে এই আইন আনিছে কব নোৱাৰো আমাৰ নিচিনা মন্ত্ৰী মহোদয়েৰো নিশ্চয় বিচাৰ বুদ্ধি আছে কিন্তু তেখেতে জানিও দলৰ খাটিৰত যদি এই বিল আনিছে তেনে-হ'লে মোৰ কবলগীয়া একো নাই।

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) এই আইনত জনসাধাৰণৰ কি বেয়া আছে সদস্য গৰাকীয়ে কব নে ?

শ্ৰীগিয়াচুদ্দিন আহমেদ :—এই আইনত মহাজন সকলৰ কাৰণে কিছুমান বেয়া প্ৰভিজন আছে সেই কাৰণে নতুবা অন্য কাৰণেও আপত্তি বহুত থাকিব পাৰে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—বেয়া কথাৰ কথা মই কোৱা নাই । কিন্তু ইউ-ৰোপৰ নিচিনা শিক্ষিত মানুহৰ দেশ হোৱা হলে কোনো কথা নাছিল কিন্তু আজি আমাৰ মানুহ সেইখিনি হোৱা নাই। আজি আমাৰ মানুহ এনেকুৱা ৰাস্তাই ৰাস্তাই যদি গাখীৰ লৈ ঘুৰি ফুৰে গাখীৰ কিনে কিন্তু ক'ৰবাত যদি চুৰকৈও মদ বিক্ৰী কৰিছে কিন্তু বিচাৰি গৈ মদৰ দোকান উলিয়াব । গতিকে আমাৰ দেশৰ মানুহ দুৰ্বল। মোৰ নিচিনা হোৱা হলে কথা নাছিল ।

শ্ৰীজালালুদ্দিন আহমেদ :-তেখেত মাত্ৰ সাধু ৰাকীবিলাক অসাধু বুলি কব খোজে নেকি ?

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—কোৱা নাই। কিন্তু আমাৰ মানুহৰ বিবেক কম। তেনেকুৱা অৱস্থাত ৫ টকা ডাক্তৰৰ ভিজিটৰ কাৰণে ঔষধৰ কাৰণেও আজি ওচৰচুবুৰীয়াৰ আশ্ৰয়ৰ পৰাও বঞ্চিত হব লাগিব। আমাৰ মানুহ আজিও আত্ম-নিৰ্ভৰশীল নহয়। এতিয়াও ভাত মোহাবি মোহাবি নৰম কৈ কৈ চামুচেৰে খুৱাব লগা অৱস্থাতে আছে। সামাজিক ব্যৱস্থা খুব বেয়া। যি ধৰণে সবল হব লাগিছিল সেই হিচাবে সবল হব পৰা নাই। তেনেকুৱা অৱস্থাত এই গৰীব শ্ৰেণীক বেংকৰ ওপৰত জাপি দিয়া হৈছে কাৰণ সামান্য টকা এটাৰ কাৰণেও আজি বেংকত যাব লাগিব। বিলখনৰ উদ্দেশ্য ভাল কিন্তু এই বিলৰ মূল্য বুজে কোনে ? মই ভাবো এই বিলৰ বা আইনৰ উদ্দেশ্য ভাল যদিও কাৰ্যক্ষেত্ৰত কিমান ফলপ্ৰসূ হব সেইটো বিচাৰ্য্যৰ কথা। সেই কাৰণে এই কথা কৈছো যে বিলখন যিয়ে নহওক কিন্তু তাৰ পৰা সৰ্বসাধাৰণ ৰাইজৰ কোনো উপকাৰ নহয়। এই বেংকক নো কি কাৰণত আমি ইমান উঠাই দিছো। এইবিলাক কাৰ টকা ? আপোনাৰ মোৰ এহেজাৰ দহ হাজাৰ ৰাখিয়ে বেংক কৰা হৈছে আৰু টকা আছে কাৰণেই বেংকৰ কৰ্মী সকলে কিমান দৰ্মহা পায় আপোনালোকে জানে। বেংকে এই সুবিধা পাওঁক কিন্তু ৰাইজে এই সুবিধা লব পাৰিব নে নোৱাৰে ? সেই কাৰণেই কৈছো মই বেংকক এন্‌কাৰেজ কৰিছো। দিচ্‌কাৰেজ কৰা নাই।

উপাধ্যক্ষ :-সংশোধনী সম্পৰ্কত কথা কওক।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :-কৈ আছো।

উপাধ্যক্ষ :-টাচ কৰা নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :-মেইন বিলৰ কথাই কৈছো।

Shri Giasuddin Ahmed :-Mr. Deputy Speaker Sir, the time is very valuable for the House and there are certain

rules regarding discussion. So I would like to submit that you will kindly give ruling to the effect that the relevant rule with regard to discussion or debates on a bill is strictly followed.

Mr. Deputy Speaker :—It is not the question of ruling. I thing the Honourable Members are cautions about the subject matter of the discussion. It will be a harsh procedure if I give a ruling. So I draw the attention of the Honourable Members that they should confine to the subject matter of the agenda.

শ্রীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—মাননীয় সদস্য যদি পাৰ্লিয়ামেণ্টৰি মিনিষ্টাৰ হিচাবে কলেহেতেন ভাল পালোহেতেন। কিন্তু মেম্বাৰ হিচাবে এইটো কথা যে মাননীয় সদস্যইও বহুত ক্ষেত্ৰত ইলাবোৰেটলি কৰলৈ গৈ লিংক নোহোৱা হয় কিন্তু আমি পইণ্ট আউট নকৰো কিন্তু মাননীয় সদস্য পাৰ্লিয়ামেণ্টৰি মিনিষ্টাৰ হৈ কলে ভাল পালোহেতেন।

Shri Giasuddin Ahmed :—Sir, I am objecting to his remarks. I think, Sir, any Hon'ble member has a right to raise any point of order regarding the rules and procedure of the House.

শ্রীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—জেনেৰেলি এইবিলাক পাৰ্লিয়ামেণ্টৰি মিনিষ্টাৰে পইণ্ট-আউট কৰে।

শ্রীচৈয়দ আহমেদ আলী (মন্ত্ৰী) :—পাৰ্লিয়ামেণ্টৰি মিনিষ্টাৰেই নহয় যি কোনো মেম্বাৰেই কৰিব পাৰে।

শ্রীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—ৰাইট সকলোৰে আছে। কিন্তু আমি কলীগ মেম্বাৰ হিচাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে বহলাই কৈছো।

হাউচৰ পৰা যেতিয়া আপত্তি দিছে মই আৰু বহলাই নকওঁ এই আইনখনৰ ৰূপ

গাওঁত সোমাই চাব। কোনো মাননীয় সদস্য যদি গাওঁলৈ নোযোৱাকৈ কেৱল পলিচি চাই এইটো কৰে পলিচি ইম্প'জড্ কৰিব নোৱাৰো হব এই কথাটো লক্ষ্য কৰিয়েই কৈছো। আইনখন ওপৰে ওপৰে নাচাই তলৰ ফালে প্ৰেকটিকেলি মানুহৰ অৱস্থা যদি চোৱা হয় তেতিয়াহে আচল কথা বুজা যাব। আজি ভাৰতবৰ্ষৰ সকলো ঠাইতে পৰিবেশ একে নহয়। চহৰ আৰু গাওঁৰ পৰিবেশ একে নহয়। কোনোবাই যদি গাওঁলৈ নোযোৱাকৈ গাওঁৰ পৰিবেশ জানো বুলি কয় সেইটো বেলেগ কথা। এইটোৰ দ্বাৰা মানুহ কেতিয়াও উপকৃত হব বুলি মই নাভাবো। সেই কাৰণে পুনৰবাৰ কৈছো যে যদি বিতংকৈ চাব পাৰে আৰু চোৱাৰ সুযোগ লয় তেতিয়াহলে ভাল হব। গাওঁত বিশৃংখল, উশৃংখল অৱস্থাৰ সৃষ্টি হৈছে যদি অনুসন্ধান কৰি কমিটিৰ জৰিয়তে অনুসন্ধান কৰিবলৈ সুযোগ দিয়ে এইটো ভাল হব। অনুসন্ধান কৰিবলৈ সুযোগ দিয়ক আৰু গাওঁত কি হৈছে চাওক। দুখীয়া মানুহক সহায় কৰিছে নে নাই আইনৰ ওপৰতো মানৱতা আছে। এইখিনি কথা কৈ গাওঁৰ পৰিবেশ কি হৈছে সেইটো চাবলৈ অনুসন্ধান কমিটিৰ জৰিয়তে কি বস্তু কি অৱস্থাত আছে সেইটো সম্পৰ্কে মোটা-মোটি ভাৱে হলেও ৰিপোৰ্ট সম্পৰ্কে সুযোগ লোৱা উচিত হব।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই বিলখন পাচ হৈ যোৱাৰ পিচত যিবিলাক চেকচনৰ সংশোধনী অনা হৈছে সেইবিলাক ষ্টেটমেণ্ট অব অবজেক্টত কৈছো গতিকে সেই বিষয়ে বহলাই কবলৈ নাযাওঁ। সংশোধনীৰ ওপৰত মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী আৰু শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই এটা কথাৰ ওপৰত অধিক গুৰুত্ব দিছে যে গাওঁবিলাকৰ দুখীয়া মানুহ বিলাকক, দুখীয়া খেতিয়ক সকলক বহুত মানুহে সহায় কৰি থাকে। বিশেষকৈ এই আইনৰ ব্যৱস্থা কৰাৰ পিচত সেই সকলে সেই সহায়ৰ পৰা বঞ্চিত হব। কিন্তু কোনোবাই কাৰোবাক বন্ধু-বান্ধৱ হিচাবে বা দুখীয়া অৱস্থা দেখা পাই সহানুভূতিৰ পৰা কোনোবা মানুহে সহায় কৰিব বুলিয়েই এই আইনখনে সেই সকলক কোনো ৰকমৰ বাধা দিবলৈ যোৱা নাই। কেৱল বাধা দিবলৈ গৈছে যিসকলে দুখীয়া মানুহৰ দৰিদ্ৰতাৰ সুযোগ লৈ টকা-পইচা আদি ধাৰলৈ দি মাটি বাৰী সা-সম্পত্তি আদি গ্ৰাস কৰাৰ চেষ্টা কৰে সেই

সকলকহে বাধা দিবলৈ ওলাইছে দুখীয়াক দুখীয়া হিচাবে সহায় কৰা সকলক বাধা দিবলৈ যোৱা নাই। গতিকে সেই বিষয়ত এই আইনখনে কোনো অসুবিধাৰ সৃষ্টি নকৰে বুলিয়েই মোৰ বিশ্বাস।

উপাধ্যক্ষ মহোদয়, আৰু কেইটামান কথা মাননীয় সদস্য সকলে আলোচনা কৰিছে যে আইনখনৰ ব্যৱস্থা কৰা হল যদিও আচলতে দুখীয়া মানুহক সহায় কৰিবলৈ কোনো কাৰ্য্যকৰী ব্যৱস্থা লব পৰা নাই। কথাটো সচাঁ। কাৰণ ইতিমধ্যে আইনখন কলচ্ কৰা হয় আৰু তাৰ পিচত এই কেইটা সংশোধন কৰিলে কাৰ্য্যকৰী কৰাত সহায় হব সেই কাৰণে কাৰ্যকৰী কৰিবলৈ যাওঁতে যি সকল মানুহ হাবাশাস্তি হৈ আছে সা-সম্পত্তি হেৰুৱাব লগীয়া হৈছে সেই সকলো আগবাঢ়ি আহিব লাগিব। দ্বিতীয়তে ৰাজনৈতিক দলসমূহ, সমাজ কৰ্ম্মীসকল, সমাজসেৱক সকলৰ বহুতেই এই লোকসকলক সহায় কৰিবলৈ আহিব পাৰে কেৱল যে চৰকাৰেই এই লোকসকলক সহায় কৰিব লাগিব চৰকাৰী ব্যৱস্থাৰে সেইটো আশা কৰা নাই আৰু সেই কাৰণেই এই সদনৰ জৰিয়তে মাননীয় সদস্য সকলক আৰু বিভিন্ন ৰাজনৈতিক দল আৰু সমাজসেৱক সকলক আহ্বান জনাইছো যাতে তেখেতসকলে এই দুৰ্দশাগ্ৰস্ত লোক সকলক সহায় কৰিবলৈ আগবাঢ়ি আহে। তাৰ বাহিৰেও চৰকাৰী ভাৱে এইটো কাৰ্য্যকৰী কৰিবলৈ হাতত লোৱা হৈছে।

Mr. Deputy Speaker : I put the motion, "That the Assam Rural Indebtedness Relief ( Amendment ) Bill, 1976, be taken into consideration.

The motion is passed,......There is no amendment.

Shri Gajen Tanti ( Minister ) : Sir, I beg to move that the Assam Rural Indebtedness Relief ( Amendment ) Bill, 1976, be passed.

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ দুৰ্দশাগ্ৰস্ত লোক আৰু খেতিয়ক সকলক সহায় কৰাৰ উদ্দেশ্যে যিখন বিল আজি এই সদনত আলোচনা

হৈছে সেইখনৰ ওপৰত ভালেখিনি কথা আলোচনা হোৱাৰ পিচত আৰু বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ শুনাৰ পিচত উদ্ভৱ হোৱা পৰিস্থিতিত ছুই চাৰিষাৰ কথা মই কব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, 'দুখীয়া সকলক পুতৌ কৰিবা' এই কথাষাৰ সকলোৱে ভাল পায় আৰু যিসকলে অন্তত: পঢ়া শুনা কৰিছে ক-খ শ্ৰেণীত কিতাপতে সেই শাৰী কথা পঢ়িছে আৰু সেই কালৰ পৰা আমাৰ দুখীয়াক পুতৌ কৰাৰ সুবিধা নাই কিন্তু দুখীয়াক পুতৌ কৰা কথাষাৰ কৈ দুখীয়াক দুখীয়া হৈ থাকিবলৈ চিৰদিনীয়া ব্যৱস্থা ৰখাটোহে এটা পৰিতাপৰ কথা হৈছে। মোৰ মনত এটা কথা উদ্ৰেক হৈছে যে দুখীয়াক পুতৌ কৰিবা বা দুখীয়াক ঋণগ্ৰস্ততাৰ পৰা মুক্ত কৰাৰ ত্ৰিশ চল্লিশ বা নবৈবছিনীয়া যিয়েই হওক সংশোধনী আনক কিয় দুখীয়া সকলক সদায় সংসাৰত থাকিব আৰু ধনী সকলো থাকিব। আমি সমাজবাদৰ কথা কৈছো কিন্তু সমাজবাদী অৰ্থনীতিৰ কথা কৈ সমতাৰ কথা কৈ নিজেই ফিতাহি মৰা সকলেও কৈছো যে দুখীয়াও থাকিব আৰু চহকীও থাকিব।

কোনোবাই মাতিও ধনীক সমৰ্থন কৰিব পাৰে আৰু কোনোবাই মাতিও ধনীক সমৰ্থন নকৰিব পাৰে এই দুটা চৰিত্ৰ আমাৰ দেশত তথা ৰাজ্যত আছে আৰু অন্যান্য অৰ্থনীতিবিদ সকলৰো আছে। আজি এই বিলখনৰ মতান্তৰ আৱশ্যকতা নাই, এই কথাটো মই কব খোজা নাই। কিন্তু যি কেইটা সংশোধনী আনিছে সেইকেইটাই প্ৰকৃতপক্ষে বিশেষ কোনো আশ্বস্ত কৰিব পৰা নাই সেইকাৰণেই আজি এই সমালোচনা কৰিব লগীয়া হৈছে। মই আগতেই কোৱাৰ দৰে এতিয়া আকৌ ভাবিছো যে, এই বিলখন পাছ হৈ যোৱাৰ পিছতো চৰকাৰে সম্পূৰ্ণ চৰকাৰী ব্যৱস্থা হাতত পোৱাৰ পিছতো আমাৰ সৰহ চাম দুখীয়া মানুহ দুখীয়া হৈয়েই থাকিব। তিনি বিঘা মাটি গিৰি মানুহ বা একেবাৰেই মাটিহীন মানুহক সুদখোৰ মহাজন সকলৰ হাতৰ পৰা মুক্ত কৰাত আমাৰ কোনো আপত্তি কৰিবলগীয়া নাই। বৰং এই কথাষাৰহে মই কব খুজিছো যে, এই সকলক মুক্তি দিবলৈ যাওঁতে যদি প্ৰকৃততে সুদখোৰ বা ধনী ব্যৱসায়ী সকলৰ যি ব্যাখ্যা কৰা হৈছে সেই সকলৰ ভিতৰত যদি আমাৰ মাননীয়

সদস্য শ্ৰীকবীৰ ৰায়প্ৰধানী ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ কোনোবাই যদি কাৰোবাৰ পৰা বন্ধুত্বমূলভ সম্পৰ্ক থকাৰ কাৰণে ঋণ লৈছে তেনেহলে, লাগিলে সেই ঋণো এই আইনৰ দ্বাৰা নাকচ হৈ যাওঁক। তাতো আমি ভাল পাইছো। মই এই কথাটোহে কব খুজিছো কোনোবাই যদি বন্ধুত্বসুলভ ভাৱেও ঋণ আদি লৈছিল সেই সকলকো সেই ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত এবাৰ মুক্ত কৰি লওক। এইটোৱেই সমাজত এটা বেলেগ পৰিবেশৰ সৃষ্টি কৰিব। চৰকাৰে হয়তো তেনেকুৱা কোনো উদ্দেশ্য নাই বুলিয়েই কব। থাকিলেও চৰকাৰৰ হাতত টকা পইছা নেথাকিব পাৰে। আৰু এটা কথা মই কব খুজিছো অকল ধনী ব্যৱসায়ী বা সুদখোৰ মহাজনৰ পৰাই লোৱা নহয় চৰকাৰৰ ঋণ লৈও যি সকলে এতিয়াও পৰিশোধ কৰিব নোৱাৰি ঋণগ্ৰস্ত হৈ আছে সেইবিলাক পৰিয়ালকো এবাৰৰ কাৰণে হলেও মুক্ত কৰি দিব লাগে। এই বিধান সভাৰ মজিয়াতে শ্ৰীসভা ৰাম চুটিয়া নামৰ এজন মানুহৰ কথা ঋণসংগ্ৰহৰ ক্ষেত্ৰত প্ৰশ্ন উৎথাপন কৰা হৈছিল। তেখেতে ১৫০ টকা ধাৰ লৈছিল ১৯৫৬ চনত। ৭।৯ বছৰৰ মূৰত তেওঁ সেই ধাৰে লোৱা টকাৰ কাৰণে ৩২০ টকা দিবলগীয়া হল। ইতিমধ্যে ১৯০ টকা নে ১৯২ টকা দিলে। এইখিনি দিয়াৰ পিছতো এতিয়াও ধাৰ আছে ৩২০ টকা। সেইঋণ তেখেতে লৈছিল বড়ো খেতিৰ কাৰণে। সেই ঋণ পৰিশোধ কৰিব নোৱাৰাৰ কাৰণে সেই মানুহজনৰ পৰিয়ালত মাত্ৰ দুজোৰ কাঁহি বাতি আছিল, গৰু গাড়ীৰ চকা দুটা আছিল তাকো নিলাম কৰি সেই টকা আদায়ৰ ব্যৱস্থা কৰাৰ সময়তে এই কথাটো মই বিধান সভাত উৎথাপন কৰি মই আপত্তি কৰিছিলো। দুখীয়া মানুহক ব্যক্তিগত মহাজন বা কাবুলিকে আদি কৰি সুদখোৰ মহাজন বিলাকে টকা ধাৰলৈ দি যি বিপদত পেলাইছে চৰকাৰেও সেই একে বিপদতেই পেলাই জুলুম কৰিছে। ধাৰে দিয়া টকা পৰিশোধ কৰিবৰ কাৰণে যদি কোনো মানুহৰ কোনো উপায় নেথাকে তেতিয়া হলে সেই মানুহজনক চৰকাৰে একেবাৰেই ঋণ মুক্ত কৰি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। বিভাগৰ পৰা সেই টকা দি হলেও ধাৰ পৰিশোধ কৰিবৰ কাৰণে ব্যৱস্থা কৰি দিব লাগে। মাত্ৰ এবাৰ তেনেকৈ মানুহখিনিক মুক্ত কৰি লওঁক। তেতিয়াহে আমি আইঁ বিচাৰি পাম।

মাননীয় উপাধ্যক্ষ মহোদয়, অকল সেইটোৱেই নহয়। কাবুলি আমাৰ দেশত

আছে। তেওঁবিলাকে এশ টকা ধাৰলৈ দিবলগীয়া হলে মাহে শই প্ৰতি ১২ টকাকৈ সুদ লয়। অকল সিমানেই নহয় সেই সুদ অগ্ৰিম প্ৰথম মাহৰ কাৰণে কাটি লয়। ধৰক এশ টকা ধাৰলৈ দিবলগীয়া হল। এমাহৰ পিছত তাৰ সুদ ১২ টকা দিব লাগিব। এই এমাহৰ পিছত দিবলগীয়া সুদ ১২ টকা তেওঁলোকে টকাৰ ধাৰলৈ দিয়াৰ লগে লগেই তাৰ পৰা সুদটো কাটি মাত্ৰ ৮৮ টকাহে দিব। দ্বিতীয়তে. চক্ৰবৃদ্ধি হাৰত সেই টকাটো আৰম্ভ হয়। সেইদৰে অসম বিধান সভাৰ সদস্য সকলক টেলিফোন দিছে। যোৱা ছমাহৰ কাৰণে মই ৫০ টকা ফাইন ভৰিব লগা হৈ ছা। আইন হৈছে তিনি মাহৰ আগতে টেলিফোন বিলৰ টকা আদায় দিব লাগে। মই নিজেই নেজানো। ডিচেম্বৰৰ ১১ তাৰিখে টেলিফোনৰ বিল দিয়া হয়। তিনিমাহৰ কাৰণে .০০ টকা দিব লাগে। ফেব্ৰুৱাৰী মাহৰ ২১ তাৰিখে যদি এই টেক্স দিয়া নহয় তেতিয়াহলে, প্ৰথম ১৫ দিনত ২৫ টকা ফাইন ভৰিব লগিয়া হয় আৰু ১৫ দিনৰ পাৰ হলে ৫০ টকা। ৩১ মাৰ্চ্চৰ ভিতৰতে শেষ যদি নহয়গৈ তেতিয়াহলে, ১০০ টকা দিবলগীয়া হয়গৈ। এইটোৱেই হৈছে চৰকাৰী ব্যৱস্থা। অজ্ঞতাৰ কাৰণেই এইখিনি হবলৈ পালে। আমাৰ মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ মানুহৰ এই বিলাক অজ্ঞতাৰ কাৰণেও ঋণ লৈয়েই ঋণ পৰিশোধ কৰিব নোৱাৰি ঋণগ্ৰস্ত হৈ আছে। সেই অৱস্থাই হৈছে। মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই আৰু মাননীয় সদস্য তালুকদাৰ ডাঙৰীয়াই যিটো ব্যাখ্যা কৰিলে বিধান সভাৰ সদস্য হিচাবে বা ৰাজনৈতিক দলৰ সিদ্ধান্ত হিচাবে হয়তো মাত নেমাতিবও পাৰো। ঋণগ্ৰস্তভাৰ পৰা মুক্ত কৰা এই বিলখনক হয়তো কোনোবাই সমালোচনা কৰাৰ কাৰণে বিপ্লৱ কৰিব খোজা বুলিও কব পাৰে বা এই লোক সকলে পুজিপতিৰ দালাল হিচাবে কাম কৰিছেনেকি বুলিও কব পাৰে। কিন্তু নাই কৰা। তেনে চিন্তা চেতনা আমাৰ নাই। আজি উকীল এম, এল, এ ডাঙৰীয়াই দুখীয়া মানুহে আইনৰ সাহায্য পোৱাৰ কথা কৈছে। কিন্তু আজি এই উকিলী ব্যৱস্থা ৰাষ্ট্ৰীয় কৰণ কৰা হ'বনে? এই আইনৰ দ্বাৰা আমাৰ ৰাজ্যৰ দুখীয়া মানুহ বিলাকক ৰক্ষা কৰিব পৰা হবনে নহয়?

আজি সেইকাৰণে এই ওকালতি ব্যৱস্থাতো ৰাষ্ট্ৰীয়কৰণ কৰি চৰকাৰৰ হাতলৈ

অনা হওক যাতে এই ওকালতি ব্যৱস্থাৰ পৰা আমাৰ দুখীয়া মানুহবিলাক বঞ্চিত নহয়, ইয়াৰ দ্বাৰা আমাৰ দুখীয়া মানুহবিলাকক সহায় কৰিব পৰাকৈ যাতে আইন বিলাক প্ৰণয়ন কৰিব পাৰি তালৈ বিশেষ দৃষ্টি দিব লাগে। নহলে আজি আমাৰ ৰাজ্যৰ তথা দেশখনৰ মানুহখিনিয়ে আইনৰ ঘৰত নিজকে দুখীয়া বুলি প্ৰতিপন্ন কৰিবলৈ ঘৰৰ ঘটি-লোটাখিনিও যাতে আনৰ হাতত বিক্ৰী কৰিবলগীয়া নহয়। আমাৰ অসমীয়াত এষাৰ কথা আছে— 'সাতোৰ সাতোৰ সাগৰ নিজ বাহুবলে, সাতুৰিব নোৱাৰিলে যা ৰসাতলে' যদি এইধৰণে ব্যৱস্থা চলি থাকে আমাৰ দুখীয়া মানুহখিনিয়ে কোনো কালে এনেবিলাক আইনৰ জৰিয়তে উদ্ধাৰ নাপাব। অকল ঋণ মুক্ত কৰি দিলেই আমাৰ দুখীয়া সকল উদ্ধাৰ নহব, আমাৰ আজি আইন বিলাক এনেদৰে ফ্ৰেম কৰিব লাগে যাতে এই দুখীয়া লোকসকল ঋণৰ পৰা মুক্ত হোৱাৰ লগতে আন আন সকলো দিশতে আগবাঢ়ি যাব পাৰে। কিন্তু আজি আমাৰ এনে ধাৰণা হৈছে যেন কোনো এক যান্ত্ৰিক যুগৰ ফালে এক দলীয় চৰকাৰৰ তলত আমি ধাবিত হৈছো, ১৯৬০ চনত যেতিয়া ইংলণ্ডত কৃষিৰ পৰা মানুহক উদ্যোগলৈ টানি অনা হৈছিল, লাখ লাখ মানুহে খেতি এৰি চহৰ অভিমুখে বন কৰিবলৈ আগবাঢ়ি আহিছিল আৰু তেতিয়াই তাৰ লগে লগে সমাজ ব্যৱস্থাৰ এটা বিৰাট পৰিবৰ্তন সাধিবলৈ ব্যৱস্থা কৰা হৈছিল, কৃষি মুখি ৰাইজ উদ্যোগৰ ফালে আগবাঢ়ি আহিছিল ঠিক তেনেধৰণেৰে আজি ভাৰতবৰ্ষতো যেন আমাৰ মানুহবিলাকৰ স্বত্বাধিকাৰৰ পৰা বিলুপ্ত সাধন কৰিবলৈ চেষ্টা কৰা হৈছে সেইটো অনুভৱ কৰা হৈছে আৰু সেই বিষয়ে আমি সচেতন হবলগীয়া হল। ৰেডিয় বা প্ৰেচ পাবলিকেশ্যনৰ দ্বাৰা যদিও ৰাইজৰ সমৰ্থন লাভ কৰিবলৈ বিচৰা হৈছে কিন্তু প্ৰকৃততে এই আইনৰ ব্যৱস্থা হৈ গলে তাৰ দ্বাৰা যে আমাৰ দুখীয়া বা ভিক্ষাৰীৰ নিচিনা মানুহবিলাক উদ্ধাৰ হব তাত সন্দেহ হয়। এই গৰীব লোক সকলক তেওঁলোকৰ নাষ্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি সৰু পইচা এটা দি ঠগি খোৱাৰ নিচিনাকৈ তেওঁলোকক কিঞ্চিত দি বঞ্চিত কৰি সন্তুষ্ট কৰা কথা নহয়। এই খিনিকে কৈ বিলখন পাচ কৰাৰ ক্ষেত্ৰত মোৰ বক্তব্য জনালো।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :—মই এইখিনিতে এটা কথা কবলৈ বিচাৰিছো,

সেইটো হল আমাৰ আত্মীয় স্বজনৰ মাজত কিমান দিনলৈ আমি মিলি জুলি থাকিব পাৰিম কিয়নো টকা-পইচাৰ বিনিময়ত আনকি নিজৰ ভাই ককাইৰ মাজতো মিলাপ্ৰীতি নাথাকে, গতিকে টকা-পইচাৰ ক্ষেত্ৰত এনেকুৱা এটা ব্যৱস্থা চলি থকাটো একো অস্বাভাবিক নহয়। সেইকাৰণে এই ক্ষেত্ৰত চৰকাৰে এটা গেৰাণ্টি দিব লাগে যাতে এটা সুস্থ পৰিবেশ সৃষ্টি কৰি তাক কিমান খিনি প্ৰযোজ্য আৰু তাক কেনেভাবে প্ৰয়োগ কৰিব পাৰি সেইটো আইনখন পাচ কৰাৰ আগতে চিন্তা কৰিব লাগে।

ডাঃ কোযেশ্বৰ বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৬ চনৰ অসম গ্ৰাম্য ঋণগ্ৰস্ততা সাহায্য বিধেয়ক বিলখনৰ যি সংশোধনী অনা হৈছে এই বিধেয়ক খনৰ দ্বাৰা আমাৰ গাৱলীয়া কৃষক লোকক কেনে ধৰণে সহায় কৰিব পৰা হব তাত আমাৰ সন্দেহ হয় কিয়নো এতিয়ালৈকে আমাৰ ভাৰতবৰ্ষত জনসাধাৰণৰ উন্নয়নৰ কাৰণে যিমান বিলাক আইন প্ৰণয়ন কৰা হৈছে তাৰ দ্বাৰা আমাৰ দুখীয়া শ্ৰেণীৰ লোকৰ বিশেষ উপকাৰ সাধন হোৱা নাই কিন্তু তাত গৰীব শ্ৰেণীৰ ঠাইত ধনী লোক সকলেহে এই আইন বিলাকৰ সুবিধা লৈছে। এতিয়ালৈকে যিমান বিলাক আইন এই ক্ষেত্ৰত প্ৰণয়ন কৰা হৈছে সেইবিলাকৰ উদ্দেশ্য আছিল প্ৰকৃততে আমাৰ দেশৰ গৰীব শ্ৰেণীৰ লোকসকলক ৰাজনৈতিক বা অৰ্থনৈতিক বা সামাজিক ভাবে আগুৱাই নিয়া কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি কি দেখিবলৈ পাইছো, এই আইন বিলাকৰ যি প্ৰকৃত উদ্দেশ্য আছিল তাৰ পৰা আমাৰ চৰকাৰ আতৰি আহিছে যেন অনুমান হয় কিয়নো এই আইন বিলাকৰ প্ৰকৃতপক্ষে ফলবতি হোৱা নাই বা সফলতা লাভ কৰিব পৰা নাই। ইয়াৰ আগতে আইন প্ৰণয়ন কৰা হৈছিল যে আমাৰ দেশৰ দুখীয়া মাটিহীন আৰু ভূমিহীন লোকক মাটি বিতৰণ কৰা হব কিন্তু আজি ২৯ বছৰে আমি কিমান লোকক মাটি দিব পাৰিছো সেইটো সকলোৱে জানে। যদিও কাগজে কলমে বাতৰি কাকতত আৰু ৰেডিয়ো যোগে প্ৰচাৰ হৈছে যে আমাৰ মাটিহীন গৰীব শ্ৰেণীৰ লোকসকলক মাটি বিতৰণ কৰা হৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত কিমান মানুহক মাটি দিয়া হৈছে সেইটো সকলোৱে জানে। থিক একেদৰে আজি এই আইনৰ জৰীয়তে আমাৰ এই দুখীয়া পিচপৰি থকা মানুহখিনিক

গ্ৰামোন্নয়ন ক্ষেত্ৰত তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাৰ কিছু সকাহ দিবৰ কাৰণে আৰু ধাৰত পোত খাই থকা এই বৃহৎ জনসংখ্যাৰ লোকক ধাৰৰ পৰা মুক্ত কৰিবৰ কাৰণে কিমান দূৰ সাফল্য হ'ব তাত সন্দেহ হয়। এই আইনৰ উদ্দেশ্য যে মহৎ তাত সন্দেহ নাই কিন্তু কথা হৈছে প্ৰকৃত কাৰ্য্যক্ষেত্ৰত এই অতিকৈ পিছপৰি থকা গ্ৰামৰ দুখীয়া লোকখিনিয়ে ঋণৰ পৰা মুক্ত পাবনে নাপাই সেইটোহে আচল চিন্তাৰ বিষয় হৈ পৰিছে।

মোৰ আগৰ দুই এজন বন্ধুয়ে কৈ গৈছে যে দুখীয়া খেতিয়ক সকলৰ কাবুলি আৰু মহাজনৰ ওচৰত ধাৰ কেনেকৈ বাঢ়ি গৈছে। এই মহাজন সকলে সুবিধা লৈ দুখীয়া লোকসকলৰ মাটিবাৰী শেষ কৰিছে। কেবাখনো আইন কৰিছে যদিও তেওঁলোকক ৰক্ষা কৰিব পৰা নাই। তেওঁলোকক মহাজন আৰু কাবুলিৰ কবলৰ পৰা ৰক্ষা কৰিম বুলি আইন আনিছে যদিও গোটেই জীৱনত ধাৰ কৰি চলা লোকসকলক ঋণৰ পৰা মুক্ত কৰিব নোৱাৰে। শ্ৰীবৰা ডাঙৰীয়াই কৈ গৈছে যে ঋণখিনিৰ দায়িত্ব চৰকাৰে লৈ ঋণগ্ৰস্ততা নাইকীয়া কৰিব পাৰে তেতিয়া কিছু উপকৃত হব। সেই মানুহখিনিক যদি চৰকাৰে সহায় কৰিব নোৱাৰে। আজি চিলিং আইন পাছ কৰা কেবা বছৰো হ'ল যদিও দুখীয়া খেতিয়ক সকলক মাটিৰ পৰা বঞ্চিত হৈছে। নগৰ বিলাকত হাজিৰা কৰা মানুহৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। মহাজনে সৰ্বসান্ত কৰা মানুহ বিলাক আজি হাজিৰা কৰিবৰ কাৰণে ঘূৰি ফুৰিব লগা হৈছে। এই আইনখন কাৰ্য্যকৰী কৰিব নজনাৰ ফলত এই দুৰৱস্থা হৈছে। যি সকল বনুৱাই পাচ টকা হাজিৰা নাপায় তেওঁলোকে কোৰ্টত কেচ কৰি ক'ত মাটি পাব। চৰকাৰে বেংকৰ পৰা ধাৰ দিয়াৰ কথা কৈছে। বেংকেও চাৰে বাৰটকা সুত লব। সেইক্ষেত্ৰত মানুহ জনৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা লৈছে। আমি বহুত ক্ষেত্ৰত দেখিছো ঋণগ্ৰস্ত দুখীয়া লোকৰ ঋণৰ বাবদ মাটি নিলামত গৈছে। ঋণৰ কাৰণে মদগেদৰ দৰকাৰ। যিসকলৰ মাটি নাই তেওঁলোকে কেনেকৈ ঋণ পাব। গতিকে এই ক্ষেত্ৰত এটা ব্যৱস্থা কৰিহে ৰাইজ উপকৃত হব। যিসকল লোকৰ ৩, ৮ বিঘা মাটি আছে সেইসকলে যাতে মাটি বিক্ৰি বা বন্ধক দিব নোৱাৰে তাৰ এটা ব্যৱস্থা

কৰিব লাগে। কাৰণ অভাৱৰ তাৰনাত পৰি তেওঁলোকে মাটি ভেটি বিক্ৰি কৰিছে। গতিকে এই ক্ষেত্ৰত তেওঁলোকক ৰক্ষণা-বেক্ষণ দিয়াৰ এটা ব্যৱস্থা কৰিব লাগে। গতিকে আইনৰ যিটো ফাক আছে তাক বন্ধ কৰাৰ ব্যৱস্থা নকৰিলে লাভবান নহব। চৰকাৰে সমাজবাদী আচনি লৈ যিখিনি সুবিধা দিব বুলি ভাবিছে সেইখিনি আইনখন যথাযথ ভাৱে কাৰ্য্যকৰী কৰিলেহে দিব পাৰিব এইখিনিকে কৈ সামৰণী মাৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ অভিনন্দন জনাইছো। এই কাৰণে যে অকল অসমতেই নহয়. গোটেই ভাৰতত যুগ যুগ ধৰি যি ভাবেই গ্ৰাম্য ঋণগ্ৰস্থতা যি ঋণগ্ৰস্ততাৰ কাৰণে গোটেই দেশত বিশেষ কৰি গাওঁ অঞ্চলত দৰিদ্ৰতাৰ চৰম সীমা পাইছে। আজি অৰ্থনৈতিক অবনতিৰ কথা বহুতে কৈ আছে। গাওঁ অঞ্চলত শতকৰা ৭৫ ভাগ লোক দৰিদ্ৰসীমা ৰেখাৰ তলত আছে। শতকৰা ৭৫ ভাগতকৈ বেছি লোক গাওঁ অঞ্চলত বাস কৰে। গাওঁ অঞ্চলৰ অৰ্থনৈতিক দুৰৱস্থাৰ অন্যতম প্ৰধান কাৰণ হ'ল ঋণগ্ৰস্ততা বহু বছৰ ধৰি চলি আছে। একশ দুশ বছৰ হব সেই ঋণ-গ্ৰস্ততা দুৰীকৰণ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ইয়াৰ আগতে তেনেকুৱা কোনো প্ৰচেষ্টা হোৱা নাই। মই এইটো কথা স্বীকাৰ কৰিছো যে মূল বিলখন আৰু সংশোধনী বিলখন উন্নত কৰাৰ নিশ্চয় থল আছে। সেইটো সময় বিশেষত নিশ্চয় আলোচনা হব লাগিব। মই এই কাৰণেই অভিনন্দন জনাইছো যে আজি গ্ৰাম্যঋণগ্ৰস্ততা দূৰ কৰিব নোৱাৰিলে কোনো ৰকমৰ উন্নতি, প্ৰগতিশীল কোনো ব্যৱস্থা কাৰ্য্যকৰী কৰাটো সম্ভৱপৰ নহব। বহু অৰ্থনীতিবিদ পণ্ডিতে মন্তব্য কৰিছে Indian peasant is born in debt, he lives in debt and he dies in debt.

এই অৱস্থাটোৰ পৰিবৰ্তন যদি নহয় তেনেহলে দেশখনৰ অৰ্থনৈতিক উন্নতি কেতিয়াও হব নোৱাৰে আৰু সমাজবাদৰ কথা কেতিয়াও চিন্তা কৰিব নোৱাৰো। গতিকে মূল বিলখনৰ ত্ৰুটি থকা সত্বেও আৰু উন্নত কৰাৰ থল থকা সত্বেও এই সংশোধনী বিলখনক অভিনন্দন জনাইছো। মাননীয় সদস্য কেবাগৰাকীও

সুদখোৰ মহাজন আৰু ধৰুৱাৰ ভাল সম্পৰ্কৰ কথা কৈছে। সেই দুইজনৰ সম্পৰ্ক নোহোৱা হৈ যাব। গাওঁত সৰুসুৰা মহাজন আছে। তেওঁলোকৰ লগত ভাল সম্পৰ্ক আছে। তেনেকুৱা ধৰণৰ ভাল সম্পৰ্ক সম্বন্ধে অন্ততঃ মোৰ তিক্ত অভিজ্ঞতা আছে। এই ভাল সম্পৰ্কৰ সুযোগ লৈ যুগ যুগ ধৰি মহাজন সকলে দুখীয়া ধৰুৱাক সৰ্বস্বান্ত কৰিছে সৰু-সুৰা বজাৰ বিলাকত যিসকল মহাজন থাকে সেই সকলে গাওঁ অঞ্চলত ট্ৰাইবেল আৰু অন্যান্য দুখীয়া খেতিয়ক সকলক সৰ্বস্বান্ত কৰিছে তেনেকুৱা দৃষ্টান্ত অনেক দিব পাৰো। পাচ টকাৰ বস্তু বাকি দি পেলাই বছৰৰ পিচত বছৰ খেতিয়কৰ পৰা শ শ মোন ধান আদায় কৰি সৰ্বস্বান্ত কৰাৰ দৃষ্টান্ত আছে। মহাজন আৰু ধৰুৱাৰ কেনে ধৰণৰ ভাল সম্পৰ্ক সেইটো বুজাত বেছি পলম নহব। এই আইনখন নিশ্চয় মহাজনৰ আইন নহয়, জনসাধাৰণৰ পক্ষে যোৱা আইন। এই আইনখনৰ কোনো ৰকমৰ বিৰোধিতা কৰিব নোৱাৰো। বহুতে আপত্তি কৰিছে যে গাৱঁৰ মহাজন সকলে টকা ধাৰে নিদিয়ে। দুৰ্দিনৰ সময়ত অভাৱৰ সময়ত সেই সুবিধাখিনি দি সুযোগ লয়। বহুত ৰকমে শোষণ কৰা আমি দেখিছো। মাননীয় সদস্য শ্ৰীকোমেশ্বৰ বৰা ডাঙৰীয়াই কৈছে যে চিলিং আইন পাচ কৰা হৈছে। এই আইনখন বৰ ভাল হৈছে। পিছে এটা কথা ৰায়ত সকলৰ বৰ অসুবিধা হব, মাটিৰ মহাজনৰ পৰা কত মাটি পাব, এনে ধৰণৰ কিছুমান আপত্তি ওলিয়াইছে। মাটিৰ মহাজন সকলে ৰায়ত সকলৰ শোষণ কৰাৰ যিটো পথ পাইছিল সেইটো চিৰকাল পাই থাকিব, তেনেকুৱা এটা মতলবৰ কথা এইটো কথাৰ মাজেদি ওলাই পৰিছে। খুলাখুলি ভাবে এই আইনখনৰ বিৰোধিতা নকৰে, ৰায়তী স্বত্ব আইনখনৰ বিৰোধীতা কৰা নাই কিন্তু ফাং ফোং কিছুমান কথা কৈ থাকে এই আইনখন কাৰ্য্যকৰী নহয়। ধৰুৱা সকলে ধাৰে নাপায় ইটো হব সিটো হব। আইন পাচ কৰিলে আইনৰ জৰিয়তে জনসাধাৰণৰ আৰ্থিক অবস্থাত উন্নতি হব। আমি দেখিছো কিছুমান মানুহে সমাজবাদৰ কথা কৈ থাকে, যি সকলে সমাজবাদৰ প্ৰথম পদক্ষেপত বাধাৰ সৃষ্টি কৰি আছে। ইয়াত সংশোধনী থাকিব পাৰে—অকল চিদুল কাষ্ট আৰু ট্ৰাইবচ নহয়। কিছুমান মানুহক সাঙুৰি লোৱা হোৱা নাই।

মই কৈছো সকলো মাটিহীনক, এই কথাটো লব লাগে। সময় মতে নিশ্চয়

বিবেচনা কৰিব লাগিব। কিন্তু একো নোহোৱাতকৈ যিটো হৈছে সেইটোক অভিনন্দন কৰিব নোৱাৰো নেকি, এইটো গ্ৰহন কৰিব নোৱাৰো নেকি? নিশ্চয় পাৰো। মই কৈছো এই বিলখন কাৰ্য্যকৰী হলে নিশ্চয় সুবিধা হব। অসুবিধা খিনি দূৰ কৰাৰ কাৰণে ৰাইজৰ ফালৰ পৰা শুদ্ধ ভাবে আগবাঢ়িব লাগিব। আইনখন পাচ হোৱাৰ লগে লগে নিশ্চয় অসুবিধা হব। আগত মহাজনে যি টকা ধাৰে দিছিল সেই টকা দিছিল সেই টকা দিয়া বন্ধ কৰিব। ৰোগী এজনক অপাৰেচন কৰোতে কিছুমান অসুবিধা পাব। বৈপ্লবিক পৰিবৰ্তন খুব আৰামত হৈ যাব সেইটো কথা হব নোৱাৰে। পৰিবৰ্তনৰ সময় চোৱাত অসুবিধা সহ্য কৰিব লাগিব। সমাজ তান্ত্ৰিক শোষাণ ব্যৱস্থা বন্ধ কৰাৰ লগে লগে ৰায়ত সকলো অসুবিধাৰ সম্মুখীন হব লাগিব। মামলা, উচ্ছেদিত আদি হব লাগিব। অৰ্থ নৈতিক বৈপ্লাবিক পৰিবৰ্তনৰ সময় চোৱাত কষ্ট স্বীকাৰ কৰাৰ কাৰণে জনসাধাৰণক প্ৰস্তুত থাকিব লাগিব। এইখিনিকে কৈ সামৰণি মাৰিলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— উপাধ্যক্ষ মহোদয়, আমি ভাটৌ নহয় যে যিটো শিকাই দিয়ে সেইটোকে কওঁ। কিছুমান আছে ভাটোৰ দৰে যিটো শিকাই দিয়ে সেই ধৰণে কয়। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদে মোৰ এটা কথা বেলেগ ধৰণে ব্যাখ্যা কৰিছে। সেই কাৰণে মই কবলৈ বাধ্য হৈছো এই বিলখনত আমি বিৰোধিতা কৰি কোৱা নাই। ইয়াত যিখিনি অসুবিধা হব পাৰে সেইখিনি কথা উন্মুকিয়াই দিয়া হৈছে। তেখেতে আওপকীয়া ভাবে কব খোজে যে আমি এই বিলখনৰ বিৰোধিতা কৰিছো আৰু খুদ্ৰ খেতিয়কৰ উপকাৰ হোৱাটোৰ, ঋণগ্ৰস্ততাৰ দূৰ কৰাটো বিৰোধিতা কৰিছো। আমাৰ উদ্দেশ্য হৈছে কেনেকৈ সঠিক ভাৱে কাৰ্য্যকৰী কৰি প্ৰকৃত ভাৱে ৰিলিফ দিব পাৰি সেই কথাটো উন্মুকিওৱা হৈছে। যিখিনি সমস্যাৰ সন্মুখীন হব পৰা ভাৱ হৈছে সেই কথাখিনি উল্লেখ কৰিছো।

Notwith standing anything contained in the Indian Evidence Act. 1872 or any other law for the time being in force when any transaction whether reduced to writing or not

purports to be a transfer of any property of a debtor and to which the debtor is a perty and the transaction was effected within a period of 3 years before the that of commencement of this Act, but the transaction was really in respect of debt and not for transfer of any property the deb or who is a party to the transaction may be an application filed within a period of 90 days from the date of such commencement before such autherity as may be prescribed ask for a declaration that the transaction was not a sale but a transaction in res ject of debt only and the authority may after such enquiry as may be prescribed either allow the petition making the declaration asked for fixing the principal amount of the debt or reject the application.

অভিজ্ঞতাৰ পৰা দেখা গৈছে আজি-কালি কিছুমান মডগেজডীড্ কাৰ্য্যত আছে কিন্তু সেই কথাটো লিখা নাথাকে। মাটি বন্ধকৰ ক্ষেত্ৰত প্ৰভিজন আছে।

ইয়াত এটা কথা হৈছে – That transaction will be made under the Transfer of property Act.

* Shri Syed Ahmed Ali ( Minister ) :— চাৰ, এই সম্পৰ্কে এটা মিচ আণ্ডাৰষ্টেনডিং হৈছে। মই কব খুজিছো

Notwithstanding anything contained in the Indian Evidence Act, 1872 or in any other law for the time being in force when any transaction, whether reduced to writing or not, is purported to be a transaction of debt for any particular amount but the transaction was really in respect of a debt for any other amount other than the amount mentioned in the transaction, the debtor who is a party to the transaction may by an application filled within a period of 90 days from the date of such commen- cement before such authority as may be prescribed ask for a declaration that the

transaction was for any amount other than that mentioned in the transaction and the authority may after such enquiry as may be prescribed either allow he pettion making the declaration asked for fixing the principal amount of the debt or reject the application. So under this act the authority will be appointed and he will enquire into the matter and he will decide the case. আৰু ইয়াত পৰিস্কাৰ ভাবে লিখি দিয়া আছে যে কৰ্টৰ বিচাৰৰ প্ৰয়োজন নাই। একছুয়েল ট্ৰেঞ্চফাৰ কৰিবলৈ ইয়াত এটা ৰাইট দিয়া আছে সেইটো বিচাৰ হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মাননীয় ল' মিনিষ্টাৰে যি ধৰণে বুজিছে মই সেই ধৰণে বুজা নাই। অৱশ্যে তেখেতৰ দৰে বুজাৰ শক্তিও মোৰ নাই। মই যি বুজিছো তাৰ পৰা কওঁ যে সাধাৰণভাৱে জুডিচিয়েল এক্টে সেইটো কাটে'ইল কৰিব নোৱাৰে।

শ্ৰীচৈয়দ আহমেদ আলী : (মন্ত্ৰী) :— প্ৰেচিডেন্টৰ এচেণ্ট হলে পাৰে।

* শ্ৰীবদন তালুকদাৰ :— সেই কাৰণে মই কৈছো চিভিল কৰ্টৰ আশ্ৰয় লব লগা হয়। গতিকে মই এইটো আশাহে মই ইয়াত দেখিছো যদি সেইটোৱে হয় তেন্তে মই সুখী হম। কিন্তু মই যিটো সম্ভাৱনা দেখিছো সেইটোৰ কথা উল্লেখ কৰিছোঁ। এই কথা খিনি মই আগতেই উল্লেখ কৰিছো আৰু এতিয়াও কৈছো যে এই যিবিলাক কৃষক বা শ্ৰমিক মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কৈছে যে চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ ক্ষেত্ৰতে নহয় ইয়াত সাধাৰণ শ্ৰেণীৰ মাটিহীন শ্ৰমিকো আছে যদি বিক্ৰী হয় সেইটো বন্ধ কৰাৰ কথা নাই। মই আগতেই কৈছো যে যেতিয়ালৈকে তেওঁলোকৰ কাৰণে বিকল্প ব্যৱস্থা নহয় তেতিয়ালৈকে তেওঁলোক এই আইনখনৰ দ্বাৰা উপকৃত নহয়। কাৰণ যিবিলাক মাটিহীন কৃষক বা যিবিলাক মাৰ্জিনেল ফাৰ্মাৰ আছে তেওঁলোকৰ যিখিনি মাটি আছে সেইখিনিও কম মূল্যতে বিক্ৰী কৰিব লগা হব। এই কথাটো মই আবেগত কোৱা নাই। ব্যক্তিগত অভিজ্ঞতাৰ পৰাহে কৈছোঁ।

*Speech is not Corrected.

বিপদত পৰি কম মূল্যত মই নিজেই মাটি বিক্ৰী কৰিব লগা হৈছে। যেতিয়া মানুহ বিপদত পৰে আইনৰ কথালৈ চিন্তা কৰিবলৈ সময় নাথাকে। অকল কিছুমান লোকৰে নহয় গোটেই ৰাজ্যখনতে কিছুমান দুৰ্ভগীয়া মানুহে মাটি বিক্ৰী কৰিব লগা হৈছে। এই আইনখনত ব্যৱস্থা থাকিলেই নহয় কেনেকৈ কাৰ্য্যকৰী কৰিব পৰা যায় সেইটোহে চাব লাগে। মই আগতেই কৈছো মই এই আইনৰ বিৰোধিতা কৰা নাই আৰু আপত্তিও কৰা নাই। কিন্তু কাৰ্য্যকৰী ব্যৱস্থা নোহোৱা কাৰণেহে বেয়া পাইছো। এই আইনখনত যিটো কথা প্ৰকাশ কৰা হব সেই ভাষাটো তেওঁলোকে নাজানে। বাতৰি কাকতত আইনখনে পাচ হোৱা বুলি ওলাব। কিন্তু তাত কি আছে তেওঁলোকে নাজানিব। গেজেটত ইংৰাজী ভাষাত এটা কপি ওলাব সেই কাৰণে কৃষক বনুৱা আৰু শ্ৰমিকে বুজিব পৰা মাতৃভাষাত ইয়াক প্ৰকাশ কৰিব লাগে আৰু ইয়াৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতি সন্মুখীন হবলৈ চেষ্টা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

* গজেন তাঁতী (মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, সংশোধনী বিলখন উংথাপন কৰি মাননীয় সদস্য সকলে বিশেষকৈ এটা কথাৰ ওপৰত জোৰ দিছে। এই আইনখন পাছ কৰিলে দুখীয়া জনসাধাৰণক ঋণমুক্ত নহব বুলি তেওঁলোকে ভয় কৰিছে আৰু ইয়াৰ এটা বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিছে।

অধ্যক্ষ মহোদয়, কেনেকৈ গাৱঁলীয়া মানুহক ঋণমুক্ত কৰিব পৰা যায় এই বিষয়লৈ চৰকাৰ সদায় সজাগ। কিছুমান মাটিৰ মহাজনে সৰহীয়া সুত দি টকা পইচা ধাৰলৈ দিয়ে। এইদৰে যাতে গৰীব জনসাধাৰণে টকা ধাৰে লব নোৱাৰে তাৰ এটা বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু সেইবিলাক সময়মতে মাননীয় সদস্য সকলক জানিবলৈ দিম। আমাৰ শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই এটা কথা ইয়াৰ আগতে কৈছিল যে চেণ্ট্ৰেল ষ্টেৰ লগত ইয়াৰ কনফ্লিক্ট হব। তাৰ ব্যাখ্যা ল' মিনিষ্টাৰে দিছেই।

(উপাধ্যক্ষই আসন লয়)

উপাধ্যক্ষ মহোদয়, সাধাৰণতে এই বিল বিলাক পাচ কৰাৰ আগতে চেণ্ট্ৰেল গভৰ্নমেণ্টৰ পৰা আগতীয়াকৈ অনুমতি লাগে। এই বিল খনৰ ক্ষেত্ৰতো অনু-মতি লোৱা হৈছে আৰু ৰাষ্ট্ৰপতিয়েও এটা এচেণ্ট দিছে। মাননীয় সদস্য তালুকদাৰ ডাঙৰীয়াই ভয় কৰাৰ দৰে ইয়াত ভয়ৰ কোনো কাৰণ নাই। আমাৰ মাননীয় সদস্যসকলে যি পৰামৰ্শ দিছে তাৰ বাবে ধন্যবাদ জনাই মই সেই বিলখন পাছ কৰাত সহায় কৰিব বুলি আশা ৰাখিলোঁ।

Mr. Deputy Speaker : I put the motion. The motion is that the asssam Rural Indebtedness Relief ( Amendment ) Bill, 1976 be passed.
( The motion is passed ; the Bill is passed ) Now, before item No. 7 is started, there is a message from the Governor.

RAJ BHAWAN

Shillong, the February, 1976

Under the provision of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam reco–mmend that the Assam Contingency Fund (Augmentation of Corpus) Bill, 1976 be taken into consideration by the Assam Legislative Assembly.

Sd/ LALLAN PRASAD SINGH,
Governor of Assam.

Shri Sarat Chandra Sinha, ( Cheif Ministar, : Sir, I beg to move that the Assam Contingency Fund ( Augmentation of Corpus ) Bill, 1976, be taken into consideration.

* শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :— মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলৰ জৰিয়তে ১৯৫০ চনত ৩৫ লাখ টকা ১৯৭০ চনত ২ কোটি টকা আৰু এই বছৰ ৫

কোটিলৈ বঢ়াই দিবলৈ বিল আনিছে। আমি বেছিকৈ টকা দিয়াত আপত্তি নাই কাৰণ চেণ্ট্ৰেলী স্পনচৰদ যেতিয়া টকাৰ দৰ্কাৰ হব। কিন্তু আকস্মিক দুৰ্ঘটনা বুলি আমি যিমান টকা সময়ে সময়ে দিও আজি হঠাত এটা ঘৰ পুৰিলে মাত্ৰ ২৫ টকা দিয়ে কিন্তু ২৫ টকাৰে জানো আজিৰ যুগত কিবা এটা কৰিব পাৰি? আজি চৰকাৰে যি সময়ত প্ৰগতিশীল মনোভাব লৈ কাম কৰিবলৈ ওলাইছে সেই সময়ত এই যিটো পুৰণা পদ্ধতি ২৫ টকাৰ সেইটো পৰিবৰ্ত্তন কৰা নিতান্ত দৰ্কাৰ আনহাতে এই ২৫ টকা আনিবলৈ মানুহজন দূৰৰ পৰা অহা যোৱা কৰোতে ১৫ টকামান খৰছেই হয়। আমি দেখিবলৈ পাইছো এই আনফৰচিন খৰছটোৰ কিছুমান লুফলৰ সুযোগ লৈ কিছুমানে নানা ধৰণে খৰছ কৰে। গতিকে ইয়াৰ এটা ষ্ট্ৰং চেকিং হব লাগে। মই এটা উদাহৰণ দিছো। অলপতে ধুবুৰীত এজন মানুহৰ ঘৰত জুই জলিল তেওঁ টকাও পালে কিন্তু গোলকগঞ্জ এম ই স্কুলখন জলা এমাহমানেই হ'ল আৰু চৰকাৰী হিচাবে কাৰ ক্ষয়ক্ষতিৰ হিচাবো ৫০ হাজাৰ টকা ধৰিলে কিন্তু আজিলৈ টকা নাপালে। অথচ এই বিধান সভাত বিত্ত মন্ত্ৰী তথা আপুনিও থাকোতে আশ্বাস দিলে, আজিলৈ হলে টকা নাপালে কিন্তু ব্যক্তিগত মানুহজনে পালে। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যাতে ৰাজহুৱা অনুষ্ঠানবিলাকত এই লেহেম গতি নহয়। আনহাতে এই যিটো আনফৰচিন চেণ্ট্ৰেলী স্পনচৰদ আচনি তাত টকা দিয়াত আপত্তি কৰা নাই কিন্তু যাতে ভাল চেকিং হয় তাৰ বাবে অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰাঃ— মাননীয় উপাধ্যক্ষ মহোদয় এই ১৯৭৬ চনৰ অসম সান্তাব্য নিধি (পৰিমাণ বৰ্দ্ধক) বিলখনত যি বিধি ব্যৱস্থাৰে টকা বিচাৰিছে সেই বিধি ব্যৱস্থাত আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই অৱশ্যে টকা বেছি দিম বুলিয়ে কৈছে কিন্তু বেছি বা কম দিয়াৰ কথা নহয়। আৱশ্যক হলে বেছি দিয়ক আৰু কেতিয়াবা ৰাহিও হব লাগে। প্ৰাকৃতিক দুৰ্যোগ কেতিয়া আহে ঠিক নাই কিন্তু এই ব্যৱস্থাৰে টকা ৰখাত অলপ আপত্তি কৰিছো। সিদিনা বাজেট পাচ কৰিলে মাথোন, বাজেটৰ মূল শিতানত এই শিতান কেইটা

আছে আৰু দৰ্কাৰ হলে সিদিনাই লব লাগিছিল নিৰ্দিষ্ট শিতানত। কিন্তু তাকে নকৰি এই ধৰণে টকা বিলাক খৰছ কৰিলে অনিয়ম হয় আৰু এই অনিয়ম খৰছৰ আতিগুৰি উলিওৱা টান হয়। বানপানী যেতিয়া আহে আৰু তাক যেতিয়া ভেটিব নোৱাৰেই তেতিয়া মঠাউৰী ভাঙিব পাৰে এই কথা সকলোৱে জানে কিন্তু জানিও মাননীয় মন্ত্ৰীসকলৰ ওপৰলৈ এচামে লৰ মাৰে আৰু মন্ত্ৰী সকলেও লগত মিলিটাৰী লৈ নতুবা শশৰীৰে যায় আৰু চায়গৈ, কিন্তু সকলোৱে জানে মন্ত্ৰীয়ে বানপানী প্ৰতিৰোধ কৰিব নোৱাৰে। কিন্তু তথাপি নিয়ে কিয়? —তেওঁলোকে জানে যে মন্ত্ৰীসকল গৈ হয়তো বস্তা পেলাবলৈ দিব আৰু সেই ঠিকাটোকে তেওঁ পাব আৰু কিছুমানে তজবিজ কৰে ৰাজনীতিত তেওঁলোকৰ উদ্দেশ্যৰ কিবা সহায় হব বুলি। কিছুমানে সেই কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰে যে যোৱাবাৰ বানপানী নহ'ল—এইবাৰ যাতে আহে আৰু এইটো স্বভাবেই হৈ পৰিছে। এই ধৰণে পাচত জেং জাবৰ বহুত দিয়ে কিন্তু মঠাউৰী ভেটিব নোৱাৰে। এইটোৱে হৈছে অৱস্থা—উদাহৰণ স্বৰূপে আমাৰ দেশত গন্দগোল হৈ যোৱাৰ পাচত উপাযুক্ত আহিব, মন্ত্ৰী সকলো যাব আৰু সভাপতি আদি গৈ পিচ কমিটি কৰে অথচ গন্দগোল হোৱাৰ পাচত পিচ কমিটিৰ আৱশ্যক নাই। ঠিক সেই ধৰণেই এই কাম বিলাকৰো ঠিকা ঠাকুলি কৰে চাৰিভাগৰ এভাগ খৰহ কৰে কিন্তু বিলখন হলে গেটেই টকাৰে পাচ কৰে। গতিকে মই ভাবো নিৰ্দ্দিষ্ট আচনিত টকা খৰছ কৰা ভাল হব।

গুৱাহাটী নগৰত কৰবাত জুই লাগিলে, কিবা হল নগৰীয়া মানুহ কাৰণে খবৰ কাগজত ফটো ওলালে—কি ধৰণে কেনেকৈ জুই জলিল ফটো আদিও ওলোৱা ইত্যাদি বেলেগ কথা কিন্তু গাৱঁৰ মানুহে সামান্যতম সাহায্য পাবলৈ হলেও অন্ততঃ পচিশ টকা পাওঁতে বিশ টকা খৰচ হয় বা তাতোকৈও বেছি কেতিয়াবা পচিশ টকাই খৰচ হয়। সেই সকলক সৰহ সাহায্য দিব পাৰিলে ভাল। এই টকাবোৰ ঠিক ভাৱে দিয়া হৈছে নে কিবা তোষনৰ ফলত খৰচ হৈছে এইটো চাবলগীয়া কথা আৰু সেই ধৰণে বহুত ঠিকা ঠুকুলি কৰাৰ নামতো মই নিজেই এনেকুৱা ধৰণৰ বহুত লোক পাইছো। ইফালে ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি আছে—

মথাউৰিৰ মাপ জোখ হোৱাই নাই কিন্তু বিল পালেই। এবাৰ বিভাগীয় মন্ত্ৰী গৈ কিবা কাৰণত বোকাখাট ডাক বঙলাত বহি আছে। ঠিকাদাৰ সকলো আৰু ইঞ্জিনীয়াৰসকলো তাত বহি আছে। তেনেকুৱাতে সেই ডাকবঙলাত সোমালো। আলোচনাত জানিলো যে লাগিলে যে চাৰ, কাম সম্পূৰ্ণ হৈয়েই আছে, বিলখন কেৱল পোৱাৰ কাৰণে নিৰ্দ্দেশ দিব লাগে। সকলো কাম যদিও সম্পূৰ্ণ হোৱাও নাছিল ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি আছে গতিকে মথাউৰি সম্পূৰ্ণ নহলেও বিল লাগে। এনেকুৱা ঘটনাও ঘটিছে যে ব্ৰহ্মপুত্ৰৰ আধাবন্ধা মথাউৰি ৰাতি বিয়লি খাণ্ডি কুড়ি দিলে আৰু মথাউৰি ভাঙি গ'ল আৰু ঠিকাদাসকলৰ সুবিধা ওলাল। এনেকুৱাকৈয়ে সুবিধা পায়। নিৰ্দ্দিষ্ট ভাৱে কাম হব লাগে সেই কাৰণেই মই কৈছো। বানপানী হলেও যাতে জেং জাবৰ আদিৰে অপব্যয় কৰা নহয় দুখীয়া মানুহৰ যি সকলে কোনো ৰকমে জা-জোগাৰ কৰিব নোৱাৰে সেই সকলৰ কাৰণে যাতে সুবিধা হয়, সেই সকলে যাতে সুবিধা পায় সেইটো কথা চাব লাগে। উপাধ্যক্ষ মহোদয়, বেছি কথা কব খোজা নাই, ইমানতে সামৰিছো।

* শ্ৰীনগেন বৰুৱা ঃ—উপাধ্যক্ষ মহোদয়, অসম ভবিষ্যনিধি বিলখনৰ বিবেচনাৰ কালত দুটামান কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে আমাৰ মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই কৈছে যে এই ভবিষ্যনিধি যেতিয়া চৰকাৰৰ আছে এই নিধি শক্তিশালী হওক আমাৰ আপত্তি নাই। কিন্তু এই নিধিৰ ৰূপত বাজেটত বেলেগ বেলেগ শিতানত বিভিন্ন শিতানত আমাৰ টকা ধৰা আছে আৰু সেইবিলাক খা-খৰচ আৰু তাৰ পৰা টকা বিভিন্ন বিভাগৰ পৰা খৰচ কৰাৰ বিধি বিধান মনা হয় কিন্তু এই ভবিষ্য নিধিৰ টকাখিনি খৰচ কৰা সম্পৰ্কত আমি গতানুগতিক ভাবে যিবিলাক চৰকাৰী বিধি ব্যৱস্থা আছে সেই বিলাকৰ পৰা তেনে নেদেখো এইটো আপত্তি কৰিবলগীয়া কথা। আমাৰ এই নিধিৰ প্ৰয়োজন হয় হঠাতে যেনে মন্ত্ৰী সভাৰ পৰিসৰ বৃদ্ধি কৰা হলে বা তেখেতসকলৰ খা-খৰচৰ সম্পৰ্কত টকাৰ প্ৰয়োজন হলে তেতিয়া সাধাৰণ ভাৱে

* Specch not Conected

যিখিনি টকা যি সাধাৰণ শিতানত যিটো টকা থাকে সেইটোৰে নোজোৰে কাৰণে এইটো নিধিৰ ওপৰত হাত দিবলগীয়া হয়। তেনেকুৱা কাৰণতেই এই নিধি ব্যৱহাৰ হয়। সেই কাৰণে আমাৰ দুখীয়া মানুহ খিনিৰ কাৰণে টকা সেইখিনি ব্যয় কৰিবলৈ বিধানসভাত যি বাজেট ব্যৱস্থা আছে যিবিলাক আইন শৃংখলাৰ বিধি বিধান আছে সেইবিলাক নিয়াৰিকৈ মানি চলিলেও আমাৰ বহুত সময়ত টকা পইচাৰ অপচয় আৰু অপব্যয় হয় আৰু সেইখিনি অপব্যয় আৰু অপচয় হলেও যি কোনো হে যোৱা প্ৰাকৃতিক দুযোগ বা অন্যান্য ক্ষেত্ৰত এই টকা যদিও ব্যৱহাৰ কৰা হয় আচলতে আচল সময়ত প্ৰয়োজন হোৱাতকৈ অপব্যয় হয় বেছি। সেই কাৰণে চৰকাৰ এই বিষয়ত সতৰ্ক যাতে হয়, অন্যান্য শিতান-সমূহৰ পৰা টকা খৰচ কৰাৰ ক্ষেত্ৰত যি ধৰণৰ বিধি আদি মানি চলা হয় তেনেকৈ মানি চলিলে দুখীয়া মানুহ আৰু ঋণগ্ৰস্ত মানুহ বিলাকৰ আৰু আকস্মিক ভাৱে দুৰ্যোগৰ সন্মুখীন হোৱা মানুহবিলাকৰ সহায় কৰাত এই নিধিয়ে প্ৰয়োজনীয়তা পুৰাব। তেনেকৈ ফায়াৰ ভিক্টিম বা অগ্নি বা জুই লাগি সাধাৰণ মানুহৰ যেতিয়া দুৰৱস্থা হয় এই টকাটো বৃদ্ধি কৰাৰ কাৰণে দুবছৰৰ আগতেও বিধান সভাত আলোচনা হৈছিল যে প্ৰতি পৰিয়ালক জুই লগাৰ বা জুয়ে পোৰাৰ কাৰণে বা তেনে দুযোগত পৰে সেইটো পচিশ টকাকৈ দিয়া পুৰণা নীতি এইটো বৃদ্ধি কৰিব লাগে। আগৰ জন ৰাজহ মন্ত্ৰীয়ে কৈছিল কিন্তু আজিও সেইটো বৰ্দ্ধিত নহল আৰু ৰাইজে এতিয়াও বৰ্দ্ধিত হাৰত পোৱা নাই। গতিকে এই নিধিটো যাতে এটা সমান হাৰত ৰাইজৰ মাজত দিয়া হয় আৰু যাতে সময়ে সময়ে এই নিধিৰ টকা পইচাৰ হিচাব আদি ৰাইজ বা বিধানসভাৰ অগ্ৰগতিৰ কাৰণে দিয়া হয়, সেইটো কৰা দৰকাৰ। আৰু সেই হিচাব মতে যিখিনি অভাৱ অভিযোগ সময়ত হয় সেইটোও যাতে জানিব পৰা হয়। বানপানী অহাৰ সময়ত প্ৰতি পৰিয়ালক যিভাৱে দিবলগীয়া হয় সেইটোত যাতে কাপৰ্ণ্য কৰা নহয় সেইখিনি কথা আগত ৰাখি এইখিনি কথা পৰামৰ্শ আগবঢ়াইছে আৰু এই কথাৰ প্ৰতি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয়, কন্‌টিন্‌জেন্সি ফাণ্ড

সম্বন্ধে বুজি পোৱাত এটা ভুল ধাৰণাৰ সৃষ্টি হৈছে। এই কন্‌টিন্‌জেন্সি ফাণ্ড হঠাতে কিবা দুৰ্ঘটনা হলে সেই দুৰ্ঘটনাত সহায় কৰিবলৈ দিয়া টকাৰ কথা ইয়াত নাই। ঘৰ পোৰাৰ কথা, বানপানী হোৱাৰ কথা এই বিলাক কথা এই কন্‌টিন্‌জেন্সি ফাণ্ডত নাই। কন্‌টিন্‌জেন্সি ফাণ্ড হৈছে যে বাজেটত যিবিলাক ব্যৱস্থা কৰা হয় সেই ব্যৱস্থাৰ যদি অধিক টকা খৰচ কৰিবলগীয়া প্ৰয়োজন হয় বা কোনো ক্ষেত্ৰত যদি বাজেটত টকাৰ ব্যৱস্থা নাথাকে তাত খৰচ কৰিবলগীয়া হয় সেই খৰচ কৰিবৰ কাৰণে কন্‌টিন্‌জেন্সি ফাণ্ড এটাৰ দৰকাৰ হয় ইয়াৰ পৰা ততকালে খৰচ কৰাৰ পৰা এইটো কথা নহয় যে কন্‌টিন্‌জেন্সি ফাণ্ডৰ পৰা যেনি তেনি টকা খৰচ কৰিব পাৰি। বিধান সভাৰ অনুমতি ব্যাতিৰেকে চৰকাৰে এটা পইচাও খৰচ কৰিব নোৱাৰে আৰু চৰকাৰে এটা পইচা খৰচ কৰিবলৈও বিধান সভাৰ পৰা অনুমতি লব লাগে। বিধানসভাৰ অনুমতি ব্যাতিৰেপে খৰচ কৰিব নোৱাৰে কাৰণেই এই কন্‌টিন্‌জেন্সি ফাণ্ডৰ ব্যৱস্থা কৰি ৰখা হৈছে যদিও তেনেকুৱা অৱস্থাৰ সৃষ্টি হয় যেতিয়া বিধান সভাই দিয়া অনুমতিৰ পিচতো বেছি টকা খৰচ কৰিবলগীয়া দৰকাৰ হয় তেতিয়া কন্‌টিন্‌জেন্সি ফাণ্ডৰ পৰা খৰচ কৰা হয় আৰু খৰচ কৰাৰ পিচতো চৰকাৰে চাপ্লিমেণ্টৰি ডিমাণ্ড হিচাবে বিধান সভাত আগত উত্থাপন কৰিব লাগে আৰু বিধান সভাত তেতিয়া অনুমতি দিলে সেই টকাটো গৃহীত হয় আৰু সেই টকা তেতিয়া মঞ্জুৰ হোৱাৰ পিচত কন্‌চলিডেটেড ফাণ্ডৰ পৰা বিধান সভাৰ অনুমতি ক্ৰমে এইটো টকা আনি কন্‌টিন্‌জেন্সি ফাণ্ডত পুনৰ ঘুৰাই দিয়া হয়।

মহোদয়, বিধান সভাই অনুমতি দিলেই সেই টকাটো গৃহীত হয় আৰু তেতিয়া সেই টকাটো মঞ্জুৰী হোৱাৰ পিছত 'কনছলিডেটেড্ ফাণ্ড'ৰ পৰা বিধান সভাৰ অনুমতি ক্ৰমে সেই টকাটো আনি 'কনছলিডেটেড্ ফাণ্ড'ৰ সেই টকাটো পুনৰ ঘূৰাই দিয়া হয়। 'কনছলিডিটেড্ ফাণ্ড'টো প্ৰকৃতপক্ষ্যে এনেকুৱা এটা 'ফাণ্ড' যিটো 'ফাণ্ড'ৰ এনেকুৱা যে, অতিৰিক্ত টকা খৰছ কৰিবলগীয়া হলে তাৰ পৰা বিধান সভাৰ অনুমতি নোলোৱাকৈয়ে লবপৰা হয় কিন্তু যেতিয়া খৰছ কৰিবলগীয়া হয় তেতিয়া সেই টকাটো ধাৰ কৰি অনা হয়। খৰছ কৰাৰ পিছত বিধান সভাৰ

মঞ্জুৰী হোৱাৰ পিছত বিধান সভাৰ মঞ্জুৰী সাপেক্ষে যিটো টকা উলিয়াই অনা হয় সেই টকাটো পৰিশোধ কৰা নহয়। আজি যিটো অতিৰিক্ত টকা বিছৰা হৈছে সেইটো ধৰিলে আগৰ টকাৰ সৈতে ৫ কোটি টকা হব। বিধান সভাত গ্ৰহণ কৰাৰ পিছত যি টকা বৰাদ্দ কৰা হয় তাতকৈ বেছি টকা খৰছ কৰিবলগীয়া হলে আৰু বৰাদ্দ নকৰাকৈ কোনো টকা হঠাৎ খৰছ কৰিবলগীয়া হলে কৰপৰা সেই টকা আনিব ? কেৱাঁ-মাৰোৱাৰীৰ পৰাতো ধাৰ কৰিব নোৱাৰি। তেতিয়া 'কনছলিডেটেড ফাণ্ড'ৰ পৰা টকাটো 'চাপ্লিমেণ্টেৰী ডিমাণ্ড হিচাবে আনিব পাৰি। আকৌ 'কনছলিডেটেড ফাণ্ড'ত জমা থব। এইকামটো কৰিবৰ কাৰণে আগতে যেতিয়া খৰছ কম আছিল, আচঁনি কম আছিল, বাজেটত সেই অনুপাতে টকা কম আছিল। তেতিয়া ৩৫ লাখ টকাৰেই 'কনছলিডেটেড ফাণ্ডৰ কথাটো চলিছিল। পৰৱৰ্ত্তী কালত খৰছৰমাত্ৰা বাঢ়ি গল' আচঁনিও বেছি হল আৰু পৰিকল্পনাৰ পৰিসৰো বেছি হল। তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ পৰা বহু টকা পাবলৈ আৰম্ভ কৰিছো। তেতিয়া, এই 'ফাণ্ড'টো লাহে লাহে বঢ়াবলগীয়া হল। বঢ়াই দুই কোটি টকা কৰা হল। এতিয়া দুই কোটিৰেও নহয়। গতিকেই পাছ কোটি কৰিবলগীয়া হল। সেইকাৰণেই অতিৰিক্ত তিনিকোটি টকাৰ অনুমতি বিছৰা হৈছে। বিধান সভাই জানে যে, ইয়াৰ আগতে 'টেম্পৰেৰিলি' আনিব লগীয়া হয়। যোৱাবছৰ ১০ কোটি টকাৰ 'কনছলিডেটেড ফাণ্ড' কৰা হৈছিল। সেই ধৰণে টকাটো 'কনছলিডেটেড ফাণ্ড'ৰ পৰা উইদ্ৰ কৰি খৰছ কৰে। 'চাপ্লিমেণ্টেৰী ডিমাণ্ড' হিচাবে উৎথাপন কৰি বাজেটত মঞ্জুৰী কৰাৰ পিছত সেইটো 'কনছলিডেটেড ফাণ্ড'ক দি এই গোটেই খিনি প্ৰক্ৰিয়া কৰিবৰ কাৰণে ৩৫ লাখ টকাৰে নুজুৰে। সেইকাৰণে দুইকোটি টকা কৰা হৈছিল কিন্তু এতিয়া সেইটোৰেও নাটে। গতিকে অস্থায়ী ভাৱে ১০ কোটি টকাৰ 'কনছলি-ডেটেড ফাণ্ড' বঢ়াই লোৱা হৈছে। সেইকাৰণেই পাচঁ কোটি কৰিবলৈ অতিৰিক্ত তিনিকোটি বিছৰা হৈছে আৰু এটা কথা হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি টকা পোৱা হব সেই টকা বাজেট তৈয়াৰ কৰি কিমান টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হব সেইটো থিক কৰিব নোৱাৰি।

শ্ৰীসোনেশ্বৰ বৰা ঃ— ফটা কাপোৰ যিমানেই চিলাওক তাৰেতো গা-ঢাকিব নোৱাৰি।

* শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) এইটো চোলাফটা কথা নহয়, সাংবিধানিক ভাৱে গণতান্ত্ৰিক ব্যৱস্থা চলোৱাৰ পদ্ধতিহে। ৰিজাৰ্ভ ফাণ্ডৰ নিছিনা এই ফাণ্ডটো দৰ্কাৰ হলেই লব পাৰি। বাজেট তৈয়াৰ কৰিলেও কেন্দ্ৰীয় চৰকাৰৰ বাজেটত সেই টকাটো অন্তৰ্ভুক্ত নহয়। বাজেট হোৱাৰ পিছতো কেন্দ্ৰীয় চৰকাৰৰ টকা আছে। এই টকাটোৰ বেলিকাও বিধান সভাৰ অনুমতি লাগিব। গতিকেই সেই টকাটো খৰছ কৰিবলগীয়া হলে 'কনছলিডেটেড ফাণ্ড'ৰ পৰা আনিহে সেই টকাটো খৰচ কৰিব পাৰি। 'কনছলিডেটেড ফাণ্ড'ৰ খৰছ কৰা টকাটো বিধান সভাত 'চাপ্লিমেণ্টেৰী ডিমাণ্ড' হিচাবে উৎথাপন কৰিব লাগিব। বিধান সভাত অনুমতি ব্যতিৰেকে চৰকাৰে এটা পইছাও খৰছ কৰিব নোৱাৰে। 'কনছলিডেটেড ফাণ্ড' থকাৰ কাৰণেই 'চাপ্লিমেণ্টেৰী ডিমাণ্ড' অনাটো সম্ভৱপৰ হয়। প্ৰত্যেক বছৰেই 'চাপ্লিমেণ্টেৰী ডিমাণ্ড' যিমানে আহে বা বাঢ়ে 'কনছলিডেটেড্ ফাণ্ড'ৰো তিমানেই দৰ্কাৰ হয়। বহুতো ডাঙৰ ডাঙৰ আঁচনি হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা বহুতো হিচাব আহি আছে। সেইকাৰণেই এই 'ফাণ্ডটো' ডাঙৰ হব লাগে আৰু তাৰ কাৰণেই পাছকোটি কৰিবৰ কাৰণে আগৰ দুইকোটিৰ লগত আৰু অতিৰিক্ত তিনিকোটি টকা বিছৰা হৈছে।

শ্ৰীনগেন বৰুৱা ঃ–মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে 'চাপ্লিমেণ্টেৰী ডিমাণ্ড' হিচাবে যিমান টকা আহিব লাগে বা আহে সেই-বিলাক 'কনছলিডেটেড্' ফাণ্ডৰ পৰাই আহে। কিন্তু কনছলিডেটেড্ ফাণ্ডৰ টকাটো 'চাপ্লিমেণ্টেৰী ডিমাণ্ডত' যিমান টকা বিছৰা হয় তাতকৈ বহুত কম দেখা যায়। এইটো কেনেকৈ হয়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, কথাটো মই ভালদৰে মাননীয় সদস্য সকলক বুজাবহে পৰা নাই।

শ্ৰীসোনেশ্বৰ বৰা ঃ- যোৱাবাৰৰ দুইকোটি টকাৰ ঠাইত এইবাৰ কেনেকৈ ইমান কোটি টকা হ'ল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) সেইটো অস্থায়ী ভাবেহে। এতিয়ালৈকে দুই কোটি টকা আছে। কিন্তু দেখা যায় যে, এই দুইকোটিৰে নহয় সেই কাৰণে 'টেম্পৰাৰী হিচাবে' ১০ কোটি যোৱা বছৰ কৰা হৈছে। 'টেম্পৰেৰী কন্‌ছলিডেটেড ফাণ্ড' কৰি চাপ্লিমেণ্টেৰী ডিমাণ্ড মিট কৰি থকা হৈছে। এই পাছ কোটি টকা স্থায়ী হব। তথাপিও টেম্পৰেৰী ব্যৱস্থা কৰিব লাগিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ— এই টকাবিলাকৰ যাতে সৎ ব্যৱহাৰ কৰিব পাৰি তাৰ কাৰণে টকাটো চাই চিন্তি খৰছ কৰিব লাগে যাতে তাৰ দ্বাৰা আমাৰ দেশৰ লাভ হয়।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) এই খৰছ যথোপযুক্ত হয়নে নহয় সেইটো বিধান সভাত ভাঙি ধৰা হব।

Mr. Deputy Speaker : I put the motion. "The Assam contingency Fund ( Augmentation of Corpus ) Bill, 1976, be taken into consideration."

.. :::the motion is passed::::::

Shri Sarat Chandra Sinha ( Chief Minister ) :
Sir, I beg to move that the Assam Contingency Fund (Augmentation of Corpus ) Bill, 1976, be passed.

Mr. Deputy Speaker : The motion is that "The Assam Contingency Fund ( Augmentaion of Corpus ) Bill, 1976, be passed.

........ the motion is passed. The bill is passed.

* শ্ৰীনগেন বৰুৱাঃ—অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৪৯ নং নিয়ম অনুসৰি ১৯৭৬ চনৰ ৯ মাৰ্চ তাৰিখে শ্ৰীসোনেশ্বৰ বৰাই যোৱা ২৫৩ নং তাৰাংকিত প্ৰশ্নোত্তৰত উদ্ভৱ হোৱা 'অৰ্থ মঞ্জুৰী' বিষয়টোৰ সম্পৰ্কে এটি আলোচনা উত্থাপন কৰিলো। এই প্ৰশ্নৰ অৱতাৰণাৰ সময়ত মই কেৱাবাৰো কৈ আহিছো –সিদিনা সদনত মাননীয় সমাজ কল্যাণ মন্ত্ৰী ডাঙৰীয়াই আৰ্থিক মঞ্জুৰীৰ শিতানত প্ৰশ্নোত্তৰত কৈছিল আৰু এই সংক্ৰান্তত কিছুমান তথ্য-পাতি ডাঙি ধৰিছিল সেই তথ্য পাতিৰ ওপৰত মাননীয় সদস্য সকলৰ এটা ধাৰণা সৃষ্টি হৈছিল যে অসমৰ অনুসূচীত জাতি আৰু জনজাতি আৰু পিছপৰা সম্প্ৰদায় সকলৰ কাৰণে যি খিনি টকা-পইচা খৰচ কৰা হৈছে সেই টকা-পইচাৰ ক্ষেত্ৰত যিবিলাক আঁচনি প্ৰস্তুত কৰা হৈছে সেই সম্পৰ্কত এটা ভাল আলোচনা হোৱাতো উচিত বিবেচনা কৰি এই প্ৰশ্নোত্তৰত পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই এটা হিচাব দিছিল ১৯৭১।৭২ চনৰ পৰা ১৯৭৪।৭৫ চনলৈকে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ ৰাজ্যিক পৰিকল্পনা খণ্ডৰ অন্তৰ্ভূক্ত 'অনুন্নত জাতি' সমূহৰ কল্যাণ আঁচনি ক্ষেত্ৰত বিভিন্ন অনুন্নত জাতি গোষ্ঠিৰ কল্যাণ আঁচনিৰ কৰা বা দিয়া আঁচনিৰ বাবে দিয়া অৰ্থ মঞ্জুৰী দিয়াৰ এটা হিচাব দিয়া মতে—১৯৭১ ৭২ চনত— ৫৩.৭৮ টকা, ১৯৭২।৭৩ চনত ৪৪.৭৫ টকা ১৯৭৩।৭৪ চনত ৫০.৯৬ টকা আৰু ১৯৭৪।৭৫ চনত – ৩৪.০০ টকা। আৰু (২) অনুসূচিত জাতিৰ নামত—১৯৭১ ৭২ চনত—২২.৮০ টকা, ১৯৭২।৭৩ চনত ২০.৫০ টকা আৰু ৯৭৩।৭৪ চনত ২৪.০২ টকা আৰু ১৯৭৪।৭৫ চনত ১৬.৮০ টকা। অন্যান্য পিছপৰা জাতি সমূহৰ কল্যাণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক মঞ্জুৰী আহে—১৯৭১।৭২ চনত ১৫.৬০ টকা, ১৯৭২।৭৩— ১৭.৩৪ টকা, ১৯৭৩।৭৪ চনত – ১৮,১২ টকা আৰু ১৯৭৪।৭৫ চনত—১২,৭৭ টকা। কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠ পোষকতা কৰা আঁচনি যোৱা ৪ বছৰত কেন্দ্ৰীয় চৰকাৰে দিয়া অৰ্থ মঞ্জুৰী হিচাব তলত দিয়া মতে, অনুন্নত জাতি গোষ্ঠিৰ কাৰণে – ১৯৭২।৭৩ চনত ১২.০০ টকা ১৯৭৩।৭৪ চনত ৯,৪৫ টকা, ১৯৭৪।৭৫ চনত ৫.২৫ টকা আৰু ১৯৭৫।৭৬ চনত ২২.৪৫ টকা আৰু অনুসূচিত জনজাতি পৰ্ব্বতিয়াৰ কাৰণে ১৯৭২।৭৩ চনত ১২.১০ টকা ১৯৭৩।৭৪ চনত ১১.৪৫ টকা, ১৯।৭৪ ৭৫ চনত ১৬.৫০ আৰু

১৯৭৫ ৭৬ চনত ২.১০ টকা আৰু ভৈয়াম বাসীৰ কাৰণে— ১৯৭২।৭৩ — ১৪.৩০ টকা ১৯৭৩।৭৪ চনত ১০.৭৩ টকা ১৯৭৪।৭৫ চনত—২০.০২ টকা আৰু ১৯৭৫।৭৬ চনত—২২.৯০ টকাকৈ তাৰ উপৰিও ৰাজ্যিক পৰিকল্পনা খণ্ডৰ অন্তৰ্ভূক্ত অনুন্নত জাতিসমূহৰ কল্যাণৰ—আঁচনিৰ বাবে পঞ্চম পৰিকল্পনাৰ কালছোৱাত মুঠ ৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই ধনৰ ভিতৰত আগেয়ে উল্লেখ কৰাৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ মঞ্জুৰীৰ পৰিমাণ নিৰ্ভৰ কৰিব লাগিব। সম্প্ৰতি এই অনুন্নত জাতিৰ কল্যাণ আঁচনিৰ ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা কৰা অনুন্নত জাতিৰ কল্যাণ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে বৰ্দ্ধিত হাৰত অৰ্থ মঞ্জুৰী দি থাকে। তাৰ মানে সংবিধানৰ ২৭৫ আৰ্টিকেল অনুযায়ী অন্যান্য জাতিৰ কল্যাণৰ কৰাণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা-পইচা পোৱা হয় আৰু তাৰ বাহিৰেও আমাৰ যি সকল অন্যান্য পিচপৰা জাতিসমূহ আছে সেই সকলৰ কাৰণেও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো কোনো মঞ্জুৰী পোৱাৰ সুবিধা আছে অসমৰ ভৌগলিক পৰিস্থিতি আৰু সামাজিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি অন্যান্য পিচ-পৰা জাতিসমূহ আৰু অ, বি, চি ইত্যাদিৰ ক্ষেত্ৰত টকা খৰচ কৰা হৈছিল কিন্তু এই টকাৰে যিমান বোৰ আঁচনি প্ৰস্তুত কৰা হৈছে সেইবিলাক আচঁনিৰ পৰা এই লোক সকল কিমানদূৰ উপকৃত হৈছে আৰু এই আঁচনি বিলাক কিমানদূৰ ফলবতি হৈছে আৰু আমাৰ বিৰাট জনগোষ্ঠি কিমান দূৰ উপকৃত হৈছে সেইটো ভাবিবলগীয়া, থিক সেইদৰে শিক্ষাৰ ক্ষেত্ৰত বৃত্তি দিয়া হৈছে আৰু এই শিতানত যথেষ্ট টকা খৰচ কৰা হৈছে কিন্তু এই আঁচনিৰ জৰিয়তে আমি কিমান দূৰ আগবাঢ়িছো বা প্ৰগতি লাভ কৰিছোঁ সেই বিষয়ে ভাল দৰে নাজানিলো। এইদৰে প্ৰতি বছৰে ইমান বিলাক টকা বিভিন্ন আঁচনিৰ কাৰণে অনা হৈছে আৰু তাৰ খৰচ কৰা হৈছে কিন্তু তাৰে আমি কিমানখিনি আঁচনিৰ কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছোঁ সেই বিষয়ে চাবলৈ চৰকাৰৰ শাসন ব্যৱস্থাত কোনো সুবিধা নাই।

(থুল নাই)

গতিকে এই সম্পৰ্কত আমি বিধান সভাত জনাব নোৱাৰো আমাৰ আঁচনি বিলাক কাৰ্য্যকৰী হৈছে আৰু এই আঁচনি বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিমানদূৰ প্ৰগতি লাভ কৰিছো আৰু কৃতকাৰ্য্যতা লাভ কৰিছো সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা আমি জানিবলৈ পোৱা নাই। এতিয়া এনে কথা হৈছে যে এতিয়া আমাৰ যিবিলাক মঞ্জুৰী খৰচ কৰা হয় সেই মঞ্জুৰী বিলাক খৰচ কৰাৰ ক্ষেত্ৰত এই বিষয়ে জানিবলৈ কোনো উপাই নাই আৰু সেই বিষয়ে কোনো খা-খবৰ নাপাও। বিধান সভাৰ অহাৰ আগতে মই এখন চিঠি দিছিলো—

মই বিধান সভালৈ অহাৰ আগতে গৃহকুমাধিপতিয়ে চিঠি দি জনাইছিল যে হাইস্কুলৰ বাবে চিডুল কাষ্টৰ গ্ৰাণ্ট, নাম ঘৰৰ টকা আদি কৰি কিছুমান সমাজ কল্যাণৰ টকা প্লেনিং বৰ্ডৰ পৰা গৈছে। সেই টকাটো যে আচলতে অনুষ্ঠানে নাপালে সেই কথাটো উল্লেখিত হৈছে। গতিকে সেই সম্পৰ্কে তদন্ত কৰিবলৈ কৈছো। চিঠিখন বৰ্তমান মোৰ হাতত নাই। ৰাজহুৱা অনুষ্ঠানত টকা দিছে বুলি কৈছে। ডেৰগাওঁ হায়াৰচেকেন্দাৰী স্কুলৰ ৩ হাজাৰ চিডিউলকাষ্টৰ টকা নাপালে। কোনোৱাই মাজখিনিত সেই টকা উইড্ৰো কৰি লৈ গ'ল।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) কোন চনত দিছিল ?

* শ্ৰীনগেন বৰুৱা :- চনটো লাগিলে পাচত দিম। নাম ঘৰ আদিৰ বাবে দিয়া ৰাজহুৱা অনুস্থানৰ টকা বিলাক দায়ীত্বশীল লোকে লৈ যায় ফলত যিটো উদ্দেশ্যে সেই টকা দিয়া হয় তেওঁলোকৰ হাতত নপৰে। জনজাতি অনুসূচিত জাতি অ, বি, চি আদিৰ নামত যি টকা যায় সেই খিনি মুখিয়াল লোকেহে হাত পাত কৰিব পাৰে। বাকী সকলোৱেও কব নোৱাৰে। আমাৰ এডভাইচেৰি কমিটিৰ সদস্য সকলক বিশেষ সা-সুবিধা দিয়া হৈছে। পিচপৰি থকা সকলৰ উন্নতিৰ কাৰণে ৩ টা কোৰপোৰেচন এডভাইচেৰি কমিটি আৰু সদনৰ এটা কমিটি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰেই হওক বা ৰাজ্যিক চৰকাৰে হওক এই টকাটো দিয়াৰ ক্ষেত্ৰত মধ্যবৰ্ত্তী ব্যৱস্থা কৰা হৈছে। এই বিভিন্ন কমিটি বিলাক এটা সৎ উদ্দেশ্য লৈয়েই কৰা হৈছে। কিন্তু এখন থাকোতে আন এখন কিয় কৰা হৈছে। এখন যদি ভাল হৈছে বেয়া খনৰ বিলুপ্তি সাধন হব

লাগে। এই ক্ষেত্ৰৰ উপৰত গধুৰ ব্যৱস্থা ৰখা হৈছে। এডভাইচেৰি কমিটিৰ বা অন্যান্য কমিটি বিলাকৰ কামৰ কি বিভাজন বা তেওঁলোকে কি সহায় কৰিব পাৰিছে সেইখিনি জানিবৰ কাৰণে এই আলোচনা দাঙি ধৰিলো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম :—(মন্ত্ৰী) উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই পিচপৰা সম্প্ৰদায়ৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে সেই সম্পৰ্কে মনোনিবেশ আকৰ্ষণ কৰাৰ কাৰণে মই আন্তৰিক ধন্যবাদ জনাইছো। পিচপৰা সম্প্ৰদায়ৰ কল্যানৰ কাৰণে বিশেষ ভাবে দুটা ফালৰ পৰা অৰ্থ খৰছ কৰা হয়। এটা হল ৰাজ্যিক পৰিকল্পনাৰ মাধ্যমেদি আৰু আনটো হ'ল কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনাৰ মাধ্যমেদি। কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনাৰ মাধ্যমেদি যি টকা আছে সেই টকা কেন্দ্ৰীয় সাহাৰ্য্য মঞ্জুৰী হিচাবে আছে। মাননীয় সদস্য বিধান সভাৰ সদস্য হোৱা আজি প্ৰায় ১০ বছৰ হব। তেখেতে নিশ্চয় জানে যে, চৰকাৰে আমাৰ ৰাজ্য খনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে ৫ বছৰীয়া পৰিকল্পনা লৈছে। আৰু প্ৰত্যেক পৰিকল্পনাত ৫ বছৰৰ কাৰণে বিশেষ এটা অৰ্থ বৰাদ্দ কৰি দিয়ে। এই বৰাদ্দ অৰ্থৰ ভিতৰেদি পিচপৰা সম্প্ৰদায়ৰ কল্যানৰ কাৰণে আচতীয়াকৈ ৰাজ্যিক চৰকাৰৰ পৰিকল্পনা কৰা হয়। আমাৰ পঞ্চম ৫ বছৰীয়া পৰিকল্পনাৰ চুৰান্ত সিদ্ধান্ত হোৱা নাই তথাপি ৫ কোটি টকা বৰাদ্দ কৰা বুলি সিদিনা প্ৰশ্নোত্তৰত কৈছো। পিচপৰা সম্প্ৰদায়ৰ কাৰণে সাধাৰণতে ৩ টা খণ্ডৰ পৰা টকা খৰছ কৰা হয়। এটা হ'ল শিক্ষাৰ উন্নয়নৰ কাৰণে ২ নং অৰ্থনৈতিক উন্নয়নৰ কাৰণে আৰু ৩ নং হ'ল অন্যান্য উন্নয়নৰ কাৰণে। সেই অনুসৰি তিনিটা ভাগত সেই টকা বিলাক ভাগ কৰি দিয়া হয়। ভৈয়ামৰ জন জাতিৰ কাৰণে অনুসূচীত জাতিৰ কাৰণে আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে যোৱা ৫ বছৰৰ ভিতৰত যিখিনি টকা খৰছ কৰা হৈছে আৰু তাৰ পৰা কি লাভালাভ হৈছে সেই সম্পৰ্কে জানিব বিছাৰিছে। চিডিউল ট্ৰাইবচৰ কাৰণে ১৯৭২ চনত বিনামূলীয়া শিক্ষা দিওতে বহুত টকা খৰছ কৰা হৈছে।

শ্ৰীজালালুদ্দিন আহমেদ :— চিডিউল কাষ্টৰ কাৰণে ফিচাৰীৰ সুবিধা দিওতে

কোপাৰিটিভ চোচাইটিৰ ব্যৱস্থা কৰিছে।

মাননীয় উপাধ্যক্ষ :— সেইটো উল্লেখ কৰা নাই।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— টকাৰ লিষ্টখন দিঘলীয়া হ'ব।

শ্ৰীনগেন বৰুৱা :— সিদিনা মাননীয় সদস্য জলিল চৌধুৰীয়ে প্ৰশ্ন কৰিছিল যে, যিখিনি টকা খৰছ কৰা হৈছে তাৰ কিবা বিশেষ উন্নতি হৈছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— যথেষ্ট উপকাৰত আহিছে। এই শীতানৰ পৰা ষ্টেট ডিচপেনচাৰী কৰা হৈছে এই বছৰ ৬ খন শেষ কৰিব পৰা হৈছে। আগৰ বছৰত ৬.৭ খন শেষ হৈছে। ৰাস্তাৰ পৰা কি উপকাৰত আহে সেইটো মাননীয় সদস্যই নিশ্চয় উপলব্ধি কৰিব।

শ্ৰীনগেন বৰুৱা :— ৰাস্তাৰ, স্কুল আদি কি উপকাৰত হয় সেইটো বুজিছো। বিশেষ কি কাম কৰিছে সেইটো জানিব বিচাৰিছো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— ১৯৭২ চনত একশ কিলোমিটাৰ ৰাস্তা হৈছে। ১৯৭৪ চনত ৮৫ কিঃ মিঃ হৈছে; ১৯৭৫ চনত ২০ কিঃ মিঃ হৈছে। আৰু কাম আৰম্ভ কৰি আছো। বিনামূলীয়া শিক্ষা সহায় কৰিবলৈ যাওতে ২৬,৭,১৬ জনে সুবিধা পাইছে। ১৯৭২ চনত ৩২৬ টা বিলডিং গ্ৰাণ্ট আৰু ১৯৭৪ চনত ২৪১ টা বিলডিং গ্ৰাণ্ট দিছো। তেনেকৈ বিভিন্ন সাংস্কৃতিক অনুস্থানক সহায় কৰা হৈছে। ক্ৰাফটচ মেনৰ সুবিধা ১৯৭২ চনত ২২৩ টাক ১৯৭৩ চনত ২৩০ টাক ১৯৭৪ চনত ২৯২ লৰাক ট্ৰেইং দিব পৰা হৈছে। নাৰ্চ প্ৰশিক্ষনৰ কাৰণে ১৯৭২ চনত, ২৫ গৰাকী শিক্ষাথিক বিত্তি দিব পৰা হৈছে। ১৯৭৪ চনত ৫০ জনীক দিয়া হৈছে। ১৯৭৫ চনত ৮০ জনীক দিয়া হৈছে। গতিকে যথেষ্ট সহায় কৰিব পৰা হৈছে। মাননীয় সদস্যই ৰাজ্যিক পৰ্য্যায়ৰ এডভাইচাৰী কাউনচিলৰ কথা কৈছে। টকা বিলাকি যাতে থিক মতে বণ্টন হয় তাৰ কাৰণে প্ৰত্যেক মহকুমাত জনজাতি উপদেষ্টা কমিটি আছে। যোৱা বছৰ বোৰ্ড গঠন কৰা হৈছে। চিডিউল্ড্কাষ্টৰ কাৰণেও সেই ধৰণে আছে।

প'ৰহি অ,বি,চিৰ কাৰণে এডভাইজৰী কাউঞ্চিল মহকুমা লোভেলত বৰ্ড গঠন কৰাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। সেইটো চৰকাৰৰ বিবেচাধীন হৈ আছে। এই বৰ্ড বিলাকে বিশেষ ধৰাৰ টকা পইচা খৰচ কৰা নাই। আগতে এই বৰ্ডৰ চেয়াৰমেন আছিল এচ ডি.অ আৰু চেক্ৰেটৰী আছিল প্লেনিং অফিচাৰ। তেওঁলোকৰ কাৰণে টকা খৰচ কৰা নাই। তেওঁলোকক টি.এডি,এ দিয়া হোৱা নাছিল। অহা বছৰত কিছু টকা খৰচ হব। প্ৰত্যেক মহকুমাত ওৱেল চৰ অফিচাৰ নিয়োগ কৰা হৈছে। টকা বিলাক বিভিন্ন বিভাগৰ মাধ্যমত খৰচ কৰা হৈছে। ইল্লিমেন্ট কৰাৰ কৰাৰ কাৰণে নতুন ব্যৱস্থা কৰা হৈছে। কোৰপোৰেচন গঠন কৰাৰ উদ্দেশ্যটো বেলেগ। ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ পৰা লোন আদি দিয়াৰ ব্যৱস্থা গ্ৰহণ ব্যৱস্থা হিচাবে এইটো কৰা হৈছে। কোৰপোৰেচনৰ মাধ্যমেদি টকা খিনি যাতে তদাৰক কৰিব পাৰে তাৰ ব্যৱস্থা ৰখাৰ কাৰণে চিন্তা কৰা হৈছে।

ডঃ কোশেশ্বৰ বৰা ঃ— ১৯৬৯ চনত ভেল্লোগুৰি মেটাৰ নিটি চাইল্ডৱেলফিয়াৰ চেন্টাৰ খোলা হৈছিল। আজিলৈকে সেইটো নহল।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) ঃ— আমাৰ তৰফৰ পৰা ষ্টেট ডিচপেনচাৰীৰ বিলডিং তৈয়াৰ কৰি দিয়া হয়।

Mr. Deputy Speaker :—The House now stands adjourned till 10 A.M. tomorrow.

## ADJOURNMENT

The House then rose at 5.40 P.M. and stood adjourned till 10 A.M. on Tuesday, the 23rd March, 1976.

Dated : DISPUR
The 22rd March, 1976.

P. D. BARUA
Secretary
Assam Legislative Assembly